● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

ব্যক্তিগতভাৱে আমি যি পণ্য সামগ্ৰী বাছি লওঁ তাৰ পাৰিপাৰ্শ্বিক, সামাজিক, আত্মিক গুৰুত্ব থাকে; সেয়েহে আমাৰ জীৱনৰ লগত জড়িত কেতবোৰ পুৰণি ধাৰণা নকৈ চাব লাগে।

ডেভিদ ছুজুকি
*কানাডাৰ প্ৰসিদ্ধ শিক্ষাবিদ*




www.dainikagradoot.in

৭ তিনি সমন্বিত প্ৰাৰ্থী হ'ল 'অখিলেশ যাদৱ'
১৫ ৰাছিয়া-বেলাৰুছৰ খেলুৱৈক নিষিদ্ধ আইঅ'চিৰ
৪ ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ সম্ভাব্য পৰিণাম

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৪২তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ১৬ ফাগুন ১৪২৮ ভাস্কৰাব্দ ১ মাৰ্চ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 1 March 2022 মূল্য ঃ ৯.০০ টকা

## উত্তৰণ নে অধঃপতন?

■ সঞ্জীৱ সভাপণ্ডিত



আজি বহুত দিন হ'ল অসমত মানুহ 'মৰা' নাই।

কথাটোৰে সকলোকে আচৰিত কৰি দিব পাৰে। ক'তা, সদায়েতো মানুহ মৰিয়েই আছে! এক্সিডেন্টত-বেমাৰত-বাৰ্দ্ধক্যৰ বাবে-আত্মহত্যা কৰি বা অন্যান্য বহুত কাৰকৰ বাবে।

বহুতে ক'ব পাৰে যে প্ৰতিজন অসমীয়া মানুহতো প্ৰতিদিনে মৰিয়েই আছে আৰু কি মৰিব লাগে!

এইবিলাক ওপৰে ওপৰে কোৱা কথা। ১০ পৃষ্ঠাত চাওক

■ দেখাক দেখি উঠিল গা... পৌৰসভা নিৰ্বাচনত প্ৰচাৰ লাভৰ ন ন কৌশল প্ৰাৰ্থীৰ ■ ৱাৰ্ডৰ বাবে কি কৰিব অধিকাংশৰে নাই কোনো ধাৰণা ■ ঠায়ে ঠায়ে ভোজ-ভাত, বেণ্ডপাৰ্টিও চলিছে সমানে

# নৃত্য-গীতহে নিৰ্বাচনী প্ৰচাৰৰ 'ট্ৰেণ্ড'

**বৰপেটাৰ পৰা যোৰহাটলৈ-নলবাৰীৰ পৰা তেজপুৰলৈ ■ সাধাৰণ ভোটাৰৰ মাজত প্ৰতিক্ৰিয়া**



**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা**
**গুৱাহাটী/তেজপুৰ/যোৰহাট/নলবাৰী, ২৮ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ বাবে ৰাজ্যৰ ৮০ খন পৌৰসভা অঞ্চলত প্ৰচাৰ অভিযান তুংগত উঠিছে। প্ৰতিদ্বন্দ্বিতা কৰা প্ৰতিটো ৰাজনৈতিক দল আৰু প্ৰাৰ্থীয়ে দিন-ৰাতি একাকাৰ কৰি সংসদীয় গণতন্ত্ৰৰ একেবাৰে তৃণমূলৰ এই নিৰ্বাচনৰ বাবে সাজু হৈছে। তাৰ মাজতে একাংশ প্ৰাৰ্থীয়ে ভোটাৰক আকৰ্ষণ কৰিবলৈ ন ন কৌশলো গ্ৰহণ কৰিছে। ক'ৰবাত যদি প্ৰাৰ্থীয়ে নাচি বাগি ভোটাৰৰ মন পাবলৈ চেষ্টা কৰিছে আন ক'ৰবাত আকৌ ভোজ ভাতৰ আয়োজন কৰিছে। আনকি ভোটাৰৰ ঘৰত মাছ-মাংসৰো যোগান ধৰিছে অত্যুৎসাহী প্ৰাৰ্থীয়ে। কেতিয়াও এযাৰ মাত নিদিয়া ঘৰৰ কাষৰ মানুহজনকো একমাত্ৰ ভোটৰ স্বাৰ্থতে যদি কোনো প্ৰাৰ্থীয়ে ভৰি চুই সেৱা কৰিছে, কোনোৱে আকৌ আপোন দেখুৱাবলৈ বলপূৰ্বক ভোটাৰৰ পাকঘৰলৈ সোমাই গৈ চাহৰ জুতি লৈছে। বহুতে আকৌ বেণ্ডপাৰ্টি ১০ পৃষ্ঠাত চাওক



**■ দুই দেশৰ আলোচনাৰ মাজতে সংবিধান সংশোধন কৰি সিদ্ধান্ত**

■ পৰমাণু অস্ত্ৰবিহীন ৰাষ্ট্ৰৰ স্থিতি সলনিৰ পদক্ষেপত নতুন ইংগিত

## ইউক্ৰেইন সীমান্তত ৰাছিয়াক পৰমাণু অস্ত্ৰ স্থাপনৰ অনুমতি বেলাৰুছৰ

■ **নিউজ ব্যুৰ'**
**কিয়েভ, ২৮ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইনৰ স'তে আলোচনাৰ পথ প্ৰশস্ত হোৱাৰ সময়তে ৰাছিয়াৰ পৰা পৰামাণৱিক অস্ত্ৰ ওভতাই অনাৰ বাবে সন্মতি প্ৰকাশ কৰিছে বেলাৰুছে। এই অতি তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে কিয়নো দীৰ্ঘদিন ধৰি দেশখনে পাৰমাণৱিক অস্ত্ৰবিহীন স্থিতি গ্ৰহণ কৰি আছিল। এতিয়া বেলাৰুছৰ ভূমিৰ পৰা ৰুছ সেনাই ইউক্ৰেইন অভিযানত জঁপিয়াই পৰা আৰু কিয়েভলৈ অগ্ৰসৰ হোৱাৰ সময়তে ৰাষ্ট্ৰখনে দীৰ্ঘদিনীয়া পৰমাণু অস্ত্ৰবিহীন স্থিতি দলিয়াই নতুন সংবিধান গ্ৰহণৰ পদক্ষেপ লৈছে। ইউক্ৰেইন সীমান্তত ৰুছ পাৰমাণৱিক অস্ত্ৰ সংস্থাপনৰ বাবে অনুমোদন দি বেলাৰুছে গ্ৰহণ কৰা এই স্থিতিয়ে আমেৰিকা নেতৃত্বাধীন নাটোৰ সদস্য ৰাষ্ট্ৰসমূহৰ ওপৰত চাপ বৃদ্ধি কৰিব বুলি কোৱা হৈছে। উল্লেখ্য যে ছোভিয়েট ইউনিয়ন ভংগ হোৱাৰ ১০ পৃষ্ঠাত চাওক

■ পাঁচ লক্ষাধিক ইউক্ৰেইনৰ শৰণাথীৰ চুবুৰীয়া ৰাষ্ট্ৰত আশ্ৰয় ■ চেছেন যোদ্ধাও অগ্ৰসৰ হৈছে কিয়েভ অভিমুখে ■ ৰাছিয়াত পুটিন বাহিনীৰ বিৰুদ্ধে প্ৰতিবাদ ঃ ৫,৫০০ক গ্ৰেপ্তাৰ

## পাঁচ কিলোমিটাৰ দীঘলীয়া শাৰী ৰুছ সেনাৰ

**■ উপগ্ৰহৰ ছবিত ধৰা পৰিল ৰাছিয়াৰ আগ্ৰাসন**



■ **নিউজ ব্যুৰ'**
**কিয়েভ, ২৮ ফেব্ৰুৱাৰী ঃ** অধুনালুপ্ত ছোভিয়েট ইউনিয়নৰ পুনৰুদ্ধাৰৰ বাবে ৰণচালি দিয়া ৰাছিয়াৰ ৰকেট আক্ৰমণত আজি পুৱা ইউক্ৰেইনৰ খাৰকীভত বহু লোকে প্ৰাণ হেৰুৱায়। ইউক্ৰেইনৰ চৰকাৰে জনোৱা মতে, খাৰকীভত ৰাছিয়াই বৃহৎ পৰিমাণৰ ৰকেট বিস্ফোৰণ ঘটাইছে। ইয়াৰ ফলত বহুলোকৰ মৃত্যু হোৱাৰ উপৰি সহস্ৰাধিক আহত হৈছে। ইপিনে, ইউক্ৰেইনৰ ৰাজধানী কিয়েভৰ দিশলৈ অগ্ৰসৰ হৈছে ৰাছিয়াৰ পদাতিক সেনাৰ এটা বৃহৎ দল। ইউক্ৰেইনৰ স'তে আলোচনাৰ প্ৰস্তুতিৰ সময়তে কিয়েভৰ দিশলৈ মস্কোৱে নতুন বাহিনী প্ৰেৰণৰ ছবি উন্মোচিত আঠ পৃষ্ঠাত চাওক

**দুয়োপক্ষৰ দাবী উপস্থাপনেৰে প্ৰথমলানি ৰাছিয়া-ইউক্ৰেইন শান্তি আলোচনাৰ অন্ত ■ ইউক্ৰেইনৰ পৰা ৰুছ সেনা প্ৰত্যাহাৰৰ দাবী**

## দুই মাৰ্চৰ ভিতৰতে ইউক্ৰেইন দখল কৰিব বিচাৰিছে ৰাষ্ট্ৰপতি পুটিনে



■ **নিউজ ব্যুৰ'**
**বেলাৰুছ, ২৮ ফেব্ৰুৱাৰী ঃ** দুয়োপক্ষৰ দাবী উত্থাপনৰ মাজেৰে সমাপ্ত হ'ল বহু প্ৰত্যাশিত ৰাছিয়া-ইউক্ৰেইনৰ প্ৰথমলানি শান্তি আলোচনা। ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে কালি দেশৰ পাৰমাণৱিক শক্তি বাহিনীক সাজু হ'বলৈ ভাবুকি দিয়াৰ পৰিপ্ৰেক্ষিতত যুদ্ধবিধ্বস্ত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেন'স্কীয়ে আলোচনাৰ বাবে সন্মত হয়। বেলাৰুছৰ আঠ পৃষ্ঠাত চাওক

**অইলৰ কৰ পশ্চাদ লাভৰ পৰিমাণ ১৫২ শতাংশলৈ বৃদ্ধি ঃ মিশ্ৰ**

নতুন কাৰ্যসূচীৰ বিষয়ে ঘোষণা ■ হাইড্ৰ'জেনৰ ওপৰত গুৰুত্ব প্ৰদান

## ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ প্ৰভাৱ কি হ'ব এতিয়াই কোৱা টান ঃ চিএমডি



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী ঃ** যোৱা পাঁচদিন ধৰি ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা যুদ্ধৰ পাৰ্শ্বক্ৰিয়াৰূপে বিশ্বৰ লগতে ভাৰততো পেট্ৰ'লজাত সামগ্ৰীৰ মূল্যবৃদ্ধি হ'ব পাৰে বুলি চৰ্চা চলি থকাৰ মাজতে আজি অইল ইণ্ডিয়া লিমিটেড কৰ্তৃপক্ষই ঘোষণা কৰিছে যে এই মুহূৰ্তলৈকে সকলো ঠিকেই চলি আছে আৰু পৰৱৰ্তী সময়ত যুদ্ধই প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে কেনে ধৰণৰ প্ৰভাৱ পেলাব তাক এতিয়াই অনুমান কৰা টান।

আজি মহানগৰীৰ নাৰেংগীস্থিত অইলৰ নাৰেংগী ক্লাব প্ৰাংগণত এক সংবাদমেলত অইলৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক আঠ পৃষ্ঠাত চাওক

## নিজম পৰিল বাগ্মীবৰ ককা নীলমণি ফুকন সমন্বয় ক্ষেত্ৰ

ভক্তৰ ক্ৰন্দনত সৃষ্টি শোকাকুল পৰিৱেশৰ

**অগ্ৰদূত বাৰ্তা**
**নাহৰকটীয়া/নামৰূপ, ২৮ ফেব্ৰুৱাৰী ঃ** হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ থকা নাহৰকটীয়াৰ ৰাঙলীপথাৰ আজি নিজম পৰিল। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১সংখ্যক বাৰ্ষিক অধিৱেশনস্থলী বাগ্মীবৰ ককা নীলমণি ১০ পৃষ্ঠাত চাওক

## কৰিমগঞ্জৰ টিলাত উদ্ধাৰ অত্যাধুনিক বাংকাৰ


কে'বাজাঁই গুলি জব্দ

**বিশেষ সংবাদদাতা**
**কৰিমগঞ্জ, ২৮ ফেব্ৰুৱাৰী ঃ** কৰিমগঞ্জ জিলাৰ বিনোদিনী গাঁৱত ওলাল এটা অত্যাধুনিক বাংকাৰ। গাঁওখনৰ এটা টিলাত থকা বাংকাৰসদৃশ এই গুহাৰ পৰাই আৰক্ষীয়ে আজি ১০ পৃষ্ঠাত চাওক

## কাৰাবাসৰ পৰা ওলাই পুনৰ আলফা (স্বা) লৈ গমন যুৱকৰ

আদালতত হাজিৰা দিবলৈ গৈ অন্তৰ্ধান

**অগ্ৰদূত বাৰ্তা**
**ডংকামোকাম, ২৮ ফেব্ৰুৱাৰী ঃ** কাৰাগাৰৰ পৰা ওলাই এজন যুৱকে পুনৰ আলফা (স্বাধীন) লৈ গমন কৰা ঘটনাই আঠ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ১৬° |
| ডিব্ৰুগড় | ২২° | ১৩° |
| দিল্লী | ২৫° | ১২° |
| কলকাতা | ৩২° | ২১° |
| মুম্বাই | ৩১° | ২৩° |
| চেন্নাই | ৩২° | ২৪° |
| বাংগালুৰু | ৩১° | ১৬° |
| শ্বিলং | ১৯° | ০৭° |

*২৮ ফেব্ৰুৱাৰী, ২০২২*

**চেঙা তেল**



*বুজি পাইছো, ইউটিউবাৰ হ'বি বাৰু! আগতে পঢ়ি-শুনি শব্দটো লিখিবলৈকে শিকচোন!*

## ১২ লাখকৈ দি চাকৰি লোৱা চাৰি গাঁওবুঢ়াক গ্ৰেপ্তাৰ

দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ ৭০ গাঁওবুঢ়া নিযুক্তি কেলেংকাৰি গোচৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী ঃ** পাঁচৰ পৰা ১২ লাখ টকা দি গাঁওবুঢ়া পদত নিযুক্তি লাভ কৰা দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ চাৰিজনকৈ গাঁওবুঢ়াক আজি গ্ৰেপ্তাৰ কৰে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে। আৰক্ষী অধীক্ষক ৰ'জী কলিতাই সদৰী কৰা অনুসৰি, ধৃত কেইজন হৈছে ক্ৰমে পথুৰিয়াৰ গাঁওবুঢ়া আব্দুল ছহিদ (৪৮), কুশ্ৰীমাৰাৰ গাঁওবুঢ়া আমিনুল ইছলাম (৪৮), ১০ পৃষ্ঠাত চাওক



*ৰেল বিভাগৰ ভূমি ব্যৱসায়ীক গতাই দিয়াৰ প্ৰতিবাদ ছাত্ৰ সন্থাৰ।*

## পেট্ৰ'লিয়াম খণ্ডই উত্তৰ-পূবৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ ঔদ্যোগিক বিকাশৰ ক্ষেত্ৰত পেট্ৰ'লিয়াম খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আজি পেট্ৰ'লিয়াম ১০ পৃষ্ঠাত চাওক

## মহানগৰীত পদপথৰ ব্যৱসায়ক কেন্দ্ৰ কৰি বৃহৎ ছিণ্ডিকেট

লাখটকীয়াত টিকু বাহিনীয়ে আদায় কৰে পাঁচ হেজাৰ টকাকৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী ঃ** পদপথকে জীৱন সংগ্ৰামৰ একমাত্ৰ সাৰথি কৰি পৰিয়াল পোহপাল দিয়া একাংশ দৰিদ্ৰ লোকক কেন্দ্ৰ কৰি মহানগৰীত আৰক্ষী, পৌৰ নিগমৰ কৰ্মচাৰীৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠিছে বৃহৎ ছিণ্ডিকেট। পৌৰ নিগমৰ কোনো পঞ্জীয়ন ব্যৱস্থা নথকাৰ ফলত মহানগৰীৰ বিভিন্ন প্ৰান্তত ১০ পৃষ্ঠাত চাওক

**■ আৰু চাৰিদিন পাছতে মজুত থকা খাদ্য শেষ হোৱাৰ আশংকা**

## বাহিৰত বোমা-মৰ্টাৰৰ ভয়ংকৰ শব্দ, ভিতৰত অনিশ্চয়তাত কটাইছো

সৰ্বাধিক আক্ৰান্ত ইউক্ৰেইনৰ ছুমিৰ পৰা 'দৈনিক অগ্ৰদূত'ক অভিজ্ঞতা বৰ্ণালে নীলম কলিতাই

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ যুদ্ধই আজি পাঁচ দিন অতিক্ৰম কৰিলে। ক্ৰমে পৰিস্থিতিৰ অধিক অৱনতি ঘটা ইউক্ৰেইনত আবদ্ধ ভাৰতীয় ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য লোকসকলক উদ্ধাৰ কৰি দেশলৈ ঘূৰাই অনাৰ প্ৰক্ৰিয়া কেন্দ্ৰীয় চৰকাৰে অব্যাহত ৰাখিছে। ইয়াৰ ফলশ্ৰুতিত আজিলৈকে অসমৰ নগৰাকী ছাত্ৰ-ছাত্ৰী গৃহৰাজ্যলৈ উভতি আহিবলৈ সক্ষম হয়। ইয়াৰে চাৰিগৰাকী ছাত্ৰ-ছাত্ৰী আজি উপস্থিত হয় বুলি অসম চৰকাৰৰ গৃহসচিব দিগন্ত বৰাই জনায়। তদুপৰি কমেও চাৰিগৰাকী ছাত্ৰ-ছাত্ৰী যুদ্ধ জৰ্জৰিত ৰাষ্ট্ৰখনৰ পৰা আহি আজি দিল্লীত উপস্থিত হয়। এইসকলৰ আঠ পৃষ্ঠাত চাওক

**■ অসম-নগালেণ্ড-অৰুণাচললৈ সৰবৰাহ**

## কৰ ফাকিৰে ৰাজধানী এক্সপ্ৰেছ ৰেলৰ চাৰিটা দবাত অনা গুটখা জব্দ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী ঃ** কৰ আৰু জিএছটি ফাকিৰে দিল্লীৰ পৰা অসম, নগালেণ্ড আৰু অৰুণাচললৈ সৰবৰাহৰ চেষ্টা কৰা বৃহৎ পৰিমাণৰ গুটখা আৰু বৈদ্যুতিক সামগ্ৰী জব্দ কৰিছে অসম আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ তদন্ত বিভাগ (বি আই ই অ')এ। এক গোপন খবৰৰ ভিত্তিত বি আই ই অ'ৰ এটা দলে দিল্লীৰ পৰা ডিব্ৰুগড় অভিমুখী ৰাজধানী এক্সপ্ৰেছৰ চাৰিটা দবা পল্টনবজাৰ ৰেল ষ্টেছনত জব্দ কৰাৰ পাছত আজি ১০ পৃষ্ঠাত চাওক

## দৰঙত শিশু নিৰ্যাতনকাৰীক ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৮ ফেব্ৰুৱাৰী ঃ** শিশু নিৰ্যাতনৰ অপৰাধত এজনক আজি দৰং জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে ২০ বছৰৰ সশ্ৰম কাৰাদণ্ড বিহাৰ লগতে ২০ হেজাৰ টকাৰ জৰিমনা বিহে। ২০২০ৰ ২১ নৱেম্বৰত আঠ পৃষ্ঠাত চাওক

**ইতিহাস হৈ পৰিল ইউক্ৰেইনৰ 'স্বপ্ন' ■ পুনৰ নিৰ্মাণৰ অংগীকাৰ**

■ 'মৃয়া'ই কঢ়িয়াব পাৰে ৬৪০ মেট্ৰিক টনৰ অধিক ওজনৰ সামগ্ৰী

## ৰুছ ক্ষেপণাস্ত্ৰৰ আক্ৰমণত জ্বলি ছাই হ'ল বিশ্বৰ সৰ্ববৃহৎ বিমান



■ **নিউজ ব্যুৰ'**
**কিয়েভ, ২৮ ফেব্ৰুৱাৰী ঃ** একেৰাহে চাৰিদিন মস্কোৰ আগ্ৰাসনৰ মুখত পৰি বিপৰ্যস্ত হৈছে কিয়েভ। এই সংঘাতত দুয়োপক্ষই ক্ষতিগ্ৰস্ত হৈছে যদিও ৰাছিয়াতকৈ ইউক্ৰেইনৰ ক্ষতিৰ পৰিমাণ বহু বেছি। সেনা তথা অসামৰিক ১০ পৃষ্ঠাত চাওক

**বাৰপূজীয়াত চাৰিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে সামৰণি পৰিল তিৱা সাহিত্য সভাৰ অধিৱেশনৰ ■ জোঙাল বলহু গড়ৰ সৌন্দৰ্যবৰ্ধন হ'ব ঃ শৰ্মা**

## পঞ্চম শ্ৰেণীলৈ জনগোষ্ঠীয় ভাষাত শিক্ষাদান



**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও/ৰহা, ২৮ ফেব্ৰুৱাৰী ঃ** 'তিৱা ভাষা হ'ল অসমৰ এটা প্ৰাচীন ভাষা। সাহিত্য সৃষ্টি হয় প্ৰকৃতিৰ পৰা, প্ৰকৃতিৰ বিভিন্ন উপাদানৰ পৰা সাহিত্যই গজালি মেলে আৰু সেই সাহিত্যই জাতি-জনগোষ্ঠীৰ সাহিত্যক সমৃদ্ধ কৰে। ভাষা-সাহিত্যৰ আন এটা ভেটি হ'ল লৌকিক পৰম্পৰা।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। মৰিগাঁও জিলাৰ বাৰপূজীয়াৰ ৪২ৰ ছহিদ হেমৰাম পাটৰ ক্ষেত্ৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত তিৱা মাথনলাই তখা (তিৱা সাহিত্য সভা)ৰ অন্তিম দিনৰ মুকলি সভাত মুখ্যমন্ত্ৰীয়ে মুখ্য অতিথিৰূপে অংশ লৈ পুনৰ কয়, 'সাহিত্যৰ সৃষ্টি হৈছে ধৰ্ম আৰু বিশ্বাসৰ ওপৰত। ধৰ্মৰ পৰা যদি জনজাতিসকলক আঁতৰাই দিয়া হয়, তেনেহ'লে জনগোষ্ঠীয় জাতিসমূহ নিঃশেষ হৈ যাব। তিৱাকে ধৰি অসমৰ প্ৰতিটো জনগোষ্ঠীৰ ভাষা-সাহিত্য বিকাশ হ'লেহে অসমীয়া সাহিত্যৰ বিকাশ হ'ব। ১৯৮১ত জন্ম লাভ কৰা তিৱা সাহিত্য সভাই জনগোষ্ঠীটোৰ সামগ্ৰিক উন্নয়নৰ বাবে নিৰলসভাৱে কাম কৰি ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১ মাৰ্চ, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি

## প্ৰলোভনৰ ৰাজনীতিত অতিষ্ঠ ৰাইজ

**নলবাৰীত চিপিআই(এম)ৰ পৌৰসভা নিৰ্বাচনৰ কাৰ্যালয় মুকলি**

অগ্ৰদূত বাৰ্তা
**নলবাৰী, ২৮ ফেব্ৰুৱাৰী ঃ** নলবাৰী পৌৰসভাৰ অন্তৰ্গত আঠ নম্বৰ ৱাৰ্ডৰ চিপিআই(এম)ৰ মনোনীত আৰু কংগ্ৰেছ, অজাপ, ৰাইজৰ দলৰ সমৰ্থিত প্ৰাৰ্থী প্ৰদীপ কুমাৰ দত্তৰ নিৰ্বাচনী কাৰ্যালয় যোৱা ২৭ ফেব্ৰুৱাৰীৰ নিশা বৰমাৰোডত কংগ্ৰেছৰ জিলা সভাপতি সুৰেশ মহন্তই মুকলি কৰে। তদুপলক্ষে বিশিষ্ট বাওঁপন্থী নেতা ৰবীন মিশ্ৰৰ সভাপতিত্বত আয়োজিত সভাত অজাপৰ নেতা নগেন ডেকাই কয় যে ছয় পৃষ্ঠাত চাওক

■ বিধ্বস্ত পথত চলাচল কৰিব নোৱাৰে এম্বুলেঞ্চ

## গাইডবান্ধ নিৰ্মাণৰ নামত তেজপুৰত সৰ্বসাধাৰণক হাৰাশাস্তি



ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** তেজপুৰ আৰু জামুগুৰি সংযোগী চাৰিশৰীয়া পথ তথা জীয়াভৰলী দলং নিৰ্মাণৰ বাবে তেজপুৰ আৰু ৰঙাপৰাত গাইডবান্ধ নিৰ্মাণৰ বিপৰীতে ব্যাপক পৰিমাণত ভূমি অধিগ্ৰহণ কৰা হৈছে। এনে ভূমিত অবৈধভাৱে নিশাটোৰ ভিতৰতে ২০১৯ৰ পৰা একাংশ লোকে গৃহ নিৰ্মাণ কৰি ইয়াৰ বিপৰীতে একাংশ দালালৰ সহযোগত তথা একাংশ মণ্ডল আৰু সংশ্লিষ্ট বিভাগৰ বিষয়া অভিযন্তাৰ সহযোগত লাখ লাখ টকা আত্মসাৎ ছয় পৃষ্ঠাত চাওক

## মৰিগাঁৱত প্ৰাক্‌নিৰ্বাচনী হিংসা, দুৰ্বৃত্তই জ্বলালে কাৰ্যালয়

অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ২৮ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ পৌৰসভা নিৰ্বাচনত ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰত ব্যস্ত থকাৰ সময়তে মৰিগাঁৱত নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয়ত অগ্নি সংযোগ কৰা ঘটনাই সমগ্ৰ চহৰখনতেই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মৰিগাঁও জিলা পৌৰসভাৰ অঞ্চলৰ ১১ নম্বৰ ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দিতা আগবঢ়োৱা জুবিকা ৰহমানৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয়ত যোৱা নিশা কোনো দুৰ্বৃত্তই অগ্নি সংযোগ কৰে। স্থানীয় লোকে কাৰ্যালয়টোত জুই প্ৰত্যক্ষ কৰাৰ লগে লগে এক হুলস্থুলৰ পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় লোকৰ তৎপৰতাত নিৰ্দলীয় ছয় পৃষ্ঠাত চাওক

■ অনিশ্চয়তাত নগাঁও কাগজ কলৰ কৰ্মচাৰীৰ ভৱিষ্যৎ ■ পূৰ্বে কাগজ কলৰ মূল্য নিৰ্ধাৰণ কৰিছিল ১১৩৯ কোটি ■ পাঁচ মাহে মুকলি কৰি দিয়া নাই এই টকা

# চতুৰ্থবাৰলৈ হ্ৰাস কাগজ কলৰ মূল্য



শিৱৰাত্ৰী উপলক্ষে ঐতিহ্যমণ্ডিত শিৱদৌলত ভক্তৰ ভিৰ, সোমবাৰে।

অগ্ৰদূত বাৰ্তা
**জাগীৰোড, ২৮ ফেব্ৰুৱাৰী ঃ** পানীৰ দৰত বিক্ৰী হ'ব হিন্দুস্তান কাগজৰ দুটাকৈ কাগজ কল। নগাঁও আৰু কাছাৰ কাগজ কলৰ নিলাম মূল্য পুনৰ হ্ৰাস কৰিলে লিকুইডেটৰ কুলদীপ বাৰ্মাই। ১১৩৯ কোটিৰ পৰা হ্ৰাস হৈ কাগজ কলৰ নিলাম মূল্য হ্ৰাস পালে ৩৭৫ কোটি টকালৈ। চতুৰ্থবাৰৰ বাবে এই মূল্য হ্ৰাস পালে ৩৭৫ কোটিলৈ। দ্বিতীয়বাৰৰ বাবে এই মূল্য হ্ৰাস কৰিছিল ৯৬৯ কোটি টকা কৰাৰ লগতে তৃতীয় বাৰৰ বাবে এই মূল্য নিৰ্ধাৰণ কৰিছিল ৪১৩ কোটিলৈ। তৃতীয়বাৰ কোনো ছয় পৃষ্ঠাত চাওক

## গহপুৰত গঁড়ৰ মুক্ত বিচৰণ ঃ আতংকিত ৰাইজ

অগ্ৰদূত বাৰ্তা
**গহপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** গহপুৰ মহকুমাৰ ব্ৰহ্মপুত্ৰৰ দাঁতি-কাষৰীয়া মেইল বজাৰ আৰু দাসপাৰা অঞ্চলত গঁড়ৰ মুক্ত বিচৰণে স্থানীয় ৰাইজক আতংকিত কৰি তোলাৰ লগতে স্বাভাৱিক জীৱন যাত্ৰা এক প্ৰকাৰ ব্যাহত কৰি ৰাখিছে। উল্লেখ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ব্ৰহ্মপুত্ৰৰ সুঁতি পাৰ হৈ অহা দুটা গঁড়ে মেইল বজাৰ আৰু দাসপাৰা অঞ্চলত যোৱা চাৰিদিন ধৰি মুক্ত বিচৰণ কৰি থকাত অঞ্চলটোত এক আতংকময় পৰিস্থিতিৰ উদ্ভৱ হৈছে। গঁড় দুটাই অঞ্চল দুটাৰ পথাৰৰ লগতে ছয় পৃষ্ঠাত চাওক

## হাউলীত পৌৰ নিগমৰ নিৰ্বাচনী প্ৰচাৰ তুংগত

অগ্ৰদূত বাৰ্তা
**হাউলী, ২৮ ফেব্ৰুৱাৰী ঃ** 'এই নিৰ্বাচনৰ সময়ত বহুত মানুহ আহিব বিভিন্ন কথা ক'ব। কিন্তু এটা কথা মনত ৰাখিব যোৱা নটা মাহত ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত যি ধৰণৰ উন্নয়ন হৈছে, যি ধৰণৰ জাতিটোৰ সুৰক্ষাৰ কাৰণে কাম হৈছে তাত বিজেপিৰ বিকল্প আজি অসমৰ খিলঞ্জীয়া লোকে চিন্তা কৰি লাভ নাই।' কালি হাউলীৰ মৈৰামাৰাৰ এক নিৰ্বাচনী সভাত এই মন্তব্য কৰে মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই। তেওঁ আৰু কয় যে এই অঞ্চলৰ ৰাইজৰ অস্তিত্বৰ সংকট হৈছে। আজি এই অঞ্চলৰ লোকৰ এনেকুৱা এটা পৰিৱেশ হৈছে যে আজি নমাতি সত্ৰৰ মাটিও কোনে কেতিয়া আহি দখল কৰে, ক'ত কোনে আমাকগ্ৰাস কৰে একো ঠিক নাই। এই পৰিৱেশৰ লগত মোকাবিলা কৰিব পাৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই । আমি এইখন ঠাইৰ খিলঞ্জীয়া মানুহ। আজি আমাক বেলেগে গ্ৰাস কৰিছে, আজি আমাৰ অঞ্চলত কোনোবাই আহি বিভিন্ন ধৰণে আমাক ভয়-ভাবুকি দিব, কেতিয়াবা কবৰস্থান বনাবলৈ আহিব, কেতিয়াবা আমাৰ মাটি দখল কৰিব আহিব। এই কথাবিলাক ছয় পৃষ্ঠাত চাওক

**চাৰিজন আটক**

## আজাৰাত নকল টকা-নকল সোণ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
**আজাৰা, ২৮ ফেব্ৰুৱাৰী ঃ** নকল টকা, নকল সোণেৰে মানুহক প্ৰৱঞ্চনা কৰা চাৰিজন লোক আজাৰা আৰক্ষীৰ জালত। যোৱা নিশা গোপন সূত্ৰৰ পম খেদি আজাৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে লোককেইজনক । ঠগ-প্ৰৱঞ্চকেৰে ভৰি পৰিছে সমগ্ৰ ৰাজ্য। গোপন সূত্ৰৰ পম খেদি আৰক্ষীয়ে কৰায়ত্ত কৰিলে চাৰিজন প্ৰৱঞ্চকক । টকা নে সোণ নে খোদ টকা বনোৱা মেচিন। এতিয়া একাংশ প্ৰৱঞ্চকে প্ৰৱঞ্চনাৰে লোকক বিক্ৰী কৰিছে নকল ছয় পৃষ্ঠাত চাওক

**মৰিয়নিত প্ৰচাৰ অভিযান তুংগত**

## ৰূপজ্যোতিৰ বাবে সন্মানৰ প্ৰশ্ন হৈ পৰিছে ছয় নম্বৰ ৱাৰ্ড

অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ২৮ ফেব্ৰুৱাৰী ঃ** মৰিয়নি পৌৰসভাৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগেই প্ৰচাৰ অভিযান তুংগত উঠিছে। এইবাৰৰ নিৰ্বাচন বিজেপিৰ বাবে প্ৰত্যাহ্বান স্বৰূপ হৈ পৰিছে। প্ৰথমবাৰৰ বাবে পূৰ্ণাংগ যুঁজত অৱতীৰ্ণ হৈছে বিজেপি। ৰাজ্যত আৰু কেন্দ্ৰত বিজেপি চৰকাৰ থকাৰ পাছত মৰিয়নি পৌৰসভা দখলৰ কুচকাৱাজ আৰম্ভ কৰিছে দলটোৱে। দলটোৱে ইয়াৰ পূৰ্বে মাত্ৰ এখন আসনহে দখল কৰিবলৈ সক্ষম হৈছিল। এইবাৰৰ পৰিস্থিতি কিছু সুকীয়া। এইবাৰ পৌৰসভাৰ ৱাৰ্ডৰ সংখ্যাও ১০ টালৈ বৃদ্ধি কৰা হ'ল। ইয়াৰ পূৰ্বে ৱাৰ্ডৰ সংখ্যা আছিল পাঁচটা। ফলত নিৰ্বাচনী যুঁজও পূৰ্বতকৈ অধিক তীব্ৰ হৈছে। বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ নেতৃত্বত বিজেপিয়ে এইবাৰ নামি পৰিছে নিৰ্বাচনী যুঁজত। যিকোনো প্ৰকাৰে মৰিয়নি পৌৰসভাক নিজৰ দখললৈ নিব বিচাৰিছে বিধায়কজনে প্ৰতিটো ৱাৰ্ডতে নিৰ্বাচনী প্ৰচাৰ চলাইছে কুৰ্মীয়ে। লক্ষ্যণীয় যে বিধায়ক কুৰ্মীৰ হস্তক্ষেপৰ বাবেই বিজেপিৰ কে'বাজনো প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে টিকটৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উঠিছিল । আনকি দলীয় কৰ্মীক বঞ্চিত কৰি দলীয় কৰ্মী নোহোৱা লোককো প্ৰাৰ্থিত্ব প্ৰদান কৰা বুলিও অভিযোগ উঠিছিল। ফলত ১৩ জনকৈ টিকটৰ পৰা বঞ্চিত বিজেপি কৰ্মীয়ে নিৰ্দলীয়ৰূপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে । এগৰাকীয়ে অৱশ্যে মনোনয়ন প্ৰত্যাহাৰ কৰে। আনহাতে, শেহতীয়াকৈ ১২ গৰাকী তেনে নিৰ্দলীয় প্ৰাৰ্থীক ইতিমধ্যে বিজেপিৰ নেতৃত্বই ছয় পৃষ্ঠাত চাওক

## নাগ্ৰীজুলিত নিশা বিধ্বংসী অগ্নিকাণ্ড

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলি বজাৰত আজি নিশা আঠ বজাত সংঘটিত এক বিধ্বংসী অগ্নিকাণ্ডত এটি মছলা গুড়ি কৰা কলসহ এখন দোকান ভস্মীভূত হয়। ভওৰাগুৰি হিন্দী প্ৰাথমিক বিদ্যালয়ৰ সন্মুখত থকা নাগ্ৰীজুলি বজাৰৰ বাবন প্ৰসাদ নামৰ ব্যৱসায়ীজনৰ ব্যৱসায়িক প্ৰতিষ্ঠানত দাও দাওকৈ জুই জ্বলি উঠা প্ৰত্যক্ষ কৰাত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। পাছত ঘটনাস্থলীত স্থানীয় লোক উপস্থিত হৈ জুই নুমুৱাবলৈ চেষ্টা কৰে যদিও কলটো ভস্মীভূত হয়।

**বাগিচাৰ চিকিৎসালয়ত তলা লগালে উত্তেজিত শ্ৰমিকে**

## নিউ সোণোৱাল চাহ বাগিচাত অসুস্থ ৰোগীক নিবলৈ নাই এম্বুলেঞ্চ-চিকিৎসক

অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ২৮ ফেব্ৰুৱাৰী ঃ** মৰিয়নিৰ সমীপৰ নিউ সোণোৱাল চাহ বাগিচাৰ চিকিৎসালয়ত আজি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। গুৰুতৰভাৱে অসুস্থ এগৰাকী মহিলাক চিকিৎসা নকৰাৰ লগতে উন্নত চিকিৎসাৰ বাবে চিকিৎসা মহাবিদ্যালয়লৈ নিবলৈ এম্বুলেঞ্চ নথকাত উত্তেজিত হৈ পৰে বাগিচাৰ ছয় পৃষ্ঠাত চাওক





দৈনিক অগ্ৰদূত
গুৱাহাটী, মঙলবাৰ ১৬ ফাগুন ১৪২৮ ভাস্কৰাব্দ ১ মাৰ্চ ২০২২



# অগ্ৰণী ভূমিকা লওক

অসম বুলিয়ে নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে বিভিন্ন জনগোষ্ঠীৰ বিশেষকৈ মহিলাসকলৰ মাজত ভিন ভিন নৃত্য-গীতৰ প্ৰচলন আছে। তেনেদৰে প্ৰতিটো অঞ্চলৰে নিজস্ব এনেকুৱা খাদ্য-সামগ্ৰী আছে, যিবোৰত মহিলাসকল পাৰ্গত। ভাৰতবৰ্ষৰ আন ৰাজ্যত এনে দৃশ্য দুৰ্লভ; কিন্তু আমাৰ মহিলাসকলৰ দক্ষতাক আমি যথোচিতভাৱে ব্যৱহাৰ কৰিবলৈ সক্ষম হোৱা নাই। উত্তৰ-পূৰ্বাঞ্চলৰ বিবিধ বস্ত্ৰ সামগ্ৰীয়ে বিশ্বৰ বজাৰ দখল কৰিব পাৰে। এই অঞ্চলৰ সুস্বাদু পিঠা-পনা আৰু খাদ্যৰ সমাহাৰে বাহিৰৰ বজাৰতো সমাদৰ পাব পাৰে; কিন্তু পৰিকল্পনাৰ অভাৱ আৰু হীনমন্যতাৰ হেতুকে আমি এই ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হোৱা নাই।

আনহাতে, অসমৰ গ্ৰাম্য সমাজ জীৱনৰ স'তে দেশৰ প্ৰায়বোৰ ৰাজ্যৰে নগৰ আৰু গ্ৰামাঞ্চলৰ মাজত আকাশ-পাতাল পাৰ্থক্য দেখিবলৈ পোৱা যায়। যুৱক-যুৱতীৰ ভিৰত নগৰীয়া জীৱন বৰ্ণিল হ'লেও গ্ৰামাঞ্চলত যৌৱন নাই। এই কথা দোহাৰিবৰ প্ৰয়োজন নাই যে ভাৰতবৰ্ষৰ প্ৰায় ৮০ শতাংশ লোকেই এতিয়াও গ্ৰামাঞ্চলত বাস কৰে। আজিও সেইবোৰ অঞ্চলত কম বয়সতে ল'ৰা-ছোৱালীৰ বিয়া-বাৰু হয়। শৈশৱৰ পৰাই কিশোৰ-কিশোৰীহঁত পিতৃৰ কৃষিকৰ্মত নিয়োজিত থাকে। তাৰ পাছত কোমল বয়সত বৈবাহিক সম্পৰ্ক স্থাপনৰ লগে লগে শহুৰৰ ঘৰত। তাৰ দুই-এবছৰৰ পাছতে সন্তানৰ মাতৃ হৈ যৌৱন পাৰ কৰি দিয়ে। এই ব্যৱস্থাৰ পৰিৱৰ্তন ঘটাবলৈকে দেশৰ মূল ভূ-খণ্ডৰ ল'ৰা-ছোৱালীবিলাকক বিদ্যালয়লৈ আকৰ্ষণ কৰাৰ উদ্দেশ্যে মধ্যাহ্ন ভোজনৰ লেখীয়া অভিনৱ আঁচনি ল'ব লগা হৈছিল। বিদ্যালয়লৈ ল'ৰা-ছোৱালীক পঠিওৱাৰ সলনি সৰহ সংখ্যক গঁওৱাই পেটৰ ভাতমুঠিৰ বাবে সিহঁতক খেতিপথাৰ অথবা কল-কাৰখানাত কাম কৰাটো বিচাৰে। সেয়েহে অসমৰ যুৱক-যুৱতীসকলৰ যিখন ছবি দেখা যায়, সেইখন ছবি দেশৰ মূল ভূ-খণ্ডৰ গ্ৰামাঞ্চলত দেখিবলৈ পোৱা নাযায়। নগৰ আৰু গ্ৰাম্য জীৱনৰ পাৰ্থক্য আৰ্থিক দিশত কিছু থাকিলেও দৈনন্দিন জীৱন ধাৰাত সি প্ৰতিফলিত নহয়। অসমৰ গ্ৰামাঞ্চলত জমিদাৰ সদৃশ ভূ-স্বামী যিদৰে নাই, তেনেদৰে ভূমিহীন লোকৰ সংখ্যাও কম। অধিকাংশ পৰিয়ালৰে এটুকুৰা হ'লেও ভূমি আছে। সবাতোকৈ উল্লেখযোগ্য কথা যে দেশৰ ভিতৰত কেৱল অসমীয়া সমাজতহে প্ৰতিটো পৰিয়ালৰ তামোল-পাণ আৰু বিভিন্ন ফল-মূলৰ বাৰী একোখন আছে। বাৰীৰ শেষৰফালে কেইজোপামান বাঁহো থাকে। অসমীয়াৰ সাতামপুৰুষীয়া গৌৰৱৰ বাৰীখনৰ চোৱা-চিতাৰ দায়িত্ব ঘৰৰ গৃহিণীসকলেই মুখ্যতঃ লৈ আহিছে। আখলত কেৰাহী বহাইয়ো ৰান্ধনীয়ে বাৰীৰ পৰা জিকা, ভেন্দি, বেঙেনাই কেৱল নহয়, জাকৈৰে খাল-পুখুৰীৰ মাছ-পুঠি মাৰি অনাও দেখিবলৈ পাওঁ। তদুপৰি পাছফালৰ কুঁৱাৰ কাষত বান্ধি ৰখা গাইজনীক খেৰ-ঘাঁহ দিয়াৰ পৰা খীৰোৱালৈকে সকলোখিনিকে সামৰে গৃহিণীগৰাকীয়েই।

বাৰী একোখনি আপডাল কৰি ৰখাৰ এই প্ৰৱণতা অসমৰ সৰ্বত্ৰ দেখিবলৈ পোৱা যায়। বিহাৰ, উত্তৰ প্ৰদেশ আদিত আম, মধুৰীআম আদি খেতিপথাৰৰ একোটা বৃহৎ অঞ্চলত লগোৱা হয়। সেইবোৰ ৰাজ্যত নিজৰ ঘৰটোৰ বাহিৰে সংলগ্ন স্থানত গছ-গছনি একো নাথাকে। খেতি-বাতি কৰে পথাৰতহে। কৰ্ণাটক, তামিলনাডু আদিৰ হোটেলবোৰত যথেষ্ট কলপাত ব্যৱহাৰ হোৱা হেতুকে সেইবোৰ ৰাজ্যত কল খেতিৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়; কিন্তু অসমৰ ঘৰে ঘৰে আছে কলগছ।

এইবোৰ ক্ষেত্ৰত অসম অনন্য। সম্ভৱতঃ প্ৰাকৃতিক পৰিৱেশৰ হেতুকে মানুহবোৰ সুৰুচিসম্পন্ন আৰু প্ৰত্যেকেই কম-বেছি পৰিমাণে শিল্পী মনৰ অধিকাৰী। প্ৰতিগৰাকী মহিলা ৰন্ধা-বঢ়া, কাপোৰ বোৱা আদিৰ লগতে নৃত্য-গীতত পাৰ্গত। মিচিং মহিলাৰ দৰে দৃষ্টিনন্দন কাপোৰ আন কোনোবা ঠাইৰ মহিলাই তৈয়াৰ কৰিব পাৰেনে সন্দেহ হয়! এনে ধৰণৰ গুণৰ অধিকাৰী আমাৰ মহিলাসকলে সম্প্ৰতি অসমীয়া সমাজত দেখা দিয়া বিশৃংখলা আঁতৰ কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা উচিত। সম্প্ৰতি মাদক দ্ৰব্যৰ প্ৰচলনে যি ভয়াৱহ ৰূপ ধাৰণ কৰিছে তাক প্ৰতিৰোধ কৰাৰ ক্ষমতা একমাত্ৰ নাৰী সমাজৰহে আছে। তেওঁলোকে মাদক দ্ৰব্যই ধ্বংস কৰি অনা আমাৰ সমাজখনক পুনৰ জীয়াই তোলাৰ ক্ষেত্ৰত সমূহীয়াভাৱে ব্যৱস্থা গ্ৰহণ কৰক।

## খো লা ম ঞ্চ

# সীমান্ত বিবাদৰ বাবে কেৱল অসমেই দায়ী নেকি?



**সীমা** বিবাদৰ বাবে কেৱল অসমেই দায়ী নহয়। ভাৰত চৰকাৰ, মেঘালয়, অৰুণাচল, মিজোৰাম, ত্ৰিপুৰা, মণিপুৰ আৰু নাগালেণ্ড সীমা বিবাদৰ কম বেছি পৰিমাণে দায়ী। এটা সাধাৰণ কাহিনীৰ জৰিয়তে দোষবোৰ আঙুলিয়াই দিয়া হ'ল।

এজন সহজ-সৰল, শান্ত-শিষ্ট লোক, নাম তেওঁৰ অসম। সুন্দৰ সংসাৰ। হাঁহি-খিকিন্দালিৰে পৰিপূৰ্ণ এখন ঘৰ। হাই-কাজিয়া, হিংসা-দ্বেষ নাই। অসমৰ পিতৃ দিল্লীত থাকে। নাম ভাৰতবৰ্ষ। মাজে-সময়ে পুত্ৰৰ খবৰ লয়। ব্যস্ত মানুহ। আন আন পুত্ৰ সকলৰো খবৰ-বাতৰি ল'ব লাগে। অসমৰ ছয়জন ভায়েক। ভায়েকহঁতে অসমক শ্ৰদ্ধা-ভক্তি কৰে। ভায়েকহঁতৰ মাজত সুন্দৰ-মিলাপ্ৰীতি। সিহঁতৰ মিলাপ্ৰীতি দেখি এচামৰ চকুত টোপনি নহা হ'ল। মিলাপ্ৰীতি ভংগ কৰিবলৈ এচাম কুচক্ৰান্তকাৰীয়ে কৌশল ৰচনা কৰি নানা ধৰণৰ কুৎসাৰটনা ৰচি অসমৰ গাত কলংকৰ বোকা সানি সহজ-সৰল মানুহজনক দুৰ্বল কৰি তুলিলে। অসমে সকলো বিৱৰি পিতৃক অৱগত কৰিলে; কিন্তু পিতৃয়ে ইতিবাচক সঁহাৰি প্ৰদান নকৰিলে।

**জ্যোতিষ চন্দ্ৰ দত্ত,** লেখক

ভায়েকহঁতেও পিতৃৰ ওচৰত অসমৰ বিৰুদ্ধে কথা লগাই অসমৰ লগত থাকিব নোৱাৰাৰ কথা প্ৰকাশ কৰিলে। পিতৃয়ে অসমক মাতি গভীৰভাৱে আলোচনা কৰিলে। অসমক বুজালে আৰু সান্ত্বনা দি ক'লে— 'অসম, সিহঁত যদি তোমাৰ স'তে থাকিব নিবিচাৰে তেনেহ'লে মাটি-বাৰীৰ ভাগ কৰি বেলেগ কৰি দিয়া।' অসমে বহুত দুঃখ অনুভৱ কৰিলে; পিতৃৰ কথামতে মাটি-বাৰী ভাগ কৰি দিলে। পুত্ৰই পিতৃৰ আদেশ পালন কৰিলে। ভায়েকহঁতে নিজৰ নিজৰ মাটি-বাৰী চমজি ল'লে; কিন্তু অকামিলা ভায়েকসকলে সীমাৰ বেৰ কেইখনো দিব নোৱাৰিলে। এনেকৈ বছৰ-বছৰ ধৰি বেৰ নিদিয়াকৈ পৰি থাকিল। এৰাবাৰী যাৰে য'ত ইচ্ছা তাতে বসবাস কৰি থাকিল। মাজে-সময়ে দুই-এটা ঘটনা ঘটি উত্তাল হৈ পৰে, সময়ত সকলো মেনেজ হৈ যায়। ভায়েকহঁতে ককায়েক অসমক জগৰীয়া কৰে। অসমৰ দায়িত্ব আছিল সীমাৰ বেৰকেইখন দি লোৱাৰ বাবে সকীয়াই দিয়া নইবা নিজে বেৰকেইখন দি লোৱাৰ, কিন্তু তাকে নকৰিলে। পিতৃ ভাৰতবৰ্ষৰ ওচৰত অভিযোগ দাখিল কৰে; কিন্তু ইতিবাচক সহাঁৰি নাপায়। মিলাপ্ৰীতিৰে বসবাস কৰিবলৈ উপদেশ দি সিমানতে দায়িত্ব সামৰে।

সীমান্ত বিবাদৰ মূল উৎসসমূহ ফঁহীয়াই চালে দেখা যায় যে চৰকাৰৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি আওকাণ, ধৰ্মৰ উন্মাদনা, ৰাজনৈতিক মুনাফা আদায়, সীমান্তবাসীৰ নিৰাপত্তাহীনতা, শিক্ষাৰ অভাৱ, উন্নয়নৰ স্থৱিৰতা, প্ৰলোভন আদিয়ে সীমান্ত বিবাদৰ মূল কাৰণ বুলি চিহ্নিত কৰিব পাৰি। এই সমস্যাসমূহ নিৰাময় কৰিব পাৰিলে সীমা সমস্যাৰ সমাধান কৰিব পৰা যাব বুলি অনুমান কৰিব পাৰি। অসম চৰকাৰে চুবুৰীয়া ৰাজ্যসমূহৰ লগত আলোচনা কৰি কেন্দ্ৰীয় চৰকাৰৰ সহযোগত সীমান্ত বিবাদৰ নিৰাময়ৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো প্ৰশংসনীয়; কিন্তু কিছুমান আঁসোৱাহ এতিয়াও লক্ষ্য কৰা নাই বুলি অনুমান কৰিব পাৰি। ভাৰত চৰকাৰে নিৰপেক্ষভাৱে কেন্দ্ৰীয় চোৰাংচোৱাৰ দ্বাৰা অনুসন্ধান কৰি, প্ৰতিবেদন প্ৰস্তুত কৰি সংসদত উপস্থাপন কৰি সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰি সংশ্লিষ্ট ৰাজ্যসমূহক পৰামৰ্শ আগবঢ়াব পাৰে। অসম চৰকাৰেও চোৰাংচোৱাৰ দ্বাৰা অনুসন্ধান কৰি সীমান্তত বসবাস কৰা লোকসকলৰ মনৰ ভাৱ জানি প্ৰতিবেদন প্ৰস্তুত কৰি বিধানসভাত উপস্থাপন কৰি, সৰ্বসন্মত সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠাব পাৰে। এনে কৰিলে ভৱিষ্যতে বোকা ছটিওৱাৰ খেল বন্ধ হ'ব।

উমৈহতীয়া সিদ্ধান্ত গ্ৰহণ কৰাৰ লগে লগে, পকী ৱাল বা তাঁৰকাটাৰে বেৰ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। প্ৰয়োজনীয় অৰ্থ কেন্দ্ৰ চৰকাৰৰ পৰা যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগিব। সীমান্ত বিবাদৰ অৱসান ঘটাবলৈ হ'লে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে কিছুমান পদক্ষেপ গ্ৰহণ কৰিব লাগিব। সীমান্তত বসবাস কৰা লোকসকলক চৰকাৰী আঁচনিত অন্তৰ্ভুক্ত কৰি আৰ্থিকভাৱে সচ্ছল কৰি গঢ়ি তুলিব লাগিব। যাতায়াতৰ সু-ব্যৱস্থা কৰিব লাগিব।

*ফোন ঃ ৯৮৫৪০-৪১৮১৫*

# ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ সম্ভাব্য পৰিণাম

## মাৰ্কিন যুক্তৰাষ্ট্ৰই নাটো সামৰিক গোষ্ঠীটোক জীয়াই ৰখা আৰু সম্প্ৰসাৰিত কৰাটোৱেইতো বিশ্বৰ শান্তি আৰু দেশসমূহৰ স্বাধীনতাৰ বাবে আটাইতকৈ ডাঙৰ ভাবুকি

এই নিবন্ধ পাঠকৰ হাতত পৰেঁগে মানে ৰাছিয়া-ইউক্ৰেইন যুদ্ধই কি ৰূপ লয়গৈ নাজানো। সম্ভৱ ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে পাৰমাণৱিক বোমা আক্ৰমণৰ প্ৰস্তুতি চলোৱা দেখি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কী আলোচনাৰ বাবে সন্মত হৈছে। ৰাষ্ট্ৰপতি পুটিনে যুদ্ধৰ মাজতে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিক বেলাৰুছত আলোচনাৰ প্ৰস্তাৱ দিছিল। অৱশ্যে প্ৰস্তাৱটোৰ লগত ইউক্ৰেইনৰ আত্মসমৰ্পণ আৰু ৰুছ বসতি প্ৰধান ডনেৎস্ক আৰু লুহানস্ক নামৰ অঞ্চল দুটাৰ স্বাধীনতাৰ পূৰ্বচৰ্তও সাঙুৰি দিয়া হৈছিল। বেলাৰুছ ৰাছিয়াৰ সমৰ্থক হোৱাৰ বাবে ৰাষ্ট্ৰপতি জেলেনস্কীয়ে সেই দেশত আলোচনাৰ প্ৰস্তাৱ নাকচ কৰিছিল আৰু আগ্ৰাসী ৰুছ বাহিনীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিৰোধ যুঁজ অব্যাহত ৰাখিছিল; কিন্তু ৰাছিয়াৰ পাৰমাণৱিক আক্ৰমণৰ দুৰ্ভাৱনাই তেওঁক নিশ্চয় চিন্তিত নকৰাকৈ থকা নাছিল। অৱশেষত বেলাৰুছৰ ৰাষ্ট্ৰপতিয়ে তেওঁক আলোচনাৰ বাবে সৈমান কৰিলে। আজি ২৮ ফেব্ৰুৱাৰীত আলোচনা হোৱাৰ কথা আৰু অহা ২৪ ঘণ্টাৰ ভিতৰত আলোচনাৰ ফলাফল সম্পূৰ্ণ বা আংশিক ৰূপত জানিব পৰা হ'ব বুলি আশা কৰিব পাৰি। অৱশ্যে আলোচনাৰ বাবে যুদ্ধ বন্ধ হ'ব বুলি ক'ব নোৱাৰি। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কী আত্মসমৰ্পণ কৰিবলৈ ৰাজী নহয় আৰু আলোচনাৰ পূৰ্বচৰ্তও তেওঁ মানি লোৱা নাই। আনহাতে, ৰাষ্ট্ৰপতি পুটিনেও বিচাৰিছে যাতে যুদ্ধ আৰু ক্ষয়ক্ষতি আৰু নবঢ়োৱাকৈয়ে ইউক্ৰেইন সমস্যাৰ সমাধান হৈ যায়।


কিন্তু আলোচনা যে সহজ আৰু ফলপ্ৰসূ হ'ব, তেনে আশা কৰাটোও কঠিন যেনেই লাগে। ৰাষ্ট্ৰপতি জেলেনস্কীয়ে ইমান সহজে আত্মসমৰ্পণ কৰিব বুলি ভাবিব নোৱাৰি। তেওঁৰ সপক্ষে আছে বিশ্বৰ অধিকাংশ দেশ। আমেৰিকাৰ নেতৃত্বাধীন নাটোৰ গোষ্ঠীভুক্ত দেশবোৰে ইউক্ৰেইনক যুদ্ধাস্ত্ৰৰ যোগান ধৰিছে। ৰাছিয়ান সেনাৰ বাধা বা অৱৰোধ নেওচি সেই যুদ্ধাস্ত্ৰবোৰ যদি ইউক্ৰেইনীয় সেনাবাহিনীৰ হাতলৈ যাব পাৰে, তেনেহ'লে যুদ্ধ দীঘলীয়া হোৱাটো খাটাং। যুদ্ধৰ প্ৰাৰম্ভিক দিনকেইটাত আমেৰিকা প্ৰমুখ্যে সামৰিক শক্তিধৰ দেশবোৰে ইউক্ৰেইনলৈ সেনাবাহিনী পঠোৱা নাই যদিও যুদ্ধ দীঘলীয়া হ'লে সেই দেশবোৰো যুদ্ধখনত প্ৰত্যক্ষভাৱে জড়িত হৈ পৰিব। আমেৰিকাৰ ৰাষ্ট্ৰপতি বাইডেনেতো ৰাছিয়াক প্ৰতিহত কৰিবলৈ বিশ্বযুদ্ধই শেষ বিকল্প হ'ব পাৰে বুলিও ঘোষণা কৰিছে। ইতিমধ্যে নাটো গোষ্ঠীয়ে ৰাছিয়াৰ বিৰুদ্ধে কঠোৰ নিষেধাজ্ঞা জাৰি কৰিছে। চীন, ভাৰত, ব্ৰাজিল আদি কেইখনমান দেশৰ বাহিৰে আন আটাইবোৰ দেশ ৰাছিয়াৰ বিপক্ষে। এই পৰিস্থিতিত ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি বা চৰকাৰখনে যে সহজে সেও মানি আত্মসমৰ্পণ কৰিব, ভাবিবলৈ টান। ৰাষ্ট্ৰপতি জেলেনস্কীও ৰাষ্ট্ৰপতি পুটিনৰ দৰেই দৃঢ়মনা আৰু স্বাভিমানী বুলি প্ৰমাণ হৈছে। ৰাছিয়াৰ বৃহৎ সামৰিক শক্তিৰ তুলনাত ইউক্ৰেইনৰ শক্তি অতি নগণ্য। তৎসত্বেও তেওঁ ৰাছিয়াৰ আগ্ৰাসী অভিযানক প্ৰতিহত কৰিবলৈ মৰণপণ যুঁজ চলাইছে, নিজৰ আৰু পৰিয়ালৰ জীৱন ৰক্ষাৰ বাবে দেশত্যাগৰ প্ৰস্তাৱো তেওঁ নাকচ কৰিছে আৰু ৰাছিয়াৰ বিৰুদ্ধে নৰসংহাৰৰ অভিযোগ লৈ আন্তৰ্জাতিক আদালতৰ দ্বাৰস্থ হৈছে। তদুপৰি তেওঁৰ লগত আছে ইউক্ৰেইনৰ জনতা। ৰাজধানী কিয়েভৰ সাধাৰণ নাগৰিকে হাতত অস্ত্ৰ লৈ মহানগৰখনৰ ৰক্ষাৰ বাবে যুঁজ কৰি আছে, যাৰ বাবে বিশাল ৰুছ বাহিনীৰ বাবেও কিয়েভ দখল কৰাটো সহজ হোৱা নাই। গতিকে আলোচনাৰ তাৎক্ষণিক ফলাফল ৰাষ্ট্ৰপতি পুটিনে ভবাৰ দৰে নহ'বও পাৰে। তথাপি ইউক্ৰেইনবাসীৰ জীৱন ৰক্ষাৰ স্বাৰ্থত ৰাষ্ট্ৰপতি জেলেনস্কীয়ে যদি আত্মসমৰ্পণ কৰে; তেনেহ'লে কথা নিশ্চয় বেলেগ হ'ব? কিন্তু আমেৰিকা বা নাটোৱে তেওঁক আত্মসমৰ্পণ কৰিবলৈ ক'বনে? ইউক্ৰেইনক নাটোৰ গোষ্ঠীভুক্ত কৰি ৰাছিয়াক কাবু কৰাৰ মতলব তেওঁলোকে বাদ দিবনে? সমগ্ৰ বিশ্বৰ নপতা ফুকন হৈ সাম্ৰাজ্যবাদী আধিপত্য আৰু লুণ্ঠন অব্যাহত ৰখাৰ বাসনা মাৰ্কিন যুক্তৰাষ্ট্ৰই পৰিহাৰ কৰিবনে?

ৰাছিয়াৰ সমৰ্থনত থিয় দিছে বিশ্বৰ আন এক মহাশক্তিধৰ দেশ চীনে। চীনৰ আৰ্থিক আৰু সামৰিক উত্থান এতিয়া মাৰ্কিন যুক্তৰাষ্ট্ৰৰ বাবেও এক বৃহৎ প্ৰত্যাহ্বান। ইউক্ৰেইন সংকটে যদি ৰাছিয়া আৰু চীনৰ সম্পৰ্কক অধিক দৃঢ় আৰু ফলপ্ৰসূ কৰি তোলে, মাৰ্কিন যুক্তৰাষ্ট্ৰ তথা নাটোৰ বাবে এখন বিশ্বযুদ্ধ লগোৱাটো হ'ব মৰসাহহে। তেওঁলোকে তেনে মৰসাহ কৰিব বুলি মোৰ মনে নধৰে। আৰু যদি কৰেও, মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নেতৃত্বাধীন সাম্ৰাজ্যবাদী দুনিয়াখনৰ বাবে তৃতীয় বিশ্ব যুদ্ধখনেই হ'বগৈ পতনৰ কাৰণ। ১৯৯১ত ছোভিয়েট ইউনিয়ন তথা পূব ইউৰোপৰ সমাজবাদী ব্যৱস্থাটোৰ পতন ঘটোৱাৰ প্ৰতিশোধো তেনেকৈয়ে পূৰণ হ'ব।

মোৰ বিশ্বাস, ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে মাৰ্কিন যুক্তৰাষ্ট্ৰ তথা নাটোগোষ্ঠীৰ এই দুৰ্বলতাক হিচাপত লৈয়ে ইউক্ৰেইন আক্ৰমণ কৰিছে আৰু ৰাছিয়াৰ বিৰুদ্ধে কঠোৰ নিষেধাজ্ঞা আৰোপ কৰা আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপীয় দেশবোৰক পাৰমাণৱিক আক্ৰমণৰ দৰে চৰম পৰিণামৰো ভাবুকি দিব পাৰিছে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিয়ে যদি আত্মসমৰ্পণ বা অস্ত্ৰসম্বৰণ নকৰে, ৰাছিয়াই ইউক্ৰেইনৰ লগতে সমৰ্থনকাৰী দেশবোৰৰ বিৰুদ্ধে ক্ষয়ংকৰী পাৰমাণৱিক সমৰাষ্ট্ৰ প্ৰয়োগ কৰিবলৈও কুণ্ঠাবোধ নকৰিব। এনে এক দুৰ্ভাৱনাৰ মুখত ৰাষ্ট্ৰপতি জেলেনস্কীয়ে হয়তো আত্মহত্যাৰ কথা নাভাবি আত্মসমৰ্পণৰ কথাহে ভাবিবলগীয়া হ'বগৈ।



## অসবৰ্ণ



**হীৰেন গগৈ**

দুই-এক সংবাদ মাধ্যমত দেখিছো, ৰাষ্ট্ৰপতি পুটিনক অসহায় ৰূপতহে তুলি ধৰিবলৈ বিচৰা হৈছে। আজিলৈকে কিয়েভ দখল কৰিব নোৱাৰাটোৱেই তাৰ কাৰণ। মই হ'লে তেনেদৰে ভাবিব পৰা নাই। এইটো ঠিক যে পুটিনে আশা কৰাৰ দৰে ৰাছিয়ান সৈন্যবাহিনীয়ে ৭২ ঘণ্টাৰ ভিতৰতে কিয়েভ দখল কৰিব নোৱাৰিলে। ৰাষ্ট্ৰপতি জেলেনস্কীৰ সাহস আৰু দৃঢ়তা আৰু ইউক্ৰেইনৰ সেনা আৰু জনতাৰ দেশপ্ৰেম তথা আত্মাহুতিৰ মনোবলকো হয়তো তেওঁ সঠিকভাৱে অনুমান কৰিব পৰা নাছিল। সেয়ে ৰাছিয়ান সেনাৰ অগ্ৰগতি ভবাতকৈ পলম হৈছে আৰু জীৱনৰ ক্ষয়ক্ষতিৰ দুৰ্ভাৱনাও বাঢ়ি গৈছে। ইউক্ৰেইন যুদ্ধত ইমান বৃহৎ সংখ্যক সাধাৰণ নাগৰিকৰ প্ৰাণ ল'বলগীয়া হ'ব বুলি তেওঁ নিশ্চয় ভবা নাছিল; কিন্তু এতিয়া তেনে এক দুৰ্ভাৱনাই প্ৰকট হৈ উঠিছে। মই নাভাবো যে কিয়েভ দখল কৰাৰ ক্ষমতা বা শক্তি ৰুছ সেনাই হেৰুৱাই পেলাইছে। আৰু এতিয়া অধিক শক্তি আৰু সমৰাষ্ট্ৰ প্ৰয়োগ কৰিবলগীয়া অৱস্থা এটা আহি পৰাৰ বাবেই ৰাষ্ট্ৰপতি পুটিনৰো সমস্যা হৈছে। অধিক সংখ্যক অসামৰিক নাগৰিকৰ প্ৰাণ নাশ হোৱাটো তেওঁৰ কাম্য বুলি ভাবিব নোৱাৰি। কাৰণ তেওঁ আন এজন জেংঘিজ খান নহয় বা হ'ব নোৱাৰে। সেয়ে বোধহয় তেওঁ ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিৰ স'তে আলোচনা কৰিবলৈ বিচাৰিছে আৰু ৰাষ্ট্ৰপতি জেলেনস্কীয় আত্মসমৰ্পণ আৰু ইউক্ৰেইন বাহিনীৰ অস্ত্ৰসম্বৰণ দাবী কৰিছে, যাতে ইউক্ৰেইনৰ দখল ল'বলৈ আৰু ৰক্তক্ষয়ী যুদ্ধ চলাবলগীয়া নহয়; কিন্তু এইটোও ঠিক, তেওঁ ভবা মতে যদি কাম নহয়, ইউক্ৰেইনৰ ওপৰত ৰাছিয়াৰ ভয়াৱহ তথা বিধ্বংসী আক্ৰমণ অৱধাৰিত হৈ পৰিব। পুটিনে সকীয়াই দিছে যে তেনে পৰিস্থিতি উৎপন্ন হ'লে ধন-জনৰ সমস্ত ক্ষয়ক্ষতিৰ বাবে দায়ী হ'ব ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কীহে।

চিন্তাশীল মহলবোৰৰ প্ৰধান বিচাৰ্য এতিয়া এটা প্ৰশ্ন ঃ ৰাছিয়াই ইউক্ৰেইন আক্ৰমণ কৰিলে বা কৰিবলগীয়া হ'ল কিয়? এই প্ৰশ্নৰ উত্তৰ আছে মাৰ্কিন যুক্তৰাষ্ট্ৰ তথা নাটোৰ আগ্ৰাসী ৰণনীতি আৰু সম্পদ লুণ্ঠনৰ অভিপ্ৰায়ত। ছোভিয়েট ইউনিয়নৰ পতনৰ পাছতো মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ৰাছিয়াৰ মাজৰ শীতল যুদ্ধৰ অৱসান হোৱা নাছিল। ইউক্ৰেইনো ছোভিয়েট ইউনিয়নৰ অংশীদাৰ আছিল যদিও ছোভিয়েট ইউনিয়নৰ সমাজবাদী ব্যৱস্থাটো ভাগি যোৱাৰ পাছত দেশখন ৰাছিয়াৰ পৰা বিচ্ছিন্ন হৈছিল; কিন্তু দেশখনত বৃহৎ সংখ্যক ৰুছ নাগৰিক থাকি গৈছিল। তেওঁলোক স্বাভাৱিকভাৱেই ৰাছিয়াৰ প্ৰতি অনুকূল মনোভাৱাপন্ন হৈ ৰৈছিল। আনহাতে, দেশখনৰ অনা-ৰুছ শাসকশ্ৰেণী ক্ৰমাগতভাৱে পশ্চিমীয়া পুঁজিবাদী ব্যৱস্থা তথা সাম্ৰাজ্যবাদী শিবিৰটোৰ প্ৰতি আসক্ত হৈ পৰিছিল। সেই সুযোগতে মাৰ্কিন যুক্তৰাষ্ট্ৰ তথা নাটোৱে ইউক্ৰেইনক নিজৰ গোষ্ঠীভুক্ত কৰি ৰাছিয়াক চাপত ৰখাৰ ষড়যন্ত্ৰ চলাইছিল। নাটোৰ গোষ্ঠীভুক্ত হ'লে ইউক্ৰেইনত মাৰ্কিন সামৰিক ঘাটি স্থাপনৰ বাটো মুকলি হ'লহেঁতেন। সেয়ে হোৱা হ'লে ৰাছিয়াৰ নিৰাপত্তাৰ প্ৰতি ইউক্ৰেইন এটা বৃহৎ ভাবুকিত পৰিণত হ'লহেঁতেন। ৰাছিয়াৰ তেল ব্যৱসায়তো ইউক্ৰেইন এটা ডাঙৰ বাধা হৈ থাকিলেহেঁতেন। ইউক্ৰেইনৰ বৰ্তমানৰ ৰাষ্ট্ৰপতি জেলেনস্কীয়ে নাটোত যোগদানৰ প্ৰস্তুতি চলোৱাত ৰাছিয়া স্বাভাৱিকতে উদ্বিগ্ন হৈ পৰিছিল। গতিকে ৰাছিয়াৰ নিজৰ নিৰাপত্তাৰ বাবে ইউক্ৰেইনক নাটোৰ পৰা বিৰত কৰাটো জৰুৰী হৈ পৰিছিল। কোন দেশে বাৰু নিজৰ বাৰীৰ সীমাৰ খালটোত ঘঁৰিয়ালক সোমাবলৈ দিব? গতিকে ইউক্ৰেইন দখল কৰাৰ বাদে আন উপায় ৰাছিয়াৰ হাতত নাছিল; কিন্তু ইউক্ৰেইনক সদায় পদানত কৰি ৰখাৰ পৰিকল্পনাও ৰাছিয়াৰ নাছিল আৰু এতিয়াও বোধহয় নাই। ৰাছিয়াৰ উদ্দেশ্য হৈছে ইউক্ৰেইনক অন্ততঃ নিৰপেক্ষ দেশ কৰি ৰখাটোহে।

**প্ৰশ্ন উঠিছে যে স্বাধীন দেশ হিচাপে ইউক্ৰেইনৰ নিজৰ পছন্দৰ মিত্ৰ বিচৰাৰ অধিকাৰ নাই নেকি? সেই অধিকাৰ দেশখনৰ নিশ্চয় আছে; কিন্তু সেই অধিকাৰৰ জোৰত চুবুৰীয়া দেশ এখনৰ মহাশত্ৰুক আমি বৰঘৰত সোমাই লোৱাৰ অধিকাৰ কেতিয়াও তৰ্কাতীত হ'ব নোৱাৰে। চুবুৰীয়া দেশখনৰো অধিকাৰ আছে নিজৰ নিৰাপত্তা নিশ্চিত কৰি ৰখাৰ। তাৰ বাবেই ৰাছিয়াৰ ইউক্ৰেইন যুদ্ধ**

তাতো প্ৰশ্ন উঠিছে যে স্বাধীন দেশ হিচাপে ইউক্ৰেইনৰ নিজৰ পছন্দৰ মিত্ৰ বিচৰাৰ অধিকাৰ নাই নেকি? সেই অধিকাৰ দেশখনৰ নিশ্চয় আছে; কিন্তু সেই অধিকাৰৰ জোৰত চুবুৰীয়া দেশ এখনৰ মহাশত্ৰুক আমি বৰঘৰত সোমাই লোৱাৰ অধিকাৰ কেতিয়াও তৰ্কাতীত হ'ব নোৱাৰে। চুবুৰীয়া দেশখনৰো অধিকাৰ আছে নিজৰ নিৰাপত্তা নিশ্চিত কৰি ৰখাৰ। তাৰ বাবেই ৰাছিয়াৰ ইউক্ৰেইন যুদ্ধ। যুদ্ধ সদায়েই নিষ্ঠুৰ আৰু মানৱতাবিৰোধী কাৰ্য। ৰাছিয়াই ইউক্ৰেইন আক্ৰমণ কৰিবলগীয়া অৱস্থাটোৰ সৃষ্টি নোহোৱা হ'লেই ভাল আছিল। মাৰ্কিন যুক্তৰাষ্ট্ৰ তথা নাটোৱে ৰাছিয়া অৱৰোধৰ ৰণনীতিৰে ইউক্ৰেইন দখলৰ পৰিকল্পনাও নকৰি পাৰিলেহেঁতেন। মাৰ্কিন যুক্তৰাষ্ট্ৰই নাটো সামৰিক গোষ্ঠীটোক জীয়াই ৰখা আৰু সম্প্ৰসাৰিত কৰাটোৱেইতো বিশ্বৰ শান্তি আৰু দেশসমূহৰ স্বাধীনতাৰ বাবে আটাইতকৈ ডাঙৰ ভাবুকি। সেই পটভূমিত ৰাছিয়া আৰু চীনৰ মিত্ৰতা তথা সংহতিৰ মাজেদি মাৰ্কিন সাম্ৰাজ্যবাদবিৰোধী শক্তিশালী শিবিৰ এটাৰ উত্থান তথা অৱস্থিতি বিশ্ব শান্তি আৰু দেশসমূহৰ স্বাধীনতা তথা গণতন্ত্ৰৰ বাবেই এটা আশাপ্ৰদ আৰু শুভংকৰ ঘটনা। ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ সি এটা শুভফল। ভৱিষ্যৎ যুদ্ধবোৰৰ সম্ভাৱনাক সেই বিকল্প শক্তিকেন্দ্ৰৰ অৱস্থিতিয়ে নিৰসন কৰিব আৰু দুৰ্বল তথা অনুন্নত-উন্নয়নশীল দেশবোৰৰ স্বাধীনতাকো সুৰক্ষিত কৰি ৰাখিব। প্ৰতিখন দেশৰে স্বাধীন বৈদেশিক নীতি গ্ৰহণৰ অধিকাৰ বা ক্ষমতা অটুট থাকিব। যুদ্ধ মানেই নৃশংসতা, বৰ্বৰতা, অমানৱীয়তা। যুদ্ধ মানেই অবাঞ্ছিত ৰক্তপাত, নিৰপৰাধ মানুহৰ জীৱন হানি, আক্ৰান্ত মানুহৰ হৃদয় বিদাৰক আৰ্তনাদ। তথাপি মানুহে মানুহৰ লগত, দেশে দেশৰ লগত, জাতি-সম্প্ৰদায়ে জাতি-সম্প্ৰদায়ৰ বাবে যুদ্ধ কৰে। কেতিয়াবা আকৌ যুদ্ধ নোহোৱা কৰাৰ বাবেও যুদ্ধ কৰিবলগীয়া হয়।

ভাৰত চৰকাৰে ৰাষ্ট্ৰসংঘত ৰাছিয়া বিৰোধী নিন্দাসূচক প্ৰস্তাৱ সমৰ্থন নকৰি উচিত কাম কৰা বুলি স্বীকাৰ কৰিবই লাগিব। ভাৰতবৰ্ষৰ নিৰাপত্তা আৰু উন্নয়নৰ সূচল পথ হৈছে চুবুৰীয়া চীন আৰু ৰাছিয়াৰ স'তে সহযোগিতাহে, শত্ৰুতা নহয়। এই তিনিখন বিশাল দেশ ঐক্যবদ্ধ হৈ থাকিব পাৰিলে পৃথিৱীখনেই নিৰাপদ আৰু শান্তিময় হৈ থাকিব।

*ফোন ঃ ৮৮১১৮২৭৪৩২*

# অসমীয়াৰ পৰিচয়

## জোৰ-জুলুম কৰি অনা-অসমীয়াৰ পৰা চান্দা তুলি বিহু পতাৰ আমিও বিৰোধিতা কৰো; কিন্তু অসমত থকা অনা-অসমীয়া লোকসকলে বিহুৰ প্ৰতি বৰঙণি যোগালে তাত বেয়া পাবলগীয়া একো নাই

**ড° গিৰীশ বৰুৱা**

এটা জাতিৰ পৰিচয় তিনিটা কথাৰ ওপৰত নিৰ্ভৰ কৰে। এই তিনিটা কথা হ'ল— ভাষা, সংস্কৃতি আৰু ধৰ্ম। অসমীয়াৰ পৰিচয় দিবলৈ যাওঁতেও এই তিনিটা কথাৰ সহায় ল'ব লাগিব।

প্ৰথমতে আহো ভাষা। অসমৰ প্ৰধান ভাষা অসমীয়া। শতকৰা প্ৰায় ৫০ ভাগ মানুহে ঘৰে-পৰে অসমীয়া ভাষা কয় আৰু লিখে। বাকীখিনি মানুহে ঘৰত অন্য ভাষা ক'লেও তেওঁলোকে অসমীয়া বুজে, বহুতে ক'বও পাৰে, যদিও লিখিব নাজানে। অনা-অসমীয়া বহুত মানুহে অৱশ্যে লিখিবও পাৰে। মোৰ মতে যিজনে ঘৰে-পৰে অসমীয়া ভাষা কয় তেওঁলোককেই প্ৰকৃত অসমীয়া বুলিব লাগিব। গতিকে অসমীয়া পৰিচয় পোনতে ভাষাৰ মাধ্যমেৰেই হয়।

দ্বিতীয়তে আহো সংস্কৃতিলৈ। অসমীয়া সংস্কৃতি বুলিলেই চিধাই বিহুলৈ মনত পৰে। বিহুৱে অসমক ভাৰতৰ বাকী ৰাজ্য সমূহতকৈ বেলেগ কৰিছে। আমি বিদেশলৈ গ'লে প্ৰধানতঃ বিহুৰ মাধ্যমেৰেই আমি যে অসমীয়া তাৰ পৰিচয় দিওঁ।

অৱশ্যে বৰ্তমানে চৰকাৰ বিহুৰ প্ৰতি বিতুষ্ট হৈছে। সেয়ে চান্দা তুলি বিহু পতাৰ দিশত নিষেধাজ্ঞা আনিব খুজিছে। এইটো বেয়া কথা হৈছে। অৱশ্যে জোৰ-জুলুম কৰি অনা-অসমীয়াৰ পৰা চান্দা তুলি বিহু পতাৰ আমিও বিৰোধিতা কৰো; কিন্তু অসমত থকা অনা-অসমীয়া লোকসকলে বিহুৰ প্ৰতি বৰঙণি যোগালে তাত বেয়া পাবলগীয়া একো নাই। তেতিয়া আমাৰ বিহুটি চুৰা হৈ নাযায়। চৰকাৰে পাঠ্যপুথিৰ পৰা বিহুৰ বিষয়ে থকা ৰচনাও উঠাই দিব খুজিছে। ইয়াৰ অন্তৰালত চৰকাৰৰ উদ্দেশ্য হ'ল অসমীয়া মানুহখিনিক জোৰ-জবৰদস্তি কৰি ভাৰতীয় কৰা। আমি ভাৰতীয় হ'বলৈ বেয়া নাপাওঁ। ভাৰতীয় বুলি আমি গৰ্বহে কৰো; কিন্তু অসমীয়াত্ব এৰি ভাৰতীয় হ'ব নোখোজো। আমাৰ প্ৰথম চিনাকি হ'ল 'অসমীয়া', তাৰ পিছতহে ভাৰতীয়। অসমীয়া বুলি আমাৰ স্বাভিমান আছে। এই স্বাভিমানত আঘাত কৰা উচিত নহয়। ইয়াত ব্যৱসায় বা চাকৰি কৰিবলৈ অহা অনা-অসমীয়া লোকে আমাৰ এই স্বাভিমানত আঘাত কৰিব নালাগে।



আমি এটা পৰামৰ্শ আগবঢ়াব খোজো। সি হ'ল অসমীয়া মাধ্যমৰ পাঠ্যক্ৰমত বিহুৰ বিষয়ে থকাটো বাধ্যতামূলক হ'ব লাগে। তদুপৰি ইংৰাজী মাধ্যমৰ বিদ্যালয়তো ই থাকিব লাগিব। ইংৰাজী মাধ্যমৰ বিদ্যালয়ত ওনাম, পংগাল, দুৰ্গা-পূজা, হোলী আদিৰ কথা আছে, কিন্তু বিহুৰ ওপৰত নাই। অসমৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ত বিহুৰ বিষয়ে প্ৰৱন্ধ বা ৰচনা থকা কথাটো বাধ্যতামূলক হ'ব লাগে; আৰু চৰকাৰেও এই দিশত মন-কাণ দিব লাগে।

তৃতীয় কথাটো হ'ল ধৰ্ম। অসমৰ ধৰ্ম বুলিলে সাধাৰণতে শংকৰদেৱে প্ৰচাৰ কৰা বৈষ্ণৱ ধৰ্মকে বুজা যায়। আমাৰ অন্য এক স্বাভিমান হ'ল শ্ৰীমন্ত শংকৰদেৱ। তেওঁক অসমীয়া জাতিৰ পিতৃ-পুৰুষ বুলি ক'লেও বঢ়াই কোৱা নহয়। কি ভাষা, কি ধৰ্ম, কি সংস্কৃতি সকলোবোৰ ক্ষেত্ৰতে তেওঁ অসমীয়া জাতিটোক এটা পৰিচয় দিলে। শংকৰদেৱক হেয় কৰিলে বা তেওঁক লেখত নধৰিলে আমি অমানুহ হ'মহক।

গতিকে দেখা যায় আমি জাতিক ৰক্ষা কৰিবলৈ হ'লে এই তিনিটা বস্তুক ৰক্ষা কৰিব লাগিব। পোনতে আমি চাব লাগিব অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা কেনেকৈ বঢ়াব পৰা যায়। দ্বিতীয়তে বিহু সংস্কৃতিক জীয়াই ৰখাটো অসমীয়া মানুহখিনিৰ নৈতিক দায়িত্ব। তৃতীয়তে আমি শংকৰদেৱক কেতিয়াও মৰিবলৈ দিব নোৱাৰো। ভাৰতীয়ত্বৰ অজুহাতত অসমীয়া জাতিটোক নিশ্চিহ্ন কৰাৰ যি ষড়যন্ত্ৰ চলিছে তাৰ প্ৰতি আমি দিনে-ৰাতিয়ে সাৱধান হৈ থাকিব লাগিব। মৰুভূমি লাহে লাহে অহাৰ দৰে অসমীয়া জাতি, ভাষা, সংস্কৃতি আৰু ধৰ্মৰ ওপৰত হোৱা আগ্ৰাসন দিনে দিনে বাঢ়ি আহিছে। অসমীয়া জাতিটো যদি পৃথিৱীৰ পৰা নিশ্চিহ্ন হৈ যাবলৈ দিয়া নহয়, তেন্তে ওপৰৰ পদক্ষেপ কেইটা লোৱা অত্যন্ত প্ৰয়োজনীয়।

*ফোন ঃ ৭০০২৩৭৬৫০৫*




# অৰ্থ উপাৰ্জনেই শিক্ষাৰ উদ্দেশ্য হোৱা উচিত নে?

## অভিমত

**আগতে** মানুহৰ অভিলাষ আছিল জ্ঞান অৰ্জন কৰা, আজিৰ প্ৰায় মানুহৰ জীৱনৰ অভিলাষ হ'ল ধন উপাৰ্জন কৰি বিলাসী জীৱন-যাপন কৰা। সেই কাৰণে অবৈধ কামতো বহু মানুহ প্ৰবৃত্ত হ'ল, অধিক ধনৰ দুৰ্মোহত। আজিৰ এজন ছাত্ৰ বা ছাত্ৰীয়ে সুখ্যাতিৰে পৰীক্ষাত উত্তীৰ্ণ হৈ সাধু ছাত্ৰ বা ছাত্ৰীৰ পৰিচয় দিয়াজনো পৰৱৰ্তী কৰ্ম জীৱনত অসাধু লোক হিচাপে জনসমাজত কুখ্যাত হোৱা ৰাইজৰ অজ্ঞাত নহয়। আজিৰ ছাত্ৰ বা ছাত্ৰীৰ বহুতেই জীৱনত ডাক্তৰ বা ইঞ্জিনীয়াৰ বা প্ৰশাসনিক বিষয়া হোৱাৰহে অভিলাষ। ইয়াৰ মৌলিক কাৰণ এইটোৱেই বুলি ভাবিব পাৰি বা বাস্তৱত প্ৰমাণিত যে এইকেইটা পথেৰে অধিক ধন উপাৰ্জন হোৱাৰ সুবিধা আছে। আজিৰ পিতৃ-মাতৃৰ প্ৰায় সকলোৱে তেওঁলোকৰ সন্তানক ডাক্তৰ বা ইঞ্জিনীয়াৰ বা প্ৰশাসনিক বিষয়া হোৱাটোহে বিচাৰে, কোনোবা সন্তানে বিপৰীত স্থিতি গ্ৰহণ কৰা দেখিলে, সেই পথৰ পৰা ওভোতাই আনি নিজৰ অভিলাষ সন্তানৰ ওপৰত প্ৰতিফলিত কৰিবলৈ বাধ্য কৰোৱাও দেখা যায়। এজন আদৰ্শ, জ্ঞানী-গুণী, সমাজহিতৈষী, মানৱ দৰদী লোক হোৱা প্ৰায় কাৰোৱেই যেন কাম্য নহয়। আজি আদৰ্শ পিতৃ-মাতৃৰ অভাৱ হ'ল। সেই কাৰণে আমি আমাৰ ভৱিষ্যৎ প্ৰজন্মক আদৰ্শবান হিচাপে গঢ়ি তুলিবলৈ বিফল হ'লো। আমাৰ মাজত এনেকুৱা চিন্তাৰ পিতৃ-মাতৃ আছে, যিসকলে পুত্ৰ-কন্যাৰ বাহিৰা উপাৰ্জনৰ কথা কৈ গৰ্ব অনুভৱ কৰা দেখা যায়। অতি উচ্চ শিক্ষিত ব্যক্তিয়ো কলংকিত হ'বলৈ কুণ্ঠাবোধ নকৰাটো শিক্ষাৰ ব্যৰ্থতা বুলিয়ে ক'ব পাৰি? আজিৰ শিক্ষাই মানুহক নৈতিক পৰায়ণ হোৱাত সহায় নকৰে। তাৰ প্ৰমাণ শিক্ষাৰ লগত জড়িত লোকো অনীতিত লুতুৰি-পুতুৰি হোৱা উদাহৰণ ঘটিল। আজিৰ প্ৰায় মানুহে এটা বৃত্তিতে ক্ষান্ত নথকাৰ মৌলিক কাৰণটো হ'ল অধিক ধন লাভৰ দুস্পৃহা। ধনৰ দুৰ্লোভে বহু মানুহক দুষ্কাৰ্যৰ প্ৰতি আকৰ্ষিত কৰিলে। আজিৰ বিত্তশালীজনেহে সমাজত আগস্থান লাভ কৰে। এনেকুৱা মন্তব্যও শুনা নাযায় নে যে আজি-কালি সাধু হৈ থাকিলে নচলে, নিজৰ সুবিধা আদায় কৰিবলৈ হ'লে প্ৰয়োজনত বক্ৰপথ গ্ৰহণ কৰিবই লাগিব। সন্মানীয় স্থানত আৰু ভাল দৰমহা লাভ কৰাৰ সুবিধা থকা সত্ত্বেও বহুলোকে বিভিন্ন ব্যৱসায়িক অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপন কৰি, জনসেৱা কৰাৰ লগতে সংশ্লিষ্ট ব্যক্তিৰ বাহিৰা উপাৰ্জন বৃদ্ধি কৰাৰ এটা অন্যতম লক্ষ্য হৈ পৰিল। আজিৰ প্ৰায় মানুহক বিত্তীয়-প্ৰতিষ্ঠানত সাঁচি ৰাখিবলৈও ধনৰ প্ৰয়োজন হ'ল যেন লাগে। ব্যক্তিগত সঞ্চয়ৰ পৰিমাণ বৃদ্ধি হৈ যোৱাৰ ফলত, সমূহীয়া ধনৰ পৰিমাণ হ্ৰাস হৈ যোৱা সত্য নহয়নে? তেন্তে আমাৰ অভিলাষবোৰে ধনৰ পাছত দৌৰিব লোৱা এটা অঘোষিত প্ৰতিযোগিতাহে নহ'লনে?

**কেশৱ শৰ্মা**, *ফোন ঃ ৯৪০১৮৭৯৪০৮*

## ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিৰ সাহসক ভূয়সী প্ৰশংসা অভিনেত্ৰী নাতালিয়াৰ




**নিউজ ব্যুৰ', মুম্বাই, ২৮ ফেব্ৰুৱাৰী ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত অব্যাহত থকা সংঘৰ্ষৰ মাজতে যুদ্ধক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে ইউক্ৰেইনমূলৰ বলিউডী অভিনেত্ৰী নাতালিয়া ক'জিন'ভাই। ইউক্ৰেইনত জন্ম লাভ কৰা এইগৰাকী অভিনেত্ৰীয়ে একতা কপুৰৰ ৱেব ছিৰিজ 'গণ্ডী বাত'ত অভিনয়ৰ জৰিয়তে চাঞ্চল্যৰ সৃষ্টি কৰিছিল। নাতালিয়াই সামাজিক মাধ্যমৰ জৰিয়তে ৰাছিয়াৰ ইউক্ৰেইন আক্ৰমণক তীব্ৰ গৰিহণা দি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেন'স্কিৰ ভূয়সী প্ৰশংসা কৰে। উল্লেখ্য যে যি সময়ত ইউক্ৰেইনৰ পৰা প্ৰতিদিনে লাখ লাখ লোকে প্ৰাণ ৰক্ষাৰ বাবে পলায়ন কৰিছে, সেই সময়ত দেশখনৰ ৰাষ্ট্ৰপতি জেলেন'স্কিয়ে সাহসেৰে মাতৃভূমিক ৰক্ষা কৰিবলৈ যথাসম্ভৱ প্ৰয়াস অব্যাহত ৰাখিছে। জেলেন'স্কিয়ে ইতিমধ্যে ঘোষণা কৰি কৈছে যে তেওঁ কোনো কাৰণতে স্বদেশ ত্যাগ নকৰে। নাতালিয়াই সামাজিক মাধ্যমত জেলেন'স্কিৰ ফটো শ্বেয়াৰ কৰি ৰাষ্ট্ৰপতিজনৰ এই সাহসক প্ৰশংসা কৰি কয়, 'এইজন প্ৰকৃত নেতা, যিজনে বাংকাৰত সোমাই থকা নাই। ভ্লাডিমীৰ জেলেন'স্কি হৈছে ইউক্ৰেইনৰ এজন মহান নেতা।'

## হঠাৎ অসুস্থ অমিতাভ, অভিনেতাৰ টুইটক লৈ উৎকণ্ঠিত অনুৰাগী



**নিউজ ব্যুৰ', মুম্বাই, ২৮ ফেব্ৰুৱাৰী ঃ** হঠাতে অসুস্থ হ'ল বলিউডৰ মহাতাৰকা অভিনেতা অমিতাভ বচ্চন। টুইটাৰত নিজে শাৰীৰিক অসুস্থতাৰ কথা প্ৰকাশ কৰিলে জনপ্ৰিয় অভিনেতাজনে। ৰবিবাৰে নিশা এক টুইটত অমিতাভে এইদৰে কয়, 'হাৰ্টে পাম্প কৰিছে, চিন্তিত আৰু আশাত...'। জনপ্ৰিয় অভিনেতাজনে অসুস্থতাৰ সন্দৰ্ভত মাইক্ৰ' ব্লগিং ছাইটটোত এইদৰে ইংগিত দিয়াৰ পাছতে তেওঁৰ অগণন অনুৰাগী চিন্তিত হৈছে। উল্লেখ্য যে বয়সজনিত কাৰণত সময়ে সময়ে অমিতাভ অসুস্থ হৈ আহিছে যদিও পৰৱৰ্তী সময়ত তেওঁ পুনৰ কৰ্মজীৱনত সক্ৰিয় হৈ উঠিছে। মহাতাৰকা অভিনেতাজনে নিজৰ অসুস্থতাৰ কথা টুইটাৰত সদৰী কৰাৰ পাছত অনুৰাগীসকলে তেওঁৰ দ্ৰুত আৰোগ্য কামনা কৰি সামাজিক মাধ্যমৰ জৰিয়তে প্ৰাৰ্থনা কৰিছে।

## হংকঙত এদিনত ক'ভিডত অভিলেখ সংখ্যকৰ মৃত্যু



**নিউজ ব্যুৰ', হংকং, ২৮ ফেব্ৰুৱাৰী ঃ** বিশ্বৰ বিভিন্ন দেশত ক'ভিডৰ সংক্ৰমণ হ্ৰাস পোৱাৰ সময়তে হংকঙত এই মাৰাত্মক ভাইৰাছৰ ত্ৰাস বৃদ্ধি পাইছে। হংকঙৰ স্বাস্থ্য বিভাগে প্ৰকাশ কৰা অনুসৰি প্ৰথমবাৰৰ বাবে দেশখনত ক'ভিড কালত সৰ্বাধিক সংখ্যক ৰোগীৰ মৃত্যু হৈছে। এসপ্তাহত ৩০০ জন ক'ভিড ৰোগীয়ে দেশখনত প্ৰাণ হেৰুৱালে। ২০২০ত ক'ভিড মহামাৰী আৰম্ভ হোৱাৰ পৰা বৰ্তমানলৈকে হংকঙত ৬০০ৰো অধিক ক'ভিডৰ ৰোগীৰ মৃত্যু হ'ল। যোৱা ৰবিবাৰে দেশখনত ৮৩ জন কৰ'না ৰোগীৰ মৃত্যু হৈছিল। উল্লেখ্য যে এয়ে প্ৰথমবাৰৰ বাবে হংকঙত এদিনত সৰ্বাধিক সংখ্যক ক'ভিড ৰোগী মৃত্যু হ'ল। স্বাস্থ্য বিভাগে প্ৰকাশ কৰা অনুসৰি কৰ'নাত শেহতীয়াভাৱে মৃত্যু হোৱা লোকসকলৰ সৰহ সংখ্যকে প্ৰতিষেধক গ্ৰহণ কৰা নাছিল।

## ১০ হেজাৰৰ তললৈ দেশৰ দৈনিক সংক্ৰমণ, হ্ৰাস মৃত্যুও




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ ফেব্ৰুৱাৰী ঃ** অৱশেষত ১০ হেজাৰৰ তললৈ অৱনমিত হ'ল দেশৰ দৈনিক ক'ভিড সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত ৮,০১৩ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। সংক্ৰমণ হ্ৰাসৰ লগতে বিগত এদিনত দেশত ক'ভিডত মৃতকৰ সংখ্যাও অৱনমিত হ'ল। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে পুনৰ ১১৯ জন লোকৰ প্ৰাণ কাঢ়িলে। বিগত এদিনত দেশত সুস্থ হ'ল ১৬,৭৬৫ জন ক'ভিড ৰোগী। সম্প্ৰতি দেশত ১,০২,৬০১ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

**ৰাছিয়া আৰু ইউক্ৰেইনৰ সংকটৰ পৰিপ্ৰেক্ষিতত ৰাছিয়াৰ ১১৬ জন শীৰ্ষ অৰ্বুদপতিৰ বিত্তীয় ক্ষতিৰ পৰিমাণ অধিক বৃদ্ধি**

# পুটিনৰ যুদ্ধ ঘোষণাত ৰুছ অৰ্বুদপতিৰ ১২৬ বিলিয়ন ডলাৰৰ লোকচান

**নিউজ ব্যুৰ'**
**মস্কো, ২৮ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ জেদৰ ফলত যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছে দেশখনৰ অৰ্বুদপতিসকল। যোৱা বৃহস্পতিবাৰে পুটিনে ইউক্ৰেইনৰ বিৰুদ্ধে সামৰিক অভিযান আৰম্ভ কৰিছিল আৰু ৰুছ ৰাষ্ট্ৰপতিৰ এই পদক্ষেপৰ ফলত ৰাছিয়াৰ ধনাঢ্য ব্যক্তিসকল বিপদৰ সন্মুখীন হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াই যুঁজত অৱতীৰ্ণ হোৱাৰ মাত্ৰ চাৰি দিনতে ৰুছ অৰ্বুদপতিসকলে ১২৬ বিলিয়ন ডলাৰতকৈ অধিক বিত্তীয় ক্ষতি বহন কৰিবলগীয়া হৈছে। ইউক্ৰেইনৰ বিৰুদ্ধে আক্ৰমণ ঘোষণা কৰাৰ লগে লগে যোৱা বৃহস্পতিবাৰে বিশ্বজুৰি শ্বেয়াৰ বজাৰত হাঁহাকাৰ লাগিছিল। ৰাছিয়াই এইদৰে যুদ্ধৰ পথ গ্ৰহণ কৰাত দেশখনৰ পুঁজি বজাৰত সংকটৰ আগমন ঘটিছিল। শ্বেয়াৰ বজাৰৰ সূচাংক অৱনমিত হ'বলৈ ধৰাৰ এদিনতে



কে'বাজনো ৰুছ অৰ্বুদপতিৰ সম্পত্তিৰ পৰিমাণ যথেষ্ট হ্ৰাস পালে। যুদ্ধৰ প্ৰভাৱ কেৱল পুঁজি বজাৰতে নহয়, ৰুছ মুদ্ৰা ৰুবলতো যথেষ্ট নেতিবাচক হৈছে। ডলাৰৰ বিপৰীতে ৰুবলৰ মূল্য ৩০ শতাংশ হ্ৰাস পাইছে।

পুটিনে ঘোষণা কৰা যুদ্ধৰ ফলত ৰাছিয়াৰ ধনাঢ্য ব্যক্তিসকলে বৃহৎ পৰিমাণৰ ধন-সম্পত্তি হেৰুৱাব লগীয়া হৈছে আৰু ইয়াৰ পাছতো কালি ক্ৰেমলিনত ৰুছ ৰাষ্ট্ৰপতিয়ে দেশৰ শীৰ্ষ উদ্যোগপতিৰ স'তে হোৱা এক বৈঠকত কয় যে ইউক্ৰেইনৰ বিৰুদ্ধে সামৰিক পদক্ষেপ গ্ৰহণ কৰাটো অত্যন্ত জৰুৰী আৰু ৰাছিয়াই এই যুঁজ অব্যাহত ৰাখিব। প্ৰকাশিত বাতৰি অনুসৰি পুটিনে আহ্বান জনোৱা উক্ত বৈঠকত ৰাছিয়াৰ কমেও শীৰ্ষ ১৩ অৰ্বুদপতিয়ে অংশ লৈছিল। ৰুছ ৰাষ্ট্ৰপতিৰ পদক্ষেপত অৰ্বুদপতিসকল অসন্তুষ্ট যদিও তেওঁলোকে পুটিনৰ সিদ্ধান্তৰ কোনো বিৰোধিতা কৰিব পৰা নাই।

ৰুছ সংবাদ মাধ্যমৰ বাতৰিত উল্লেখ কৰা অনুসৰি যোৱা ১৬ ফেব্ৰুৱাৰীৰ পাছৰে পৰা ৰাছিয়া আৰু ইউক্ৰেইনৰ সংকটৰ পৰিপ্ৰেক্ষিতত ৰাছিয়াৰ ১১৬ জন শীৰ্ষ অৰ্বুদপতিয়ে ১২৬ বিলিয়ন ডলাৰৰ লোকচান বহন কৰিবলগীয়া হৈছে। ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াৰ সামৰিক অভিযান যদি দীঘলীয়া হয় তেন্তে ৰুছ অৰ্বুদপতিৰ এই বিত্তীয় ক্ষতিৰ পৰিমাণো অধিক বৃদ্ধিৰ শংকা আছে। যোৱা শুকুৰবাৰে ৰাছিয়াৰ সবাতোকৈ ধনী পাঁচ ব্যক্তি অলেপেৰ'ভ, মিখেলচন, মুৰ্দশ্বেভ, প'টানিন আৰু কেৰিম'ভৰ সৰ্বাধিক ধন-সম্পত্তিৰ ক্ষতি হৈছিল।



## মাধৱী পুৰী ছেবিৰ প্ৰথম মহিলা মুৰব্বী নিযুক্ত

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৮ ফেব্ৰুৱাৰী ঃ** বজাৰ নিয়ামক সংস্থাৰ স'তে ছেবিৰ অধ্যক্ষৰ দায়িত্ব লাভ কৰিলে মাধৱী পুৰীয়ে। ছেবিৰ প্ৰথমগৰাকী মহিলা মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব পুৰীয়ে। উল্লেখ যে পুৰীয়ে ২০১৭ৰ এপ্ৰিলৰ পৰা ২০১৮ৰ এপ্ৰিললৈকে ছেবিৰ পূৰ্ণকালীন সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। আগন্তুক তিনি বছৰৰ বাবে তেওঁ ছেবিৰ মুৰব্বীৰ দায়িত্ব লাভ কৰিব।

## হঠাৎ যুদ্ধবিধ্বস্ত ইউক্ৰেইনলৈ হলিউড তাৰকা ছন পেন, কিন্তু কিয় ?



**নিউজ ব্যুৰ', কীভ, ২৮ ফেব্ৰুৱাৰী ঃ** এফালে ৰুছ সেনা আৰু আনফালে ইউক্ৰেইনৰ সেনা বাহিনী। ইউক্ৰেইনত এইদৰে ৰুছ সেনা বাহিনীৰ স'তে দেশৰ সেনাই যুদ্ধত ব্যস্ত থকাৰ সময়তে ৰাজধানী কীভত উপস্থিত হ'ল অস্কাৰজয়ী হলিউড তাৰকা ছন পেন। কিন্তু যুদ্ধবিধ্বস্ত ইউক্ৰেইনত কি কৰিছে হলিউডৰ এইজন অভিনেতা-পৰিচালকে? ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিৰ কাৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ৰাছিয়া আৰু ইউক্ৰেইনৰ সংঘাতৰ সন্দৰ্ভত এখন তথ্যচিত্ৰ নিৰ্মাণ কৰিছে পেনে। এই তথ্যচিত্ৰখন নিৰ্মাণ কৰিবলৈ প্ৰাণৰ শংকা বহন কৰি হলিউড তাৰকাজনে অলপতে কীভত উপস্থিত হৈছিল। ইতিমধ্যে পেনে ইউক্ৰেইনৰ সৈনিকসকলৰ স'তে বাৰ্তালাপ কৰি তথ্যচিত্ৰৰ বাবে প্ৰয়োজনীয় দৃশ্যগ্ৰহণ সম্পন্ন কৰিছে। উল্লেখ্য যে ২০০৩ বৰ্ষত 'মিষ্টিক ৰিভাৰ' আৰু ২০০৮ত 'মিল্ক' নামৰ ছবিত অভিনয়ৰ জৰিয়তে পেনে অস্কাৰ বঁটা লাভ কৰিছিল। হলিউডৰ এইজন তাৰকা যুদ্ধবিৰোধী হিচাপে পৰিচিত হৈ আহিছে। ইয়াৰ পূৰ্বেও পেনে যুদ্ধৰ পৰিস্থিতিক লৈ তথ্যচিত্ৰ নিৰ্মাণ কৰিছিল। ৰাছিয়াৰ স'তে ইউক্ৰেইনৰ যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে কীভত উপস্থিত হৈছিল পেন।

## কৰহলৰ বাদেও তিনি সমষ্টিত প্ৰাৰ্থী হ'ল 'অখিলেশ যাদৱ'

**নিউজ ব্যুৰ',লক্ষ্ণৌ, ২৮ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনত কমেও তিনিজন প্ৰাৰ্থীয়ে নিজৰ নামৰ জৰিয়তে বিশেষ চৰ্চা লাভ কৰিছে। সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে মেনপুৰীৰ কৰহল সমষ্টিৰ পৰা প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। অৱশ্যে উত্তৰ প্ৰদেশৰ তিনিটা সমষ্টিত এইবাৰ অখিলেশ যাদৱৰ নামৰে প্ৰাৰ্থীয়ে নিৰ্বাচনী বৈতৰণীত অংশ লৈছে। বিকাপুৰত কংগ্ৰেছৰ প্ৰাৰ্থী, গোন্নুৰত এজন নিৰ্দলীয় প্ৰাৰ্থী আৰু মুবাৰকপুৰত সমাজবাদী পাৰ্টিৰ এজন প্ৰাৰ্থীৰ নাম হৈছে অখিলেশ যাদৱ। মুবাৰকপুৰৰ সমাজবাদী পাৰ্টিৰ প্ৰাৰ্থী অখিলেশ যাদৱে কয়, 'মই মোৰ সমষ্টিত যথেষ্ট সমৰ্থন লাভ কৰিছো। মানুহে মোৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰিছে। ২০১৭ৰ নিৰ্বাচনত মই যথেষ্ট কম সংখ্যক ভোটৰ ব্যৱধানত পৰাজিত হৈছিলো। এতিয়া সমষ্টিবাসীয়ে অখিলেশ যাদৱৰ জয় বিচাৰিছে। মানুহে কৈছে যে অখিলেশ যাদৱ মুখ্যমন্ত্ৰী হ'ব।' উল্লেখ্য যে মুবাৰকপুৰত অখিলেশ যাদৱৰ নাম প্ৰাৰ্থী হিচাপে ঘোষণা হোৱাৰ সময়তে সমাজবাদী পাৰ্টিৰ মুৰব্বীয়ে উক্ত সমষ্টিতো প্ৰতিদ্বন্দ্বিতা কৰা বুলি উৰা বাতৰি প্ৰচাৰিত হৈছিল। পাছত সমাজবাদী পাৰ্টিয়ে এই বিষয়ত স্পষ্টীকৰণ দিব লগা হৈছিল। বিকাপুৰত কংগ্ৰেছৰ প্ৰাৰ্থী অখিলেশ যাদৱো পূৰ্বে সমাজবাদী পাৰ্টিত আছিল আৰু ২০১৬ত তেওঁ দল সলনি কৰিছিল। বহুতে সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰা কংগ্ৰেছ প্ৰাৰ্থীজনক নামৰ সাদৃশ্যৰ বাবে সমাজবাদী পাৰ্টিৰ মুৰব্বী বুলি ভুল কৰিছে। কংগ্ৰেছৰ প্ৰাৰ্থীজনৰ মতে, সমষ্টিটোত তেওঁ ভোটদাতাৰ পৰা ভাল সঁহাৰি লাভ কৰিছে। আনহাতে, গোন্নুৰত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰা লখবেন্দ্ৰ সিং ওৰফে অখিলেশ যাদৱেও সমাজবাদী পাৰ্টিৰ মুৰব্বীৰ স'তে নামৰ সাদৃশ্য থকাক লৈ সমষ্টিটোত বিশেষ চৰ্চা লাভ কৰিছে।



## উত্তৰ প্ৰদেশৰ ঘোৰাবল সমষ্টিত পৰস্পৰৰ বিৰুদ্ধে প্ৰচাৰ ননদ-বৌৰ



**নিউজ ব্যুৰ', সোণভদ্ৰ, ২৮ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনত সোণভদ্ৰৰ ঘোৰাবল সমষ্টিৰ এটা ৰাজপৰিয়ালৰ দুগৰাকী সদস্যাই পৰস্পৰৰ বিৰুদ্ধে প্ৰচাৰত অংশ লৈছে। সমষ্টিটোত কংগ্ৰেছে ৰাজপৰিয়ালৰ বোৱাৰী বিদেশ্বৰী সিঙক টিকট প্ৰদান কৰিছে। পূৰ্বে এই সমষ্টিত কংগ্ৰেছে উক্ত ৰাজপৰিয়ালৰে কন্যা দীক্ষা সিঙক টিকট প্ৰদান কৰিব বুলি চৰ্চা চলিছিল। কিন্তু কংগ্ৰেছে দীক্ষাৰ পৰিৱৰ্তে বিদেশ্বৰীক সমষ্টিটোত প্ৰাৰ্থিত্ব প্ৰদান কৰিলে। দীক্ষাই অলপতে লক্ষ্ণৌত উপস্থিত হৈ বিজেপিৰ সদস্যপদ গ্ৰহণ কৰিছিল। অৱশ্যে নিজৰ বৌৱেকৰ বিৰুদ্ধে বিজেপিৰ হৈ প্ৰচাৰত বিশেষ সক্ৰিয়তা প্ৰদৰ্শন কৰা নাই দীক্ষাই। বিজেপিত যোগদানৰ পাছত দীক্ষাই মন্তব্য কৰি কৈছিল যে বিজেপি চৰকাৰে ভাল কাম কৰা হেতুকে তেওঁ দলটোত যোগদানৰ সিদ্ধান্ত লৈছিল। বিজেপিত যোগদান কৰা হেতুকে ঘোৰাবলৰ কংগ্ৰেছ প্ৰাৰ্থী বৌৱেকৰ স'তে সম্পৰ্কত কোনো বাধাৰ সৃষ্টি নহ'ব বুলিও দীক্ষাই মন্তব্য কৰিছিল।

## ৬৫ ঊৰ্দ্ধ্বৰ বয়সৰ লোকক উপকৃত কৰিছে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধকে




**নিউজ ব্যুৰ', লণ্ডন, ২৮ ফেব্ৰুৱাৰী ঃ** ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ বিশ্বজুৰি অব্যাহত আছে যদিও ই এতিয়ালৈকে তেনে বিশেষ মাৰাত্মক ৰূপ ধাৰণ কৰা নাই। ক'ভিডৰ প্ৰতিষেধক গ্ৰহণ কৰা ৬৫ বা ততোধিক বছৰ বয়সৰ লোক সকলকো অ'মিক্ৰনে সংক্ৰমিত কৰিছে যদিও এই বয়সৰ লোকৰ বিশেষ ক্ষতি কৰিবলৈ সক্ষম হোৱা নাই। ব্ৰিটিছ গৱেষকৰ এক অধ্যয়নত এই তথ্য পোহৰলৈ আহিছে। অধ্যয়নটোৰ তথ্য অনুসৰি দুপালি প্ৰতিষেধক গ্ৰহণ কৰাৰ পাছত ৬৫ উৰ্দ্ধ্বৰ বয়সৰ লোক ক'ভিডত সংক্ৰমিত হৈছে যদিও তেওঁলোকৰ মাজত চিকিৎসালয়ত ভৰ্তি হোৱাৰ হাৰ সম্প্ৰতি ৫০ শতাংশ হ্ৰাস হৈছে। তদুপৰি যিসকল ৬৫ উৰ্দ্ধ্বৰ বয়সৰ লোকে ক'ভিডৰ বুষ্টাৰ প্ৰতিষেধক গ্ৰহণ কৰিছিল, তেওঁলোকৰ মাজতো চিকিৎসাধীন হোৱা ৰোগীৰ সংখ্যা যথেষ্ট সীমিত হৈছে। ব্ৰিটিছ গৱেষকৰ এই অধ্যয়নৰ দাবী অনুসৰি বুষ্টাৰ প্ৰতিষেধক গ্ৰহণ কৰা ৬৫ উৰ্দ্ধ্বৰ বয়সৰ লোকসকলে অ'মিক্ৰনক পৰাভূত কৰিবলৈ সফল হৈছে।

## মোদীয়ে ক'লে, 'পৰিবাৰবাদীয়ে ক্ষমতা লাভ কৰিলে সম্পত্তি আহৰণ কৰে'

**নিউজ ব্যুৰ'**
**গোৰখপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনত বিজেপিৰ প্ৰচাৰত অংশ লৈ আকৌ এবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কঠোৰভাৱে সমালোচনা কৰিলে পৰিবাৰবাদী ৰাজনীতিক। মহৰাজগঞ্জত আয়োজিত জনসভাত অংশ লৈ মোদীয়ে কয় যে পৰিবাৰবাদীয়ে যেতিয়াই ক্ষমতা লাভ কৰে তেতিয়া তেওঁলোকে কেৱল সম্পত্তি কুক্ষিগত কৰাৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। 'যিসমূহ জিলাক অতি পৰিবাৰবাদীয়ে পিছুৱাই নিছিল, সেইসমূহ জিলাৰ বিকাশৰ বাবে আমি পৰিশ্ৰম কৰিছো। যি কাম তেওঁলোকে কৰিব লাগিছিল সেই কাম আজি আমি কৰিছো। মহৰাজগঞ্জই ইয়াৰ উদাহৰণ। মহৰাজগঞ্জত পথ নিৰ্মাণ কৰা হৈছে। কুশীনগৰত আন্তৰ্জাতিক বিমানকোঠৰ নিৰ্মাণ কৰা হৈছে। ইয়াৰ ফলত পৰ্যটনো বিকাশ হ'ব। এই অঞ্চললৈ বিশ্বৰ ভক্তপ্ৰাণ ৰাইজ আহিব আৰু ইয়াৰ জৰিয়তে সকলো উপকৃত হ'ব। আমি কেৱল প্ৰতিশ্ৰুতি নিদিও, বাজেটত ধনৰো আবণ্টন জনাও। অতি পৰিবাৰবাদীয়ে যেতিয়া ক্ষমতা লাভ কৰে, তেওঁলোকে ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে অকুট সম্পত্তি আহৰণ কৰে। তেওঁলোকে বিচাৰে নিজৰ পৰিয়ালে সকলো সুখ-সুবিধা ভোগ কৰক। দৰিদ্ৰৰ অৱস্থাৰ কথা চিন্তা নকৰে। তেওঁলোকে চিকিৎসাৰ বাবে বিদেশলৈ যায়, কিন্তু দৰিদ্ৰই ঋণ গ্ৰহণ কৰিবলগীয়া হয়। সেয়েহে ভাৰত চৰকাৰে পাঁচ লাখ টকাৰ স্বাস্থ্য বীমাৰ সুবিধা আগবঢ়াইছে।'





## ২১ দিন পাছত পুনৰ কাৰাগাৰলৈ উভতিল 'ডেৰা'ৰ মুৰব্বী গুৰমিত

**নিউজ ব্যুৰ'**
**ৰোহটক, ২৮ ফেব্ৰুৱাৰী ঃ** স্বঘোষিত ধৰ্মীয় নেতা তথা 'ডেৰা সচ্ছা সৌদা'ৰ মুৰব্বী গুৰমিত ৰাম ৰহিম পুনৰ কাৰাগাৰলৈ উভতিল। ২১ দিনৰ ফৰল'ৰ ম্যাদ অন্ত পৰাত আজি পুৱাতে গুৰমিতে চুনাৰিয়া কাৰাগাৰলৈ উভতি যায়। সাংবাদিক হত্যা আৰু দুই মহিলা ভক্তৰ ধৰ্ষণৰ গোচৰত দোষী সাব্যস্ত হোৱা গুৰমিতক আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিয়াৰ পাছৰে পৰা তেওঁ চুনাৰিয়া কাৰাগাৰত বন্দী হৈ আছে। অলপতে কাৰাগাৰ কৰ্তৃপক্ষই গুৰমিতক ২১ দিনৰ বাবে সাময়িকভাৱে মুক্তি দিছিল। ফৰল'ৰ ম্যাদ আজি অন্ত পৰাত পুৱা ১১-৫০ বজাত পুনৰ কাৰাগাৰ চৌহদত প্ৰৱেশ কৰিলে স্বয়ম্ভু ধৰ্মীয় নেতাজনে।

## ইমৰান খানৰ বিপদ বাঢ়িল ঃ দেশৰ ৩৪ চহৰত বিক্ষোভ আৰম্ভ

**নিউজ ব্যুৰ'**
**কৰাচী, ২৮ ফেব্ৰুৱাৰী ঃ** পাকিস্তানৰ মূল বিৰোধী দল পি পি পিয়ে কালিৰে পৰা দেশখনৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ পদত্যাগৰ দাবীৰে কৰাচীৰ পৰা ইছলামাবাদলৈ 'অৱামী লং মাৰ্চ' আৰম্ভ কৰিলে।



পি পি পিৰ মুৰব্বী বিলাবল ভুট্টো জৰ্দাৰীৰ নেতৃত্বত বিৰোধীৰ এই 'লং মাৰ্চ' দেশখনত ৩৪ খন মুখ্য চহৰ হৈ ইছলামাবাদত উপস্থিত হ'ব। অহা আঠ মাৰ্চত পি পি পিৰ 'লং মাৰ্চ' ইছলামাবাদত উপস্থিত হোৱাৰ কথা। পি পি পিৰ নেতা-কৰ্মীয়ে ইছলামাবাদত উপস্থিত হোৱাৰ পাছত সংসদৰ বাহিৰত ব্যাপক বিক্ষোভ প্ৰদৰ্শন কৰিব আৰু ইমৰানৰ পদত্যাগ দাবী কৰিব। এই 'লং মাৰ্চ'ৰ নেতৃত্ব বহন কৰা বিলাবলে কৰাচীত এখন সভাত অংশ লৈ কালি কয়, 'এখন অক্ষম চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ অনাৰ সময় উপস্থিত হ'ল। আমি ইমৰান খানৰ চৰকাৰৰ বিৰুদ্ধে ঐতিহাসিক 'লং মাৰ্চ' আৰম্ভ কৰিলো। ইছলামাবাদত উপস্থিত হোৱাৰ পাছত আমি এই অক্ষম চৰকাৰক ক্ষমতাচ্যুত কৰিম।'



## বিশ্বজুৰি ক'ভিড আক্ৰান্তৰ সংখ্যা ৪৩.৫১ কোটিলৈ বৃদ্ধি, ৫৯.৪ লাখ লোকৰ মৃত্যু

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৮ ফেব্ৰুৱাৰী ঃ** বিশ্বৰ প্ৰায়বোৰ দেশত সম্প্ৰতি ক'ভিডৰ সংক্ৰমণ হ্ৰাস পাবলৈ ধৰিছে। সোমবাৰলৈকে এই মাৰাত্মক ভাইৰাছত বিশ্বজুৰি ৪৩.৫১ কোটি লোক সংক্ৰমিত হ'ল। আনহাতে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণৰ ফলত বিশ্বৰ বিভিন্ন দেশত বৰ্তমানলৈকে ৫৯.৪ লাখৰো অধিক লোকৰ মৃত্যু হ'ল। অৱশ্যে সকাহৰ কথা এয়ে যে বৰ্তমানলৈকে বিশ্বজুৰি ১০.৪৮ বিলিয়ন লোকৰ ক'ভিড টিকাকৰণ সম্পন্ন হ'ল। হ'পকিন্স ইউনিভাৰ্ছিটিৰ পৰিসংখ্যা অনুসৰি যোৱা শনিবাৰলৈকে বিশ্বত ৪,৩৫,১৭৪,০৬৮ জন লোক কৰ'নাত আক্ৰান্ত আৰু ৫,৯৪৮,৩০৬ জন লোকৰ এই ভাইৰাছত মৃত্যু হ'ল। বিশ্বৰ ভিতৰতে আমেৰিকাত সৰ্বাধিক ৭৮,৬৪২,৩৮৫ জন লোক সংক্ৰমিত আৰু ৯৩,৮৯৩৮ জনৰ কৰ'নাত মৃত্যু হ'ল ।


## পশ্চিমবংগৰ শিক্ষক নিযুক্তি কেলেংকাৰিৰ চি বি আই তদন্তৰ নিৰ্দেশ উচ্চ ন্যায়ালয়ৰ



**নিউজ ব্যুৰ', কলকাতা, ২৮ ফেব্ৰুৱাৰী ঃ** গ্ৰুপ 'চি' আৰু 'ডি' পদৰ নিযুক্তি কেলেংকাৰিৰ পাছত এইবাৰ পশ্চিমবংগৰ নৱম আৰু দশম শ্ৰেণীৰ শিক্ষক কেলেংকাৰিত চি বি আই তদন্তৰ নিৰ্দেশ দিলে কলকাতা উচ্চ ন্যায়ালয়ে। আজি এছ এল এছ টি নিয়োগ দুৰ্নীতি বিষয়ক এটা গোচৰৰ শুনানিত এই নিৰ্দেশ দিলে কলকাতা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ অভিজিৎ গংগোপাধ্যায়ে। অহা ২৮ মাৰ্চৰ ভিতৰত কেন্দ্ৰীয় তদন্তকাৰী সংস্থাটোৱে অনুসন্ধানৰ প্ৰতিবেদন দাখিল কৰিব লাগিব। উল্লেখ্য যে ২০১৬ বৰ্ষত অনুষ্ঠিত হোৱা এছ এল এছ টি পৰীক্ষাৰ মেধা তালিকাত নাম নাথাকিলেও আজাদ আলী মিৰ্জা আৰু আন এজন ব্যক্তিয়ে শিক্ষক পদত নিযুক্তি লাভ কৰিছিল আৰু এই দুই শিক্ষকৰ নিযুক্তি প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত এক গোচৰ কৰা হৈছিল। এই ঘটনাৰ সন্দৰ্ভতে আজি উচ্চ ন্যায়ালয়ে চি বি আইক অনুসন্ধানৰ নিৰ্দেশ দিয়ে।

## তীব্ৰ বিৰোধিতাৰ পাছতো মাৰ্কিন সাহায্য স্বীকাৰ কৰিলে নেপালে

**নিউজ ব্যুৰ', কাঠমাণ্ডু, ২৮ ফেব্ৰুৱাৰী ঃ** নেপালৰ সংসদে দেশখনৰ মুখ্য বিৰোধী দল চি পি এন-ইউ এম এলৰ বিৰোধিতাৰ পাছতো আমেৰিকাৰ দ্বাৰা আগবঢ়োৱা ৫০ কোটি মাৰ্কিন ডলাৰৰ বিতৰ্কিত অনুদান বিষয়ক বুজাবুজিত অনুমোদন জনালে। উল্লেখ্য যে আমেৰিকাই নেপাললৈ আগবঢ়োৱা এই বিত্তীয় অনুদানৰ বিৰুদ্ধে দেশখনত চি পি এন-ইউ এম এল দলে ব্যাপক প্ৰতিবাদ অব্যাহত ৰাখিছে। মূল বিৰোধী দলৰ এনে বিৰোধিতাৰ পাছতো নেপালৰ সংসদে এই বিত্তীয় বুজাবুজিৰ প্ৰস্তাৱত অনুমোদন জনায়। দেওবাৰে নেপালৰ সংসদে মিলেনিয়াম চেলেঞ্জ কৰ্প'ৰেচন (এম চি চি)ৰ বিতৰ্কিত ৫০ কোটি মাৰ্কিন ডলাৰৰ আৰ্থিক সাহায্য প্ৰস্তাৱ গৃহীত কৰে। উল্লেখ্য যে এম চি চিয়ে ২০১৭ বৰ্ষতে নেপালত ৫০ কোটি মাৰ্কিন ডলাৰৰ অনুদান প্ৰদানৰ সিদ্ধান্ত লৈছিল। এই ধনৰাশি নেপালত এটা ৩০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ উচ্চ ক্ষমতাসম্পন্ন বিদ্যুৎ সৰবৰাহৰ লাইন নিৰ্মাণৰ বাবে ব্যয় কৰা হ'ব।



# থলুৱা শিপিনীৰ দ্বাৰা গ্ৰাহক উপকৃত হ'ব ঃ বৰষাৰাণী

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২৮ ফেব্ৰুৱাৰী ঃ** হস্ততাঁত-বস্ত্ৰ শিল্পক ৰাইজৰ মাজত আৰু অধিক প্ৰসাৰৰ মানসেৰে যোৰহাটৰ উদ্যমী তথা সমাজসেৱী মহিলা মণিকা বৰাই আৰম্ভ কৰিছে এক নতুন পদক্ষেপ। জিলাখনৰ বিভিন্ন ঠাইত থকা চাদৰ-মেখেলা বিপণীৰ সমান্তৰালকৈ সংযোজিত হৈছে এক নতুন বিপণী। এই বিপণীখনৰ কালি মুকলি কৰে জনপ্ৰিয় অভিনেত্ৰী বৰষাৰাণী বিষয়াই। জনপ্ৰিয় অভিনেত্ৰীগৰাকীয়ে কয় যে বিপণীখনত ধেমাজিৰ 'কাংকাণখ্যাত' কেৱল হস্ততাঁত আৰু বস্ত্ৰ শিল্পক প্ৰাধান্য দিয়া হৈছে। আধুনিকৰ পৰা অত্যাধুনিকলৈকে তথা থলুৱা পাট, মুগা, টচ মুগা, নুনী আদিৰে তৈয়াৰী বিভিন্ন ধৰণৰ চাদৰ মেখেলা ইয়াত পোৱা যাব। বৰ্তমান সময়ত বাহিৰা চাদৰ মেখেলাই আমাৰ বজাৰ দখল কৰা সময়ত থলুৱা শিপিনীৰ এই বিপণীৰ দ্বাৰা গ্ৰাহকসকল পৰৱৰ্তী সময়ত যথেষ্ট উপকৃত হ'ব বুলি কয়। ধেমাজি, ঢকুৱাখনাৰ পৰা পোনপটীয়াকৈ যোৰহাটৰ এই শ্ব'ৰুমটোত চাদৰ-মেখেলাসমূহ লাভ কৰিব পাৰিব আৰু লগতে অৰ্ডাৰ মতেও বিভিন্ন সাজপাৰ পাব বুলি স্বত্বাধিকাৰ মণিকা বৰাই জনায়। ধেমাজিস্থিত জেচিন কামবেং পাওৰ বিপণীৰ পৰা পোনপটীয়াকৈ এই বিপণীত সাজপাৰ লাভ কৰিব পাৰিব বুলিও তেওঁ কয়। এই বিপণীৰ জৰিয়তে বৰ্তমান সময়ত মহিলাসকলো পুৰুষৰ সমানে আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ পথ দেখুৱাইছে। যোৰহাটৰ কটকীপুখুৰীৰ সমীপত মৃণালিনী ফেশ্বন পইণ্ট নামেৰে আৰম্ভ কৰা এই বিপণীলৈ আহক আৰু নিজৰ পছন্দৰ পোছাকযোৰ লৈ যাবলৈ বৰষাৰাণী বিষয়াৰ লগতে স্বত্বাধিকাৰ মণিকা বৰাই যোৰহাটবাসীৰ লগতে সকলোকে আহ্বান জনাইছে।

# মৰিগাঁও জিলা সংস্কাৰ ভাৰতীৰ সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৮ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ দ্বাৰা পৰিচালিত কলা আৰু সাহিত্যৰ প্ৰতি সমৰ্পিত অখিল ভাৰতীয় অনুষ্ঠান সংস্কাৰ ভাৰতী, অসমৰ মৰিগাঁও জিলা সমিতিৰ সাধাৰণ সভা যোৱা ২৭ ফেব্ৰুৱাৰীত মৰিগাঁও জিলাৰ বৰঙাবাৰীৰ সাংস্কৃতিক আশ্ৰমত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয়। মৰিগাঁও জিলা সমিতিৰ সভাপতি যাদৱ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত নগাঁও-মৰিগাঁও-হোজাই জিলাৰ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ বিভাগ সংঘ চালক লেলিন ডেকাই তত্ত্বগধুৰ বক্তব্যৰে উপস্থিত শ্ৰোতা-দৰ্শকক আপ্লুত কৰে। কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি ড° আলেক্ষ বৰুৱা আৰু সাধাৰণ সম্পাদক পুলকেশ বৰুৱাই সভাত সংস্কাৰ ভাৰতীৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত বিস্তৃতভাৱে আলোকপাত কৰে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মৰিগাঁও জিলাৰ সভাপতি কুশৰাম হাজৰিকা আৰু সংঘ প্ৰচাৰক বিকাশ কলিতাই সভাত ভাষণ দিয়াৰ লগতে ৰাম আতা সত্ৰৰ সত্ৰাধিকাৰ দিলীপ মহন্তই সংস্কাৰ ভাৰতী মৰিগাঁও জিলা সমিতিৰ অস্থায়ী কাৰ্যালয় গৃহ উদ্বোধন কৰে। সভাৰ আৰম্ভণিতেই ভাৰতৰত্ন লতা মংগেশকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ লগতে বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সাধাৰণ সভাতেই আগন্তুক কাৰ্যকালৰ বাবে যাদৱ চন্দ্ৰ মহন্তক সভাপতি, প্ৰদীপ কুমাৰ মহন্তক কাৰ্যকৰী সভাপতি, কুসুম কোঁৱৰক উপ-সভাপতি, মানস প্ৰতিম পাটৰক সাধাৰণ সম্পাদক আৰু বাবুলী কলিতাক কোষাধ্যক্ষৰূপে লৈ ৫১ জনীয়া এখন সমিতি গঠন কৰা হয়। বিনু মহন্ত, নন্দিতা মহন্ত আৰু গোবিন মহন্তই বৰগীত পৰিৱেশনেৰে কাৰ্যসূচী মুকলি কৰা সভাত দুই শতাধিক সদস্যই অংশগ্ৰহণ কৰে।

# চৰ-চাপৰি সাহিত্য পৰিষদৰ সভাত ছখন গ্ৰন্থ উন্মোচন



অগ্ৰদূত বাৰ্তা,

**মাটিয়া, ২৮ ফেব্ৰুৱাৰী ঃ** দুদিনীয়া কাৰ্যসূচীৰে গোৱালপাৰাত অনুষ্ঠিত চৰ চাপৰি সাহিত্য পৰিষদৰ কেন্দ্ৰীয় প্ৰতিনিধিত্বক মূল সাধাৰণ সভাত ছয় খনকৈ গ্ৰন্থ উন্মোচন কৰা হয় । কাৰ্যসূচী অনুসৰি যোৱা ২৬ ফেব্ৰুৱাৰীত পতাকা উত্তোলন, প্ৰতিনিধি শিৱিৰ মুকলি, সভাপতিৰ আসন গ্ৰহণ, সাহিত্যানুষ্ঠান ,বিভিন্ন জিলাৰ প্ৰতিনিধি বৰ্গৰ মাজত মত-বিনিময় অনুষ্ঠানৰ লগতে প্ৰতিনিধি সভা অনুষ্ঠিত হয়। প্ৰতিনিধি সভাত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয় । প্ৰতিনিধি সভাত গৃহীত প্ৰস্তাৱ পাঠৰ পিছত কবি জয়ন্তবল্লভ শৰ্মাৰ সঞ্চালনাত কবি সন্মিলন, পাছত 'অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত চৰ চাপৰিবাসীৰ ভূমিকা' বিষয় শীৰ্ষক আলোচনা সভা অনুষ্ঠিত হয়। চৰ চাপৰি সাহিত্য পৰিষদৰ সভাপতি ড° হাফিজ আহমেদৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা সভাত আলোচকহিচাপে উপস্থিত থাকে অসমীয়া সাহিত্য সন্মিলনীৰ কাৰ্যকৰী সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দিলীপ বৰাই। ইপিনে লেখক আব্দুল জব্বাৰৰ 'ইছলামৰ বুৰঞ্জী আৰু সংস্কৃতি' কবি আবু শ্বামাৰ 'চিনাকি অচিনাকি নদী' অধ্যাপক শ্বৰিফুল ইছলামৰ 'জীৱনপঞ্জী' মিজানুৰ ৰহমানৰ 'উচ্ছেদ আৰু অন্যান্য কবিতা' গোৱালপাৰা ডায়েটৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জাফৰ আলী আহমেদৰ 'কুৰআন বিশ্বৰ বিস্ময়কৰ চেলেঞ্জ' আৰু লেখক হজৰত আলী আহমেদৰ 'কবিতাৰ মৃত্যু উপন্যাস' নামৰ ছয় খনকৈ গ্ৰন্থ উন্মোচন কৰে কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে। লেখক তথা সমাজসেৱক শৈলেন দাসক আব্দুল জব্বাৰ সোঁৱৰণী সাহিত্য বঁটা প্ৰদানৰ পাছত দুই বজাৰ পৰা অনুষ্ঠিত হয় দ্বিতীয় আলোচনা সভা । উক্ত বটাঁত মানপত্ৰ, শৰাই, জাপি, ফুলাম গামোচা আৰু নগদ ধনৰ লগতে নক্সা খোদিত 'কেথা' প্ৰদান কৰা হয় । ইপিনে 'অসমীয়া ভাষা-সংস্কৃতি, সামাজিক ঐক্য আৰু প্ৰগতিৰ ক্ষেত্ৰত চৰ চাপৰিবাসীৰ অবদান' বিষয় শীৰ্ষক আলোচনা সভাখনত আলোচকৰূপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আব্দুল মান্নানে। আবেলি কেবাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনাৰে কাৰ্যসূচীৰ সামৰণি পৰে।

# কাকৈজানা-অভয়াপুৰীকে ধৰি বিভিন্ন ঠাইত শিৱৰাত্ৰিৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৮ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ কাকৈজানা, অভয়াপুৰী আৰু পাৰ্শ্বৱৰ্তী বিভিন্ন ঠাইত শিৱৰাত্ৰি উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উত্তৰ শালমাৰাৰ নিকটৱৰ্তী কাকৈজানাত আঞ্চলিক শিৱপূজা উদ্‌যাপন সমিতিয়ে পহিলা মাৰ্চৰ পৰা তিনিদিনীয়াকৈ ঐতিহাসিক যোগীৰ ঢাপত আয়োজন কৰিছে। প্ৰেমচৰণ ৰায়ক সভাপতি, ৰঞ্জিত বৰুৱাক সম্পাদকৰূপে লৈ গঠন কৰা পূজা পৰিচালনা সমিতিয়ে গ্ৰহণ কৰা কাৰ্যসূচী অনুসৰি নাম-কীৰ্তন, প্ৰতিমা আনয়ন, দুপৰীয়া মূৰ্তি প্ৰতিষ্ঠা কৰাৰ পাছত আবেলি শিৱ চতুৰ্থী পূজা আৰম্ভ হ'ব। সন্ধিয়া গোৱালপাৰাৰ নয়নজ্যোতি নাগাৰ নামদলৰ নাম পৰিৱেশন কৰিব। দ্বিতীয় দিনা পূজা, ভাগৱত পাঠ, নাম-কীৰ্তনৰ লগতে সন্ধিয়া অনুষ্ঠিত হ'ব উগী-বুগী নৃত্য অনুষ্ঠানৰ। মঞ্চ মুকলি কৰিব অঞ্চলটোৰ সমাজসেৱক হীৰেন ফৌজদাৰে। অন্তিম দিনা পূজা-অৰ্চনা পাছত সন্ধিয়া কদমতোলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পূৰেণ চন্দ্ৰ ৰায়ে উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত শিল্পীৰ উপৰি স্থানীয় শিল্পীসকলে গীত-মাত পৰিৱেশন কৰিব। তেনেদৰে অভয়াপুৰী শিৱপুৰ, বড়িগাঁও, বৰ-নাৰিকলা, সৃজনগ্ৰামৰ আলোকঝাৰী, বৰঘোলা, মজাইৰমুখ আদিত শিৱৰাত্ৰি উপলক্ষে পূজা অৰ্চনাকে ধৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

■ নিৰ্বাচনী প্ৰচাৰৰ সময়ত ৰাইজৰ প্ৰশ্নৰ সন্মুখীন হৈছে প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী ■ ৰাইজৰ ক্ষোভ

# এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত ঢেকিয়াজুলি পৌৰসভা



অগ্ৰদূত বাৰ্তা

**শিঙৰী, ২৮ ফেব্ৰুৱাৰী ঃ** ঢেকিয়াজুলি পৌৰসভাৰ এক, দুই, তিনি চাৰি আৰু পাঁচ নম্বৰ ৱাৰ্ড বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ আছে। কেন্দ্ৰ আৰু ৰাজ্য শাসনাধিষ্ঠ বিজেপিৰ উন্নয়ন আৰু পৰিৱৰ্তনৰ শ্লʼগানৰ বিপৰীত ছবি ইয়াত প্ৰতিফলিত হৈছে। ঢেকিয়াজুলি পৌৰসভাৰ এই পাঁচটা ৱাৰ্ডৰ বাট-পথসমূহ অতি শোচনীয় অৱস্থাত আছে। এই পাঁচটা ৱাৰ্ডত পৰ্যাপ্ত নলা-নৰ্দমা নিৰ্মাণৰ ক্ষেত্ৰত পৌৰসভা কৰ্তৃপক্ষ চূড়ান্ত ব্যৰ্থ হৈছে। এই ৱাৰ্ডকেইটাৰ আলি-বাটবোৰ নিৰ্মাণ নোহোৱাত ৰাইজে যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিছে। নলা-নৰ্দমা নোহোৱাত ৱাৰ্ডকেইটাত কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। এই ৱাৰ্ডৰ বাসিন্দাসকলে বহু বছৰ ধৰি কৃত্ৰিম বানপানীৰ সমস্যাৰ লগতে একাধিক সমস্যাৰ মাজত সহবাস কৰিবলগীয়া হৈছে। এক নম্বৰ ৱাৰ্ডৰ মনবৰ নাথ পথৰ উপ-পথ নম্বৰ-দুই, বিষ্ণু ৰাভা পথৰ উপ-পথ নম্বৰ-তিনি আৰু মোজামিল হক পথৰ উপ-পথ নম্বৰ-দুই নিৰ্মাণৰ ক্ষেত্ৰত পৌৰসভা বিফল হৈছে। মনবৰ নাথ পথ, বিষ্ণু ৰাভা পথ আৰু মোজামিল হক পথ, কুমাৰীপট্টি পথৰ দুয়োকাষে পকী নলা নিৰ্মাণৰ ক্ষেত্ৰত পৌৰসভা বিফল হৈছে বুলি ৰাইজে প্ৰকাশ কৰিছে। আনহাতে, দুই নম্বৰ ৱাৰ্ডৰ বাট-পথকেইটা নিৰ্মাণ হৈছে যদিও কেঁচা নলাবোৰৰ ঠাইত পকীনলা নিৰ্মাণৰ ক্ষেত্ৰত পৌৰসভা ব্যৰ্থ হৈছে। তিনি নম্বৰ ৱাৰ্ডটো একাধিক সমস্যাৰে ভাৰাক্ৰান্ত হৈ থকাত স্থানীয় বাসিন্দাসকলে চৰম জীয়াতু ভুগিবলগীয়া হৈছে। এই ৱাৰ্ডটোৰ বিবেকানন্দ পথ, বৰতলা পথৰ বাসিন্দাসকলৰ সুবিধাৰ্থে পকীনলা নিৰ্মাণ নকৰাত ৰাইজে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে। আনহাতে, চাৰি নম্বৰ ৱাৰ্ডৰ লক্ষ্মীনাথ বেজবৰুৱা পথ, হৰি চৌধুৰী পথ, বিবেকানন্দ পথৰ উপ-পথ নম্বৰ একৰ দুয়োকাষে পকীনলা নিৰ্মাণ নকৰাত পানী নিষ্কাসনৰ ক্ষেত্ৰত জটিলতাৰ সৃষ্টি হৈছে। আনহাতে পাঁচ নম্বৰ ৱাৰ্ডৰ ভূপেন হাজৰিকা পথ, পুষ্পলতা দাস পথ, ৰাধিকা প্ৰসাদ শইকীয়াৰ উপ-পথকেইটা নিৰ্মাণ নোহোৱাত ইয়াৰ বাসিন্দাসকলে যাতায়াতৰ ক্ষেত্ৰত চৰম জীয়াতু ভুগিবলগীয়া হৈছে। অভিযোগ অনুসৰি পাঁচ নম্বৰ ৱাৰ্ডৰ ভূপেন হাজৰিকা পথৰ এক নম্বৰ উপ-পথটো পৌৰসভাই নিৰ্মাণ কৰিছে যদিও বাকী ছটা উপ-পথ এতিয়ালৈকে নিৰ্মাণ কৰা নাই। ভূপেন হাজৰিকা পথৰ বাসিন্দাসকলৰ সুবিধাৰ্থে ইয়াত পকীনলা নিৰ্মাণ নোহোৱাত ৰাইজে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। কেঁচা নলাসমূহৰ দ্বাৰা পানী নিষ্কাসিত নহয় ফলত ইয়াৰ বাসিন্দাসকল আহুকালৰ সন্মুখীন হয়। আনহাতে, পুষ্পলতা দাস পথৰ উপ-পথকেইটা এতিয়ালৈকে নিৰ্মাণ হোৱা নাই। ইয়াত পকী নলা নিৰ্মাণৰ ক্ষেত্ৰত পৌৰসভাই ব্যৰ্থতা প্ৰদৰ্শন কৰিছে। ইয়াত পৌৰসভাৰ চাফ-চিকুণ তথা স্বচ্ছতাৰ ওলোটা ছবিহে দেখা গৈছে। সেইদৰে পাঁচ নম্বৰ ৱাৰ্ডৰ ৰাধিকা প্ৰসাদ শইকীয়া পথৰ উপ-পথকেইটা নিৰ্মাণৰ ক্ষেত্ৰত পৌৰসভাই যথোপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰিলে। ৰাধিকা প্ৰসাদ শইকীয়া পথৰ বাসিন্দাসকলৰ সুবিধাৰ্থে পকীনলা নিৰ্মাণ নোহোৱাত এজাক বৰষুণতে এই ৱাৰ্ডটো জলমগ্ন হৈ পৰে। বিগত কাৰ্যকালৰ বিজেপি নেতৃত্বাধীন পৌৰসভাই এই ৱাৰ্ডৰ বাট-পথ আৰু নলা-নৰ্দমা নিৰ্মাণৰ ক্ষেত্ৰত গুৰুত্ব দিয়া নাই বুলি পাঁচ নম্বৰ ৱাৰ্ডৰ বাসিন্দাসকলে অভিযোগ কৰাৰ লগতে তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰিছে। যাৰ ফলত এতিয়া নিৰ্বাচনী প্ৰচাৰৰ সময়ত শাসকীয় দলটোৰ প্ৰাৰ্থীসকলৰ লগতে বিজেপিৰ নেতা-কৰ্মীসকল ৰাইজৰ তীব্ৰ প্ৰশ্নবাণৰ সন্মুখীন হৈছে।

# উলাবড়ীত শিৱৰাত্ৰি

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৮ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত উলাবড়ী (মেধিতোলা)ৰ শ্ৰীশ্ৰী নাৰদ ওঁ শিৱমন্দিৰ প্ৰাংগণত পহিলা মাৰ্চত বাৰ্ষিক মহা শিৱৰাত্ৰি পূজা মহোৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ইতিমধ্যে গোবিন্দ মেধিক সভাপতি, কমল মেধিক সম্পাদক, দিপ মেধি, ডিম্পল মেধি আৰু ধনজিৎ মেধিক সহকাৰী সম্পাদকৰূপে লৈ পূজা পৰিচালনা সমিতি গঠন কৰিছে। কাৰ্যসূচী অনুসৰি দ্বাৰ উন্মোচন টোপধ্বনি, বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ, পঞ্চদশ বাৰ্ষিক উপলক্ষে ১৫খন পতাকা উত্তোলন, আয়তীৰ নাম পৰিৱেশন, দুপৰীয়া ভোগ বিতৰণ, সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব জলসিঞ্চন বিভাগৰ সহকাৰী কাৰ্যবাহী অভিযন্তা উজ্বল কুমাৰ ডেকা আৰু গাৰ্গীয় গ্ৰুপৰ মুখ্য প্ৰশাসনীয় বিষয়া ৰমেন কাকতীয়ে। সন্ধিয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠান শিল্পী গৌতম চক্ৰৱৰ্তী আৰু প্ৰণৱ মেধিয়ে নাগাৰা নাম পৰিৱেশন। উদ্বোধন কৰিব গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা অমল বৈশ্যই। নিশা শিৱ পূজা আৰম্ভ, হোমযজ্ঞ আৰু শান্তিপ্ৰদান কাৰ্যসূচী।

# মহাপুৰুষ শংকৰদেৱ কলা-কৃষ্টি গৱেষণা কেন্দ্ৰৰ নতুন সমিতি গঠন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৮ ফেব্ৰুৱাৰী ঃ** নগৰৰ মহাপুৰুষ শংকৰদেৱ কলা-কৃষ্টি গৱেষণা কেন্দ্ৰৰ ৩৪ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশন যোৱা ২৭ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয়। পুৱা ভৱ গোস্বামীৰ পতাকা উত্তোলন, ড° ৰাতুল চন্দ্ৰ বৰাই স্মৃতি তৰ্পণ কৰাৰ পাছতে নাম-প্ৰসংগ হয়। ড° অখিল চক্ৰৱৰ্তীয়ে উদ্বোধন কৰা আৰু ড° বসন্ত কুমাৰ গোস্বামীয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰা সাধাৰণ সভাত সভাপতিত্ব কৰে ভৱ গোস্বামীয়ে। প্ৰতাপ চন্দ্ৰ বৰুৱাই বিগত দুবছৰত কৰা কাম-কাজৰ খতিয়ানৰ লগতে আয়-ব্যয়ৰ হিচাপ দাখিল কৰা সাধাৰণ সভাত আগন্তুক দুবছৰ মহাপুৰুষ শংকৰদেৱ কলা-কৃষ্টি গৱেষণা কেন্দ্ৰ, অসম যোৰহাট পৰিচালনাৰ বাবে গিৰীশ চন্দ্ৰ বৰদলৈক সভাপতি, ড° বিপিন খণ্ডীয়াক উপ-সভাপতি, দীপাঞ্জলি ভৰালী বৰাক সম্পাদক, নাৰায়ণ হাজৰিকা, বন্তি মহন্তক যুটীয়া সম্পাদক, প্ৰবীণ হাজৰিকাক কোষাধ্যক্ষৰূপে লৈ ২১ জনীয়াকৈ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। উল্লেখ্য যে ১৯৭১ৰ ১০ ছেপ্টেম্বৰত প্ৰতিষ্ঠা কৰা অনুষ্ঠানটোৰ সম্পাদকৰূপে দীপাঞ্জলি ভৰালী বৰাই ৫০টাৰ ভিতৰত ৩১ টা ভোট লাভ কৰি অনুষ্ঠানৰ প্ৰথম মহিলা সম্পাদকৰূপে নিৰ্বাচিত হৈছে। আগন্তুক দুবছৰীয়া কাৰ্যকালৰ সমিতিখনৰ উপদেষ্টাৰূপে ভৱ গোস্বামী, নৰেন্দ্ৰ নাথ দত্ত, অতুল বৰদলৈ উপদেষ্টাৰূপে সাধাৰণ সভাত নিৰ্বাচিত হৈছে। ২০১৯-২১ত অনুষ্ঠানটোৰ আজীৱন সভ্য পদ লাভ কৰা সকলক মানপত্ৰ প্ৰদানৰ পাছতে বন্তি প্ৰজ্বলনেৰে ৩৪ সংখ্যক অধিবেশনৰ সামৰণি পৰে। সাধাৰণ সভাত ভালেকেইটা প্ৰস্তাৱৰ লগতে সিদ্ধান্ত কৰা হয়।

# সমাজকৰ্মী আব্দুল ছামাদৰ বিয়োগত শোক

অগ্ৰদূত বাৰ্তা

**চাপৰ, ২৮ ফেব্ৰুৱাৰী ঃ** অসম আন্দোলনৰ নেতা, বিশিষ্ট সমাজকৰ্মী, অসম জাতীয় পৰিষদৰ ধুবুৰী জিলাৰ মুখ্য আহ্বায়ক আব্দুল ছামাদ (৭৪) আৰু নাই। কালি সন্ধিয়া প্ৰায় ৬-৩০ বজাত তেওঁৰ চাপৰ চহৰৰ কাজিপাৰাস্থিত নিজা বাসগৃহত হৃদক্ৰিয়া বন্ধ হৈ বিয়োগ ঘটে। উল্লেখ্য যে যোৱা কিছুদিন ধৰি তেওঁ অসুস্থতাত ভুগি আছিল। ১৯৪৮ ত জন্মগ্ৰহণ কৰা আব্দুল ছামাদে ওপজা ঠাই চাপৰতে প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিকলৈ শিক্ষা গ্ৰহণ কৰাৰ পাছত গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী অৰ্জন কৰে। ছাত্ৰাৱস্থাৰ পৰাই সামাজিক কামত আগভাগ লোৱা আব্দুল ছামাদে ৭০ দশকৰ খাদ্য আন্দোলন আৰু মাধ্যম আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত ঐতিহাসিক অসম আন্দোলনৰ সময়ছোৱাত নামনি অসম তথা অবিভক্ত গোৱালপাৰা জিলাত আন্দোলনৰ গুৰি ধৰি সবল নেতৃত্ব আগবঢ়াইছিল। পাছত অসম গণ পৰিষদৰ জন্মলগ্নৰ সময়তে দলটোৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰি নামনি অসমত দলৰ সাংগঠনিক স্থিতি মজবুত কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ ১৯৮৯ত গঠন হোৱা চাপৰ নগৰ সমিতি (বৰ্তমানৰ পৌৰসভা)ৰ প্ৰথমখন ব'ৰ্ডৰ এজন সদস্য আছিল। তেওঁৰ মৃত্যুত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, মুখপাত্ৰ জিয়াউৰ ৰহমান, প্ৰাক্তন সাংসদ আব্দুল হামিদ, প্ৰাক্তন বিধায়ক প্ৰশান্ত কুমাৰ বৰুৱা, চাপৰ প্ৰেছ ক্লাব, গদাধৰ ধুবুৰী জিলা কবি চক্ৰৰ সম্পাদক অহিদ খান পেৰিছ, কাজিপাৰা সমাজৰ সভাপতি পিয়াৰউদ্দিন আহমেদ, সম্পাদক বদিউৰ জামান, এজেপি নেতা ছুৰত আলী শ্বেইখ, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক হেৰম্ব কলিতা, ধুবুৰী জিলা সাহিত্য সভাৰ মুখপাত্ৰ তিলক চন্দ্ৰ প্ৰসাদ, চাপৰ আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল-সংগঠন তথা অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

# হাজোৰ নকুছিত অৰ্ধগলিত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**হাজো, ২৮ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত নকুছিত কালি সন্ধিয়া এটি অৰ্ধগলিত মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াই বিৰাজ কৰিছে। উদ্ধাৰ হোৱা মৃতদেহটো হাজোৰ নকুছিৰ প্ৰতুল শৰ্মা(৫০)ৰ। উল্লেখ্য যে যোৱা ছয় ফেব্ৰুৱাৰীৰ দিনাখন নিজ ঘৰৰ পৰা ওলাই গৈছিল প্ৰতুল শৰ্মা নামৰ লোকজনে। বিগত ২১ দিন ধৰি লোকজন সন্ধানহীন হৈ আছিল। কালি নকুছিৰ এটি পুখুৰীৰ মেটেকাৰ মাজত উদ্ধাৰ হয় অৰ্ধগলিত শৰ্মাৰ মৃতদেহ। পৰিয়ালৰ লোকে শৰ্মাক কোনো দুৰ্বৃত্তই হত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰিছে।

# ছয়গাঁৱত চোৰাং চাউলসহ ট্ৰাক জব্দ ঃ ধৃত দুই



**ছয়গাঁও, ২৮ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত গৰৈমাৰীৰ পুখুৰীপাৰত কালি পুৱতি নিশা ছয়গাঁও আৰক্ষীয়ে অভিযান চলাই অবৈধভাৱে লৈ অহা চাউলসহ এখন ট্ৰাক জব্দ। অৱশ্যে আৰক্ষীয়ে গাড়ীৰ পৰা পলাবলৈ চেষ্টা কৰা চালক আৰু হেন্দিমেনক খেদি খেদি গ্ৰেপ্তাৰ কৰে। ধৃত লোক দুজনৰ নাম বীৰেন্দ্ৰৰ সিং আৰু বিশাল কুমাৰ। দুয়োৰে ঘৰ বিহাৰৰ চিবাং জিলাত বুলি আৰক্ষীয়ে উল্লেখ কৰিছে। জানিব পৰামতে নিশা গৰৈমাৰীৰ পুখুৰীপাৰৰ পৰা চোৰাং চাউল কঢ়িওৱা এএছ ০১ জিচি ৯৩৭৮ নম্বৰৰ ট্ৰাকখনে ছয়গাঁও গুমি পথেৰে গুৱাহাটী অভিমুখে গৈ থাকোতে ট্ৰাকখনৰ পৰা ৫০০ বেগ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ চাউল উদ্ধাৰ কৰে। ছয়গাঁও আৰক্ষীয়ে এই মূহুৰ্তলৈকে তদন্ত অব্যাহত ৰাখিছে। অৱশ্যে চাউলখিনি ভাৰতীয় খাদ্য নিগমৰ চাউল বুলি ঠাৱৰ কৰা হৈছে । কোনো লোকে চাউলখিনি অবৈধভাৱে মজুত কৰি ভাৰতীয় খাদ্য নিগমৰ বস্তাত ভৰাই বিক্ৰীৰ বাবে আন ঠাইলৈ লৈ যোৱাৰ বাবে যো-জা চলোৱাৰ সময়তে আৰক্ষীৰ হাতত ধৰা পৰে।

# মহুৰামুখ বংকোৱালত চিত্ৰকলা বিদ্যালয় মুকলি

**খুমটাই, ২৮ ফেব্ৰুৱাৰী ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত মহুৰামুখৰ বংকুৱালত যোৱা ২৭ ফেব্ৰুৱাৰীত বংকুৱাল চিত্ৰকলা বিদ্যালয় নামেৰে এখন চিত্ৰকলা বিদ্যালয় বৃহত্তৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে মুকলি কৰা হয়। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মহুৰা আঞ্চলিক শাখাৰ সভাপতি অজিত মৰাঙে বিদ্যালয়ৰ দ্বাৰ উদ্বোধন কৰে। উল্লেখ্য যে তাজন কুটুম মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কনকধন বড়িয়ে সভাপতিত্ব কৰা সভাত উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ প্ৰতিষ্ঠাপক তথা কবি জয়ন্ত মাধৱ মৰাঙে। মেলামৰা মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক ড° দুৰ্লভ বৰি, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰূপেশ্বৰ মৰাং, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বসিৰাম লইং, কবি নাট্যকাৰ পলাশ লইং, আৰণ্যকৰ মধ্য অসম মণ্ডলৰ সমন্বয়ক তথা প্ৰৱন্ধক আৰিফ হুছেইন, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দণ্ডিৰাম মৰাং আদি উপস্থিত থাকে। চিত্ৰকলা বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সদস্য ইভান লইঙে আঁত ধৰা অনুষ্ঠানত চিত্ৰকলা বিদ্যালয় আৰু প্ৰকৃতিপ্ৰেমী সংগঠন আৰণ্যকৰ যৌথ উদ্যোগত নিকৰি শাখা হিচাপে দুটা শাখাত ভাগ কৰি এখন চিত্ৰাংকন প্ৰতিযোগিতা নিজ নিজ বিদ্যালয়ত আয়োজন কৰি উদ্বোধনৰ শুভক্ষণত মানপত্ৰ, আৰণ্যকৰ প্ৰকৃতি বিষয়ক পুস্তিকা আৰু চিত্ৰাংকনৰ বিভিন্ন সামগ্ৰী বিতৰণ কৰা হয়। 'ষ্টুডেণ্টছ এম্পৰিয়ামৰ স্বত্বাধিকাৰ সমাজকৰ্মী জয়ন্ত মাধৱ মৰাঙে প্ৰথম স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক কিতাপৰ টোপোলা আৰু শৈক্ষিক সামগ্ৰী দি অংশগ্ৰহণকাৰীসকলক উৎসাহিত কৰে।

# ইউক্ৰেইনক আক্ৰমণৰ প্ৰতিবাদ তেজপুৰত



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইনৰ ওপৰত একপক্ষীয়ভাৱে ৰাছিয়াৰ সামৰিক অভিযান চলোৱাৰ বিৰুদ্ধে তেজপুৰতো কালি প্ৰতিবাদ সাব্যস্ত কৰে এছইউচিআই (কমিউনিষ্ট) দলে। কালি বিয়লি পৰোৱা চাৰিআলিৰ বজাৰৰ সমীপত দলটোৰ কৰ্মী-সমৰ্থকসকলে হাতে হাতে প্লেকাৰ্ড, ফেষ্টুন লৈ যুদ্ধ বিৰোধী ধ্বনি দিয়ে। 'ইউক্ৰেইনৰ ওপৰত ৰাছিয়াৰ সেনা অভিযান বন্ধ কৰা, আমেৰিকান যুদ্ধ জোঁট নাটো ভংগ কৰা, যুদ্ধ নহয় শান্তি লাগে, যুদ্ধৰ বিৰুদ্ধে জংগী সাম্ৰাজ্যবাদ বিৰোধী আন্দোলন গঢ়ি তোলক' আদি ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। পাছত এক প্ৰতিবাদী সভাত দলৰ শোণিতপুৰ জিলা কমিটীৰ সম্পাদক অজয় আচাৰ্যই কয় যে ইউক্ৰেইনৰ ওপৰত ৰাছিয়াৰ এই আক্ৰমণ আচলতে সাম্ৰাজ্যবাদী শক্তি যুদ্ধবাজ আমেৰিকাৰ নেতৃত্বাধীন নাটোৰ বাবেই হৈছে। নাটোৱে পূৱ ইউৰোপত নিজৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ চেষ্টা চলোৱাক লৈ প্ৰতিপক্ষ হিচাপে ইউক্ৰেইনক ৰাছিয়াই নিয়ন্ত্ৰণত ৰখাৰ প্ৰতিযোগিতাৰ পৰিণাম এই আক্ৰমণ। তেওঁ কয় যে সাম্ৰাজ্যবাদী এই দুই শক্তিৰ অশুভ প্ৰতিযোগিতাৰ ফল ভুগিবলগীয়া হৈছে প্ৰত্যক্ষভাৱে সংশ্লিষ্ট দুই দেশৰ সাধাৰণ জনতাই। তেওঁ আৰু কয় যে তীব্ৰ বজাৰ সংকটত নিমজ্জিত বিশ্বপুঁজিবাদ-সাম্ৰাজ্যবাদে আজি জনসাধাৰণৰ দৃষ্টি জনজীৱনৰ মৌলিক সমস্যাৰ পৰা অইনফালে মূৰাই দিয়াৰ কাৰণে যুদ্ধ পৰিস্থিতিৰ জন্ম দিয়ে। পুঁজিবাদ-সাম্ৰাজ্যবাদৰ এই চক্ৰান্তৰ বিৰুদ্ধে থিয় দিবলৈ তেওঁ সকলোকে আহ্বান জনায়।

# গ্ৰন্থৰে বিপথগামীক সঠিক পথলৈ আনিব পাৰি

■ নলবাৰী জিলা লেখক সভাৰ ৰূপালী জয়ন্তীৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৮ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলা লেখক সভাৰ ৰূপালী জয়ন্তীৰ কালি সামৰনি পৰে। কাৰ্যসূচী অনুসৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতাৰে কাৰ্যসূচীৰ আৰম্ভ হয়। ৯ বজাত স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান উদ্বোধন কৰে নলবাৰী উন্নয়ন প্ৰাধীকৰণৰ অধ্যক্ষ বনদ্বীপ ডেকাই। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে সমাজকৰ্মী গায়ত্ৰী দাসে। শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকাই। স্মৃতিচাৰণ কৰে সাহিত্যিক অশ্বিনী কুমাৰ শৰ্মা আৰু লেখক সভাৰ উপদেষ্টা ৰমাকান্ত পাঠকে। লেখক সভাৰ সদস্য-সদস্যাসকলৰ মাজত আয়োজিত কবিতা আবৃত্তি প্ৰতিযোগিতা উদ্বোধন কৰে বিশিষ্ট কবি ডঃ বিনয় কুমাৰ মজুমদাৰে আৰু সঞ্চালনা কৰে লেখক সভাৰ প্ৰকাশন সচিব উমেশ শৰ্মাই।ৰৰ্‌-ভ্ম বজাত লেখক সভাৰ সদস্যাৰ দ্বাৰা দিহানাম অনুষ্ঠিত হয়। আবেলি লেখক সভাৰ ৰফিউল হুছেইন বৰুৱাৰ সভাপতিত্বত আৰু সাধাৰণ সম্পাদক বিজয় বৰুৱাই আঁত ধৰা মুকলি আৰু বটাঁ বিতৰণী সভা উদ্বোধন কৰে অধিবক্তা দিলীপ কুমাৰ চৌধুৰীয়ে। সভা উদ্বোধন কৰি তেওঁ কয় যে অসমীয়া ভাষা আনে গ্ৰাস কৰিছে। অসমীয়াই ইংৰাজী মাধ্যমক অধিক আদৰাৰ বাবে অসমীয়া ভাষা তললৈ গৈছে। চৰকাৰী বা মাতৃভাষাৰ বিদ্যালয়ত নপঢ়াই নিজৰ ভাষাটো অৱনমিত কৰা হৈছে বুলি দোহাৰে। আদৰণি ভাষনত উদযাপন সমিতিৰ সভাপতি গণেশ তামুলী কয় যে শিক্ষা আৰু জ্ঞান দুটা পৃথক বস্তু। শিক্ষাৰ মূল্য থাকে সংস্কাৰত। গ্ৰন্থ লেখনিৰে বিপথগামী সকল সঠিক পথলৈ লৈ আহে বুলিও তেওঁ দোহাৰে। নিৰ্দিষ্ট বক্তাৰ ভাষনত জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই কয় 'মোৰ ভাষা মোৰ বাবে ভগৱান ।মাতৃভাষাৰ জ্ঞানৰ আলোক শতসূৰ্যৰ দৰে। যাৰ স্থান পৃথিৱীৰ আন ভাষাই লব নোৱাৰে। লেখক সকল ঈশ্বৰৰ সন্তান। তেওঁলোকৰ কৰ্ম আৰু সৃষ্টি সমাজে অনুকৰণ কৰে।' সমাজসেৱী বিদ্যা তামুলীয়ে বৰগীত



পৰিৱেশন কৰে। সভাত লেখক সভাৰ স্মৃতিগ্ৰন্থ 'লেখনি' আৰু অনুপমা পাঠক মজুমদাৰৰ কবিতা পুথি 'সপোনৰ ডেউকা' অৰ্চনা ঠাকুৰীয়াৰ প্ৰবন্ধপুথি 'শ্ৰমিকৰ স্বপ্নৰ কাৰেং' উন্মোচন কৰে প্ৰবক্তা মনোজ কলিতাই। আবেলি বন্তি প্ৰজ্বলন কৰে পূৱ নলবাৰী আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী কল্পনা কলিতা, অভিনেতা নৱ শৰ্মাৰ উপৰি ভালেকেইখন বিশিষ্ট ব্যক্তিয়ে।

# গছ পুলি ৰোপণৰ বাৰ্তাৰে কণ কণ শিক্ষাৰ্থীৰ শোভাযাত্ৰা

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু গছপুলি ৰোপণৰ ইতিবাচক বাৰ্তাৰে গহপুৰৰ এখন প্ৰাথমিক বিদ্যালয়ে গ্ৰহণ কৰিলে বিশেষ পদক্ষেপ। প্ৰতি বছৰেই চেঁচা নদীৰ বাঢ়নী পানীৰ কবলত পৰি অহা গহপুৰ মহকুমাৰ ছয়দুৱাৰ প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত চেঁচা ক্লাষ্টাৰৰ অধীনৰ বশিষ্ঠপুৰ প্ৰাথমিক বিদ্যালয়ত পৰহি জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ বিষয়ত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বশিষ্ঠপুৰ প্ৰাথমিক বিদ্যালয় প্ৰধান শিক্ষক সমীৰ ৰঞ্জন দাসৰ তত্ত্বাৱধানত বিদ্যালয়খনৰ যুথ আৰু ইক' ক্লাবৰ উদ্যোগত ৰাইজৰ মাজত জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ সন্দৰ্ভত সজাগতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা হয়। বিদ্যালয়খনৰ কণ কণ শিক্ষাৰ্থীসকলে মাতৃগোট, পৰিচালনা সমিতিৰ বিষয়ববীয়া তথা সদস্যসকলৰ সহযোগত গছপুলি ৰোপণৰ বাৰ্তাৰে এক সজাগতামূলক শোভাযাত্ৰা উলিয়াই এই ক্ষেত্ৰত জনজাগৰণৰ প্ৰয়াস কৰে। ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলে সজাগতামূলক গীত-নৃত্য আদি পৰিৱেশন কৰে। অনুষ্ঠানটোত ছয়দুৱাৰৰ খণ্ড প্ৰাথমিক শিক্ষক বিষয়া হোমেশ্বৰ কেওট, খণ্ড সমল সমন্বয়ক দেৱজিৎ কাকতি, মণ্ডল সমল সমন্বয়ক ক্ৰমে জগদীশ দেউৰী আৰু বিপ্লৱ ভূঞাৰ লগতে একাধিক স্থানীয় ব্যক্তি উপস্থিত থাকে।

# টীয়ক প্ৰেছ ক্লাবত ধপাত নিয়ন্ত্ৰণৰ এদিনীয়া প্ৰশিক্ষণ



অগ্ৰদূত বাৰ্তা

**জাঁজী/টীয়ক, ২৮ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় ধপাত নিয়ন্ত্ৰণ কোষ যোৰহাট জিলাৰ উদ্যোগত টীয়ক গাঁওবুঢ়া ভৱনত আজি টীয়ক প্ৰেছ ক্লাবৰ সাংবাদিকসকলৰ মাজত ধপাত নিয়ন্ত্ৰণৰ এদিনীয়া এক প্ৰশিক্ষণ অনুষ্ঠিত হয়। প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তিৰূপে উপস্থিত থাকে সদৌ যোৰহাট জিলা সাংবাদিক সন্থাৰ সভাপতি তথা সমল ব্যক্তি যোগেশ ওজা। যোৰহাট জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ তথ্য সংগ্ৰাহক প্ৰশীল কুমাৰ বৰাই আঁতধৰা অনুষ্ঠানত টীয়ক প্ৰেছ ক্লাবৰ সদস্যসকলৰ চিনাকি পৰ্ব দাঙি ধৰে প্ৰেছ ক্লাবৰ সম্পাদক দিগন্ত হাজৰিকাই। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে যোৰহাট জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ ড° ভক্তিময় ভট্টাচাৰ্য, মনোবিজ্ঞানী জ্যোতি শইকীয়া। উক্ত কাৰ্যসূচীত মনোবিজ্ঞানী জ্যোতি শইকীয়াই বৰ্তমান সময়ত ধপাত সেৱনৰ ফলত হ'ব পৰা ৰোগৰ সন্দৰ্ভত আলোকপাত কৰি সকলো ব্যক্তিকে ধপাত জাতীয় সামগ্ৰী সেৱনৰ পৰা আঁতৰত থাকিবলৈ আহ্বান জনায়। লগতে তেওঁ উল্লেখ কৰে যে সংবাদ মাধ্যমৰ ব্যক্তিসকল ধপাত নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সজাগ আৰু সচেতন হ'লে চৰকাৰৰ এই ব্যয় বহুল আঁচনিখন অধিক সাফল্যমণ্ডিত হোৱাৰ আশা আছে। ড° জ্যোতিময় ভট্টাচাৰ্যই নৱ প্ৰজন্মক ধপাত মুক্ত কৰা আহ্বান জনায়। লক্ষণসমূহ দাঙি ধৰি ধপাতৰ লগতে ৰাগিয়াল বস্তু সেৱনৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়।

# জামুগুৰিহাটত জলযাত্ৰা



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৮ ফেব্ৰুৱাৰী ঃ** কাইলৈ শিৱ চতুৰ্দশী উপলক্ষে জামুগুৰিহাটত আজি মহিলা-যুৱতীৰ দ্বাৰা ডেকা সুন্দৰ নামঘৰৰ পৰা জামুগুৰি সাৰ্বজনীন শিৱ মন্দিৰলৈ ভৰলী নৈৰ পানী লৈ জলযাত্ৰা কৰে। জামুগুৰি সাৰ্বজনীন শিৱ মন্দিৰৰ প্ৰতিষ্ঠা দিৱস আৰু শিৱৰাত্ৰি উদ্‌যাপনৰ লগত সংগতি ৰাখি উলিওৱা জলযাত্ৰাত ১৫১গৰাকী মহিলা-যুৱতীয়ে অংশগ্ৰহণ কৰে। ১৯৮৬ত স্থাপিত জামুগুৰি সাৰ্বজনীন শিৱ মন্দিৰৰ শিৱ লিংগ এই জলৰে স্নান কৰাই বস্ত্ৰ পৰিধান কৰাই কাইলৈ বহুকেইটা কাৰ্যসূচীৰে শিৱৰাত্ৰি পালন কৰা হ'ব এই শিৱ মন্দিৰত। উল্লেখ্য যে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে উপাসনাৰ মূল কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰা তথা ভক্তৰ সমাগমৰ প্ৰতি লক্ষ্য ৰাখি বিগত বৰ্ষত মন্দিৰভাগ পুনৰ নিৰ্মাণ কৰি পুনৰ প্ৰতিষ্ঠা কৰা হৈছিল।

# পূব যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ অভিনন্দন অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**জাঁজী, ২৮ ফেব্ৰুৱাৰী ঃ** পূব যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত কালি পূব যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ এখন অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। ললিত গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাখন উদ্বোধন কৰে জ্যেষ্ঠ শিক্ষক বিদ্যাধৰ হাজৰিকাই। উক্ত সভাত যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ত্ৰিদীপ বৰুৱা আৰু সম্পাদক অনুপম গগৈৰ লগতে মৰিয়নি বিধানসভা সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীকো সম্বৰ্ধনা জনোৱা হয়। প্ৰাথমিক খণ্ড শিক্ষক সন্মিলনীৰ শিক্ষকসকলৰ বিভিন্ন দাবী সম্বলিত এখন স্মাৰকপত্ৰ মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীক প্ৰদান কৰা হয়। উক্ত সভাত টীয়ক সমষ্টিৰ বিধায়িকা ৰেণুপমা ৰাজখোৱাকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ তৰফৰ পৰা পূব যোৰহাট খণ্ডৰ তৃতীয়বৰ্গ কৰ্মচাৰীৰ অভাৱ পূৰণকে ধৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ পদ সৃষ্টি, স্নাতক শিক্ষকৰ গ্ৰেড পে প্ৰদান আদি একাধিক বিষয় বিধানসভাৰ মজিয়াত চৰকাৰৰ দৃষ্টিগোচৰ কৰাবলৈ বিধায়কদ্বয়ক স্মাৰকপত্ৰ প্ৰদান কৰে। বিধায়কদ্বয়ে শিক্ষক সংগঠনটোক উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সকলোখিনি কাম-কাজ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। উক্ত অনুষ্ঠানত যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ মুখ্য উপদেষ্টা প্ৰাঞ্জল বৰা আৰু হাইস্কুল শিক্ষক সন্থাৰ যোৰহাট জিলাৰ সম্পাদক ৰাতুল গগৈ উপস্থিত থাকে।

# বাঁহগড়া-গণেশকুঁৱৰী জনজাতি উঃ মাঃ বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন সম্পন্ন

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ২৮ ফেব্ৰুৱাৰী ঃ** বাঁহগড়া-গণেশকুঁৱৰী জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ৫০ বৰ্ষ অতিক্ৰম কৰিলে। এই বৰ্ষপূৰ্তি উপলক্ষে সোণালী জয়ন্তী উদ্‌যাপনৰ প্ৰাক্‌ক্ষণত সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ উদ্যোগত শিক্ষক-কৰ্মচাৰী, ন-পুৰণি ছাত্ৰ-ছাত্ৰী তথা স্থানীয় ৰাইজৰ সহযোগত কালি বিদ্যালয়খনত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন অনুষ্ঠিত হয়। অৱসৰপ্ৰাপ্ত শিক্ষক হৰকান্ত ৰাজবংশীয়ে সঞ্চালনা কৰা নৃত্য-গীতেৰে মুখৰিত এই সন্মিলনত প্ৰাক্তন ছাত্ৰ তথা বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰীসকলে নিজৰ অনুভৱ ব্যক্ত কৰাৰ লগতে আগন্তুক সোণালী জয়ন্তী উদ্‌যাপনৰ প্ৰতিটো অনুষ্ঠানতে অঞ্চলটোৰ ৰাইজ আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতা কামনা কৰে। উক্ত সন্মিলনত বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ মাজতে বিদ্যালয়খনৰ কে'বাগৰাকীও প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা জীৱনৰ অনন্য অনুভৱ ব্যক্ত কৰে।

# যোৰহাটৰ পৌৰ অঞ্চলৰ উন্নয়নৰ বাবে অভিলাষী পদক্ষেপ জিলা বিজেপিৰ

## ■ নগৰৰ উন্নয়ন ত্বৰান্বিত কৰাৰ স্বাৰ্থত বিজেপিক ভোট দিয়ক ঃ কলিতা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৮ ফেব্ৰুৱাৰী ঃ** 'নগৰৰ উন্নয়ন ত্বৰান্বিত কৰিবলৈ হ'লে বিজেপিক ভোট দিয়াৰ বিকল্প নাই। কাৰণ, কেন্দ্ৰ আৰু ৰাজ্যত বিজেপিৰ চৰকাৰ আছে। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা অবিহনে পৌৰসভাই কোনো কাম কৰিব নোৱাৰ্দ্দৰ। সেয়ে সমাগত পৌৰসভা নিৰ্বাচনত নগৰসমূহৰ কৰদাতা ৰাইজে বিজেপিক ভোট দিয়া উচিত।' এই মন্তব্য যোৰহাট জিলা বিজেপি সভাপতি তথা প্ৰাক্তন বিধায়ক হেমন্ত কলিতাৰ। আজি যোৰহাট প্ৰেছ ক্লাবত অনুষ্ঠিত এখন সংবাদমেলত বিজেপিৰ জিলা সভাপতি কলিতাই পুনৰ কয় যে যোৰহাট, টীয়ক, তিতাবৰ আৰু মৰিয়নি পৌৰসভা বিজেপি মিত্ৰজোঁটে গঠন কৰাটো নিশ্চিত। যোৰহাট জিলাৰ প্ৰতিটো নগৰ অঞ্চলৰ উন্নয়নৰ বাবে মাষ্টাৰপ্লেন গ্ৰহণ কৰি আগুৱাই নিয়া হ'ব বুলি উল্লেখ কৰি কলিতাই কয়, 'পৰিকল্পিত ৰূপত পৌৰসভাখন আগুৱাই নিয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে সদায় গুৰুত্ব দি আহিছে।' তেওঁ কয় যে যোৰহাটবাসীক বিশুদ্ধ খোৱাপানী যোগান, কৃত্ৰিম বানপানী সমস্যাৰ সমাধান, নগৰ পৰ্যটন বিকাশ, সুপৰিকল্পিত পদপথ, মহিলাৰ জিৰণি কোঠা, কৰ্মৰত মহিলাৰ বাবে হোষ্টেল, ক্লক টাৱাৰ, আওপুৰণি বজাৰ গৃহ নতুন কৰা, ঐতিহ্যপূৰ্ণ অনুষ্ঠান ৰক্ষণাবেক্ষণ, আমাৰ ভূমি আমাৰ স্বত্ব নীতিৰে ভূমি প্ৰদান, চি চি টিভি কেমেৰা সংস্থাপনৰ জৰিয়তে সুৰক্ষা, উন্নত মানৰ ষ্টেডিয়াম, বৃক্ষৰোপণ, প্লাষ্টিক ব্যৱহাৰ নিৰ্মূল কৰা হ'ব। তদুপৰি যোৰহাট নগৰখনক প্ৰথম শ্ৰেণীৰ নগৰৰূপে গঢ়ি তোলা আৰু ঐতিহাসিক যোৰহাটৰ বি বি বৰুৱা হল উন্নীতকৰণ কৰা হ'ব বুলিও কয়। ইফালে, তিতাবৰ আৰু মৰিয়নিত একোখনকৈ উৰণীয়া সেতু, মাটিৰ পট্টা প্ৰদান, কৃত্ৰিম বানপানী সমস্যাৰ সমাধান কৰাৰ লগতে টীয়কত ৰাজহুৱা প্ৰেক্ষাগৃহ আৰু চাৰি শাৰীযুক্ত আধৰুৱা কাম সম্পূৰ্ণ কৰি জল নিষ্কাসন কৰা হ'ব বুলিও জিলা সভাপতি কলিতাই কয়।

# গোগামুখত ট্ৰাকসহ ধৃত তিনি চোৰ ঃ চুৰি সামগ্ৰী উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** গোগামুখ থানাৰ আৰক্ষীয়ে তিনিজন গভাইত চোৰ গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে চোৰকেইজনৰ লগতে এখন ট্ৰাকত চুৰি সামগ্ৰী উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা সামগ্ৰীসমূহৰ মূল্য দুই লাখৰো অধিক হ'ব। ইতিমধ্যে জেললৈ প্ৰেৰণ কৰা ধৃত চোৰকেইজন হ'ল ছফিকুল ইছলাম, তাহেৰ আলী, চাহেব আলী।

# ভাওৰাগুৰিৰ দুই নম্বৰ সাতবিলত সন্ধানহীন আয়ুব

অগ্ৰদূত বাৰ্তা

**দোতমা, ২৮ ফেব্ৰুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও থানাৰ অন্তৰ্গত দুই নম্বৰ সাতবিল গাঁৱৰ বাসিন্দা আয়ুব আলী (৩৫) যোৱা ২৬ ফেব্ৰুৱাৰীৰ দুপৰীয়া ঘৰৰ পৰা ওলাই যোৱাৰ পাছৰে পৰা আজিলৈকে ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোকসকল চিন্তিত হৈছে। পৰিয়ালৰ লোকসকলে আত্মীয়-স্বজন, বন্ধু, বান্ধৱৰ ঘৰৰ লগতে বিভিন্ন ঠাইত বিচাৰ-খোচাৰ কৰে যদিও কোনো শুংসূত্ৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই। কোনো লোকে সন্ধান পালে ৯৯৫৭৬৪৩৯৮৫ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে অনুৰোধ জনাইছে।

# মৰাণত মহিলাৰ ঋতুস্ৰাৱ পৰিচ্ছন্নতাৰ সন্দৰ্ভত সজাগতা শিবিৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৮ ফেব্ৰুৱাৰী ঃ** যোৱা ২৬ ফেব্ৰুৱাৰীত মৰাণ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত জেচিআই মৰাণ অসম ৰয়েলছৰ উদ্যোগত মহিলাৰ ঋতুস্ৰাৱ পৰিচ্ছন্নতাৰ সন্দৰ্ভত এটি সজাগতা শিবিৰ অনুষ্ঠিত হয়। শিবিৰত সংগঠনটোৰ বিষয়ববীয়া ক্ৰমে নন্দিনী পাছাৰী, ৰোশনী টোডী খাকলীয়া, কোমল আগৰৱালাৰ লগতে বহুকেইগৰাকী মহিলাই ভাগ লয়। ৯০ গৰাকী ছাত্ৰীয়ে ভাগ লোৱা শিবিৰটোত সংগঠনটোৰ ফালৰ পৰা ছাত্ৰীসকলক ঋতুস্ৰাৱৰ সময়ত ল'ব লগা সাৱধানতা আৰু পালন কৰিব লগা কামবিলাকৰ বিষয়ে অৱগত কৰে। অংশগ্ৰহণকাৰী ছাত্ৰীসকলক চেনীটেৰী নেপকিন বিতৰণ কৰা হয়।

# নলবাৰীৰ বালিকুছিত আজিৰে পৰা শিৱৰাত্ৰি পূজা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৮ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বালিকুছি শিৱ মন্দিৰ প্ৰাংগণত কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে শিৱৰাত্ৰি পূজা অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি কাইলৈ ধৰ্মধ্বজা উত্তোলনেৰে পূজা পৰিচালনা সমিতিৰ সভাপতি গিৰেন দাসে কাৰ্যসূচী মুকলি কৰিব। ইয়াৰ পাছত গছপুলি ৰোপণ কৰিব জ্যেষ্ঠ নাগৰিক লক্ষী দাসে। সামূহিক চাফাইৰ পাছত শিৱ পুৰাণ পাঠ কৰিব সৰস্বতী ৰাজবংশীয়ে। পাছত বালিকুছি নামতি দলৰ আয়তীৰ নাম। ইয়াৰ পাছত প্ৰসাদ বিতৰণ, ভোগ বিতৰণ আৰু শিৱৰাত্ৰি পূজা। দুই মাৰ্চত সামূহিক চাফাইৰ পাছত খেল-ধেমালি প্ৰতিযোগিতাৰ উপৰি বিবাহিত আৰু অবিবাহিতসকলৰ মাজত ৰছী টনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন, টোপধ্বনি, নাগাৰা নাম প্ৰদৰ্শন মুকলি কৰিব অসম গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰবন্ধক চন্দন তালুকদাৰে। অনুষ্ঠানত বিশিষ্ট নাগাৰা নামৰ শিল্পী বৈজয়ন্তী তালুকদাৰ আৰু সংগীতা ডেকাই নাগাৰা নাম প্ৰদৰ্শন কৰিব। দুয়োদিনৰ কাৰ্যসূচীত সকলো ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহযোগিতা উদ্যোক্তাসকলে কামনা কৰিছে।

# পৌৰসভা গঠনৰ বাবে বিজেপিক সুযোগ দিবলৈ ৰাইজক আহ্বান বৰপেটা নেতৃত্বৰ

বিশেষ সংবাদদাতা

**বৰপেটা, ২৮ ফেব্ৰুৱাৰী ঃ** সত্ৰনগৰী বৰপেটাত হাবি গুচি ফুলনি হ'ব, দ ঠাইবোৰ পুতি ওখ কৰি তোলা হ'ব। বৰপেটাৰ চৌদিশে উন্নয়নৰ ধল বোৱাই বৰপেটা পৌৰসভাক এখন উন্নত পৌৰসভাৰূপে গঢ় দিয়াৰ বাবে সত্ৰনগৰী বৰপেটাত পদুম ফুলাবলৈ তৎপৰ বিজেপি নেতৃত্ব। বৰপেটাক লৈ বিজেপি নেতৃত্বই দেখা সপোন আৰু সত্ৰনগৰী বৰপেটাক লৈ বিজেপিয়ে সংকল্প পত্ৰত উল্লেখ কৰা বিষয়সমূহক লৈ আজি বৰপেটাত বিজেপিৰ এখন সংবাদমেল অনুষ্ঠিত কৰে। বৰপেটা সাহিত্য সভা ভৱনত বিধায়ক ফণীধৰ তালুকদাৰ, বৰপেটা জিলা বিজেপিৰ সভাপতি অনিল দাস, বিদ্যাসাগৰ, দলৰ নিৰ্বাচন তত্ত্বাৱধায়ক ৰাতুল শৰ্মাৰ লগতে বৰপেটা জিলা বিজেপিৰ প্ৰভাৰী জয়ন্ত দাসে সংবাদমেলখনত সত্ৰনগৰী বৰপেটা পৌৰসভাৰ উন্নয়নৰ বাবে বিজেপিৰ সপোনৰ কথা উল্লেখ কৰে। এইবাৰ প্ৰথমবাৰৰ বাবে ২২টা ৱাৰ্ডৰ আটাইকেইটাতে প্ৰাৰ্থী থিয় কৰাই নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱা বিজেপিক এবাৰৰ বাবে সুযোগ দিবলৈ বৰপেটাবাসীক আহ্বান জনায় বিজেপিৰ বৰপেটা জিলাৰ প্ৰভাৰী দাসে।

# টিহু নগৰ উন্নয়ন সমিতিৰ পৌৰসভাৰ প্ৰাৰ্থীৰ স'তে 'মুখামুখি' অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**টিহু, ২৮ ফেব্ৰুৱাৰী ঃ** টিহু নগৰ উন্নয়ন সমিতিৰ উদ্যোগত আজি টিহু পৌৰসভাৰ নিৰ্বাচনী প্ৰাৰ্থী আৰু ভোটাৰ ৰাইজৰ মাজত ভাব বিনিময়ৰ বাবে 'মুখামুখি' শীৰ্ষক অনুষ্ঠান সম্পন্ন হয়। ১০টা ৱাৰ্ডৰে গঠিত টিহু পৌৰসভা নিৰ্বাচনত বিজেপি-অগপ মিত্ৰজোঁট, চিপিআইএম-কংগ্ৰেছ-অজাপ-ৰাইজৰ দলৰ ঐক্যমঞ্চ আৰু নিৰ্দলীয়কে ধৰি মুঠ ২৮ গৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। কিন্তু আজিৰ মুখামুখি অনুষ্ঠানত ইয়াৰ ভিতৰত মাত্ৰ সাতগৰাকী প্ৰাৰ্থীয়েহে অংশগ্ৰহণ কৰে। মুখামুখি অনুষ্ঠানত ১৩ পৃষ্ঠাত চাওক

# গোলাঘাটত ৰাষ্ট্ৰীয় শ্ৰৱণ দিৱস পালনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৮ ফেব্ৰুৱাৰী ঃ** বিশ্ব শ্ৰৱণ দিৱস উপলক্ষে সমগ্ৰ দেশৰ লগতে গোলাঘাট জিলাতো জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত অহা তিনি মাৰ্চত 'ৰাষ্ট্ৰীয় বধিৰতা প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ' কাৰ্যসূচীৰ সৌজন্যত 'ৰাষ্ট্ৰীয় শ্ৰৱণ সজাগতা অভিযান' উদ্‌যাপন কৰা হ'ব। উক্ত দিনা শ্ৰৱণ সজাগতাৰ ওপৰত এক 'সজাগতা শোভাযাত্ৰা' পুৱা ১০ বজাত গোলাঘাট অসামৰিক চিকিৎসালয় চৌহদৰ পৰা উলিওৱা হ'ব। এই দিৱসৰ লগত সংগতি ৰাখি শ্ৰৱণ শক্তি পৰীক্ষা শিবিৰ, বিভিন্ন গাঁওসভা আদি উদ্‌যাপন কৰিবলৈ হাতত লৈছে। এইবাৰৰ বিশ্ব শ্ৰৱণ দিৱস উপলক্ষে বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বাৰা প্ৰকাশিত বিষয়বস্তু হ'ল 'আজীৱন শ্ৰৱণৰ বাবে সযতনে শুনক।' উল্লেখ্য যে ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ৬.৩ শতাংশ লোক শ্ৰৱণহীনতাত আক্ৰান্ত যি এক বৃহৎ প্ৰত্যাহ্বান। এইবাৰ বিশ্ব স্বাস্থ্য সংস্থাই শব্দ প্ৰদূষণৰ ফলত শ্ৰৱণ শক্তি লাঘৱ হোৱাৰ ভয়াবহতা তথা ইয়াৰ ফলত দেখা দিয়া স্থায়ী শ্ৰৱণহীনতাৰ বিষয়ে বিশ্ববাসীক সজাগ কৰিছে। বিশ্ব স্বাস্থ্য সন্থাই এই দিৱসৰ স'তে সংগতি ৰাখি শ্ৰৱণ শক্তি অটুট ৰাখিবৰ বাবে 'শব্দ প্ৰদূষণ নিয়ন্ত্ৰণ'ৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে।

# ছাত্ৰ-ছাত্ৰীক বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰতি আগ্ৰহী কৰাত শিক্ষকৰ দায়িত্ব অপৰিসীম

## ■ ঘগ্ৰাপাৰৰ সঠামৌত ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৮ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ-বনভাগ শিক্ষা খণ্ডৰ অন্তৰ্গত পূব বনভাগ মধ্য ইংৰাজী বিদ্যালয়, সঠামৌত 'বহনক্ষম ভৱিষ্যতৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সমন্বিত অভিগমন'ক মূল বিষয় হিচাপে লৈ আজি ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে বিজ্ঞানী চন্দ্ৰশেখৰ ভেংকট ৰমণৰ স্মৃতিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বসন্ত বৰ্মনে। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি আয়োজিত আলোচনাচক্ৰ আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। সভাত শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতাই ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ তাৎপৰ্য সম্পৰ্কে বিৱৰি কয়। সভাত বিশিষ্ট অতিথিৰূপে যোগদান কৰা বড়িগোগ-বনভাগ শিক্ষা খণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মনে কয় যে তথ্যৰ প্ৰতি সন্মানেই এটা জাতিৰ প্ৰাপ্তবয়স্কতাৰ লক্ষণ। যিকোনো ঘটনাৰ বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণৰ প্ৰতি শিক্ষকে ছাত্ৰ-ছাত্ৰীক আগ্ৰহী কৰি তুলিব লাগে। ভাষণ প্ৰসংগত তেওঁ বিজ্ঞানী চিভি ৰমণৰ জীৱন আৰু ১৩ পৃষ্ঠাত চাওক

# নৱনিৰ্মিত পূৰ্ণখুমডুম শ্ৰীশ্ৰী শিৱমন্দিৰ মুকলি



অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৮ ফেব্ৰুৱাৰী ঃ** হাজো সমষ্টিৰ অন্তৰ্গত পূৰ্ণখুমডুমত কালি এটি নৱনিৰ্মিত শিৱ মন্দিৰ মুকলি কৰা হয়। আয়তীৰ উৰুলি আৰু মাংগলিক বাদ্যধ্বনিৰ মাজত ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত অনুষ্ঠানৰ মুখ্য দ্বাৰ মুকলি কৰে ৰাজভৱনৰ চিকিৎসক ত্ৰিদীপ দাসে। ইয়াৰ পাছতে নৱনিৰ্মিত মন্দিৰৰ দ্বাৰ মুকলি কৰে ৰেলৱেৰ বিষয়া বসন্ত ডেকাই। মুকলিৰ পূৰ্বে দুয়োগৰাকী ধৰ্মপ্ৰাণ লোকক ফুলাম গামোচা আৰু ফুলাম জাপিৰে মন্দিৰ নিৰ্মাণ সমিতিৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। ইয়াৰ পাছতে কেইজনমান আমন্ত্ৰিত ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰাৰ অন্তত নৱনিৰ্মিত মন্দিৰত মাংগলিক অনুষ্ঠান আৰম্ভ হয়। আবেলি অসমৰ আগশাৰীৰ পাঠক কৈলাশ তালুকদাৰ আৰু মণ্টু দাসৰ নাগাৰা নাম প্ৰদৰ্শন উদ্বোধন কৰে পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নিৰঞ্জন চন্দ্ৰ ডেকাই। ইয়াৰ আগতে পুৱাৰ ভাগত ধৰ্মীয় পতাকা উত্তোলন ১৩ পৃষ্ঠাত চাওক

# শিঙৰীৰ গুপ্তেশ্বৰ দেৱালয়ত ছদিনীয়া শিৱৰাত্ৰি মেলা

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ২৮ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি ৰাজহ চক্ৰৰ শিঙৰীত অৱস্থিত শ্ৰীশ্ৰী গুপ্তেশ্বৰ দেৱালয়ত মহাশিৱৰাত্ৰি উপলক্ষে কালিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে শিৱৰাত্ৰি মেলা আয়োজন কৰা হৈছে। গুপ্তেশ্বৰ দেৱালয় উন্নয়ন সমিতিৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত আয়োজিত শিৱৰাত্ৰি মেলা কাৰ্যসূচীত চাৰি প্ৰহৰৰ শিৱপূজা, নাম-কীৰ্তন, বাথৌ পূজা, ভাওনা প্ৰদৰ্শন আদি আয়োজন কৰা হৈছে। মেলাথলীত মিনা বজাৰ, বিভিন্ন সামগ্ৰীৰ বিপণী স্থাপন কৰা হৈছে বুলি মেলা পৰিচালনা সমিতিৰ সভাপতি বগীৰাম বড়ো, সম্পাদক দীপক কলিতা আৰু শনিৰাম দৈমাৰীয়ে জনাইছে। উল্লেখ্য যে ঢেকিয়াজুলি নগৰৰ দক্ষিণে প্ৰায় ১২ কিলোমিটাৰ নিলগত শিঙৰী পাহাৰৰ নামনিত আৰু মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত মনোমোহা পৰিৱেশত থকা শ্ৰীশ্ৰী গুপ্তেশ্বৰ দেৱালয়ত প্ৰতি বছৰে শিৱৰাত্ৰি উপলক্ষে শিৱৰাত্ৰি মেলা অনুষ্ঠিত কৰি অহা হৈছে। এই দেৱালয়খন গুপ্তেশ্বৰ মন্দিৰ নামেৰেও জনাজাত। এই ঐতিহাসিক তীৰ্থস্থান দৰ্শন কৰিবলৈ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লোকে ইয়াত ভিৰ কৰে। মেলা পৰিচালনা সমিতিয়ে জাতি-ধৰ্ম-বৰ্ণ, নিৰ্বিশেষে সকলো শ্ৰেণীৰ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে।

# পোৰাকুছিত গছপুলি ৰোপণ



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৮ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৃহত্তৰ পূব নলবাৰীৰ ঐতিহাসিক গাঁও পোৰাকুছি নিবাসী বেংক কৰ্মচাৰী ৰূপম বৰ্মনে পুত্ৰ খৃছ বৰ্মনৰ জন্ম দিৱস উপলক্ষে আজি কে'বা ঠাইতো গছপুলি ৰোপণ কৰে। সমাজসেৱী অমূল্য বৰ্মন, ধৰণী বৰ্মন, সুভাষ বৰ্মন আদিৰ লগতে সাংবাদিক ৰবীন্দ্ৰ নাথ কলিতাই গছপুলি ৰোপণ কৰে। পোৰাকুছিৰ শিৱ মন্দিৰ প্ৰাংগণ, বৰচেনিকুছি প্ৰাথমিক বিদ্যালয় প্ৰাংগণ, পোৰাকুছিৰ ৰাজহুৱা পুখুৰীৰ পাৰত তেওঁ বিশিষ্ট লোকৰ জৰিয়তে এই কাৰ্যক্ৰম সম্পন্ন কৰায়। পশ্চিমীয়া সংস্কৃতিৰ অনুকৰণৰ বিপৰীতে পুত্ৰৰ জন্মদিনত পৰিৱেশৰ হিতাৰ্থে লোৱা এই পদক্ষেপক স্থানীয় ৰাইজে শলাগিছে।

# গীতিকাৰ ৰমেন বৰাক অখিল ভাৰতীয় পত্ৰকাৰ মহাসভাৰ 'কলাৰত্ন বঁটা' প্ৰদান

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** অখিল ভাৰতীয় পত্ৰকাৰ মহাসভাই গহপুৰৰ জ্যেষ্ঠ সাংবাদিক, গীতিকাৰ তথা সংগীত শিল্পী ৰমেন বৰাক কালি প্ৰদান কৰে 'কলাৰত্ন বঁটা'। গহপুৰ নগৰস্থিত ছহিদ কনকলতা ভৱনত আজি অনুষ্ঠিত অখিল ভাৰতীয় পত্ৰকাৰ মহাসভাৰ নৱম বাৰ্ষিক অধিৱেশনৰ স'তে সংগতি ৰাখি অসম আৰু অৰুনাচল প্ৰদেশৰ মুঠ ২৯গৰাকী বিশিষ্ট লোকক বিভিন্ন শিতানৰ নৰ্থ ইষ্ট ডায়মণ্ড বঁটা প্ৰদান কৰা হয়। এই উপলক্ষে গহপুৰৰ শিক্ষাবিদ দেৱেশ্বৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আঁত ধৰে অখিল ভাৰতীয় পত্ৰকাৰ মহাসভাৰ অসমৰ সভাপতি প্ৰকাশ কায়স্থই। গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা বঁটা প্ৰদান অনুষ্ঠানটোৰ আঁতধৰে উত্তৰ-পূৰ অখিল ভাৰতীয় পত্ৰকাৰ মহাসভাৰ সভাপতি ড° কুকিল বৰুৱাই। অখিল ভাৰতীয় পত্ৰকাৰ মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ কে'বাগৰাকী বিষয়ববীয়াৰ লগতে ১৩ পৃষ্ঠাত চাওক

# শিক্ষাৰ প্ৰসাৰ হ'লে আন অস্ত্ৰৰ প্ৰয়োজন নাথাকে ঃ ড° কলিতা

## তেজপুৰৰ খেলমাটি মধ্য ইংৰাজী বিদ্যালয়ৰ হীৰক জয়ন্তী

ষ্টাফ ৰিপ'ষ্টাৰ

**তেজপুৰ, ২৮ ফেব্ৰৱাৰী ঃ** 'শিক্ষাক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰক। নেলচন মেণ্ডেলাই কৈছিল শিক্ষাৰ প্ৰসাৰ হ'লে আন অস্ত্ৰৰ প্ৰয়োজন নহয়। সমাজ অবিহনে ব্যক্তি হ'ব নোৱাৰে।দেশৰ শক্তি হৈছে বৈচিত্ৰ্যতা। দেশত হেজাৰ হেজাৰ বছৰ চলিছে প্ৰজ্ঞাৰ সাধনা। কোলাত থকা সন্তান সকলক এতিয়াৰ পৰাই শিক্ষা দিব লাগে আৰু তেওঁলোকে কি কৰিব লাগে কি কৰিব নালাগে সেই শিক্ষা প্ৰদান কৰাটো অভিভাৱকৰ দায়িত্ব। মহাত্মা গান্ধীয়ে আঠুৰ মূৰত চুৰীয়া পিন্ধি দেশৰ স্বাধীনতা আনি দিলে।আমাৰ শক্তি কিমান সন্তানক পিতৃ মাতৃয়ে কওঁক।' শোণাতপুৰৰ বৰছলা বিধান সভা সমষ্টি অন্তৰ্গত বাঁহবাৰী মৌজাৰ খেলমাটি মধ্য ইংৰাজী বিদ্যালয়ৰ তিনিদিনীয়া হীৰক জয়ন্তী উৎসৱৰ অন্তিম দিনটোত কালি অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° যোগেন চন্দ্ৰ কলিতাই এইদৰে কয়। তেওঁ লগতে কয় যে পথাৰত পকা ধানে কটা দাগেই এদিন বিশ্বত আমাক পৰিচয় দিব। পিতৃ মাতৃয়ে মন কৰক তেওঁলোকৰ সন্তান কিমান সময় শিক্ষকৰ লগত আৰু কিমান সময় ম'বাইলৰ লগত আছে। ড° কলিতাই আৰু কয় যে নতুন শিক্ষা নীতিয়ে শিক্ষাক সকলোৰে ওচৰ চপাই আনিব। বিজ্ঞান শিক্ষাৰ প্ৰসাৰ হ'ব বুলি উল্লেখ কৰি ড° কলিতাই কয় যে শিক্ষা একে সংস্থানতে আৱদ্ধ নাথাকে, শিক্ষা এতিয়া সাৰ্বজনীন। তেওঁ কয় 'অভিভাৱকে বেংক একাউন্টলৈ মন নিদিব,মন দিয়ক সন্তানৰ শিক্ষাৰ বাবেহে। এপিজে আব্দুল কালামে তেওঁক এজন সৰল শিক্ষক হিচাপেহে মনত ৰাখিবলৈ অনুৰোধ জনাইছিল।' শিক্ষক যিমানেই উচ্চ সংস্থানত থাকিব সমাজো সিমানেই উচ্চ সংস্থানত থাকিব বুলিও শিক্ষাবিদ জনে মন্তব্য কৰে। শিক্ষাই সকলো পথ মুকলি কৰে বুলিও তেওঁ কয়। তেওঁ বড়োফা উপেন ব্ৰহ্মৰ কথাও স্মৰণ কৰে। উল্লেখযোগ্য যে খেলমাটি মধ্য ইংৰাজী বিদ্যালয়ৰ হীৰকজয়ন্তী উৎসৱৰ সামৰণি দিনটোৰ পুৱা বিদ্যালয়খনৰ পৰা উলিওৱা বৰ্ণিল শোভাযাত্ৰাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। ১৯৫৪ত সংস্থাপিত তেজপুৰৰ নিকটৱৰ্তী বিদ্যালয়খনৰ হীৰকজয়ন্তী উৎসৱৰ বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে জনপ্ৰিয় অভিনেত্ৰী সুনিতা কৌশিকে। হাতী, ঘোঁৰা, তথা বিভিন্ন জনগোষ্ঠীয় কৃষ্টি সংস্কৃতিৰ লগতে গ্ৰাম্য জীৱনৰ চানেকী প্ৰদৰ্শনৰে বাহিৰ কৰা এই শোভা যাত্ৰাই খেলমাটিৰ লগতে কাষৰীয়া দীঘলীয়া অঞ্চল স্পৰ্শ কৰে। প্ৰদৰ্শনী, বলুকা শিল্পকে ধৰি বিভিন্ন আকৰ্ষণীয় কাৰ্যসূচীৰে আয়োজিত বিদ্যালয়খনৰ হীৰকজয়ন্তী উৎসৱে বিদ্যালয়খনৰ ঐতিহ্যক প্ৰতিভাত কৰে। আনহাতে, সংস্থানীয় বিধায়ক গণেশ কুমাৰ লিম্বুৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰি তেজপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিকমল হাজৰিকাই এইখন বিদ্যালয়ত তেওঁ প্ৰায় ১০ মাহ কাল শিক্ষকতা কৰাৰ বিষয়ে স্মৰণ কৰি কয় যে অসমীয়া আৰু বড়ো দুয়োটা মাধ্যমেই থকা বিদ্যালয়খন আন বিদ্যালয়ৰ বাবে এক দৃষ্টান্ত । বৈচিত্ৰতাৰ মাজত ঐক্যৰ এক অনন্য চানেকী হিচাপে বৰ্ণনা কৰি ড° হাজৰিকাই ৰাজ্যৰ সকলো লোককে একত্ৰিতত কৰি তথা সমাজ, সাহিত্য, সংস্কৃতিৰ উন্নয়নৰ ক্ষেত্ৰত মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱ, মাধৱদেৱ তথা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা ১৩ পৃষ্ঠাত চাওক

## ■ অভিযোগ ৰহমৰীয়া খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চৰ ■

# ৰহমৰীয়া জিঅ’ বেগ প্ৰকল্পত বিসংগতি



অগ্ৰদূত বাৰ্তা

**চাবুৱা, ২৮ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ চাবুৱা ৰাজহ চক্ৰৰ অন্তৰ্গত ৰহমৰীয়া ঠাইখন কে’বাটাও যুগ ধৰি বান আৰু খহনীয়াত বিধ্বস্ত হোৱাৰ পাছত বিগত ১৫ বছৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পুঁজিৰ দ্বাৰা ইয়াৰ প্ৰতিৰোধৰ বাবে প্ৰকল্পৰ কাম চলি আছে। কে’বাখনো আঁচনিৰে ন কিলোমিটাৰ সামৰি লোৱাৰ পাছত বিগত বৰ্ষত মন্ত্ৰী পীযুষ হাজৰিকাই তিনিখন আঁচনিৰ কাম আৰম্ভ কৰি গৈছিল। সেই আঁচনি কেইখনৰ কাম বৰ্তমান চলি থকাৰ সময়তে জিঅ’ বেগত বিসংগতিৰ অভিযোগ তুলিছে ৰহমৰীয়া খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চই। তিনিখন আঁচনি ক্ৰমে লকচিন, ৰহমৰীয়া গাঁও আৰু বৰতিচুক। অভিযোগ অনুসৰি বৰতিচুকত জিঅ’ বেগৰ চিলাই দুৰ্বল, বেগ নিম্নমানৰ। এনেদৰে ব্ৰহ্মপুত্ৰৰ পাৰত বালিভৰ্তি বেগ সংস্থাপন কৰা পৰিলক্ষিত হোৱাত অঞ্চলটোৰ একাংশ ৰাইজ ক্ষোভিত হৈ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। ৰাজ্যৰ দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ দ্বাৰা প্ৰকল্পৰ কাম কোনো উপ-ঠিকাদাৰৰ দ্বাৰা ৰূপায়িত কৰিব নোৱাৰিব বুলি বিভাগীয় মন্ত্ৰী হাজৰিকাই ঘোষণা কৰিছিল। উপ-ঠিকাদাৰৰ দ্বাৰা পৰিচালিত কামসমূহ নিম্নমানৰ হোৱা বুলি অভিযোগ কৰিছে ৰহমৰীয়া খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চই। প্ৰকৃত ঠিকাদাৰৰ সমৰ্থিত একাংশ লোকে প্ৰকল্পটোৰ কামত বিসংগতিৰ সৃষ্টি কৰাৰ অভিযোগ উত্থাপন কৰি মঞ্চই কয় যে কোনো কাৰণতে চৰকাৰৰ ধন অপচয় হ’ব নোৱাৰিব আৰু বিসংগতি শুধৰণি কৰক। অতি শীঘ্ৰে বিভাগৰ তৰফৰ পৰা এক তদন্ত কৰি ঠিকাদাৰৰ উপস্থিতিত জঅ’ বেগ কাম তদাৰক কৰিবলৈ আহ্বান জনাইছে ৰহমৰীয়া খহনীয়া প্ৰতিৰোধ সংগ্ৰাম মঞ্চৰ সাধাৰণ সম্পাদক সঞ্জয় বৰুৱাই।

## আজিৰে পৰা পাঁচদিনীয়াকৈ শিৱৰাত্ৰি মহোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৮ ফেব্ৰুৱাৰী ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ আনন্দ বজাৰৰ সমীপৰ হাটখোলা গাঁওস্থিত গড়আলি ভোলানাথ শিৱ মন্দিৰত কাইলৈৰ পৰা পাঁচ মাৰ্চলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ’ব। ৭৬ সংখ্যক শ্ৰীশ্ৰীশিৱৰাত্ৰি পূজা মহোৎসৱ। পূজা পৰিচালনা সমিতিৰ সভাপতি দেৱেশ্বৰ তালুকদাৰ, সম্পাদক লাচিত কলিতা আৰু সহকাৰী সম্পাদক ৰূপেন তালুকদাৰে উল্লেখ কৰা মতে শিৱৰাত্ৰি পূজা মহোৎসৱৰ কাৰ্যসূচীনুসৰি পহিলা মাৰ্চৰ পুৱা মন্দিৰৰ মুখ্যদ্বাৰ মুকলি, বেলগছৰ দ্বাৰ উন্মোচন, কৈলাশৰ দ্বাৰ মুকলি, ত্ৰিশূলৰ দ্বাৰ মুকলি, পূজা অৰ্চনা, সন্ধিয়া মন্দিৰৰ স্থায়ী ভাগৱতী মহাদেৱ কলিতাৰ দ্বাৰা ভাগৱত পাঠ, স্থানীয় আয়তীসকলৰ নাম-প্ৰসংগ আৰু নিশা ১২ বজাত প্ৰসাদ বিতৰণ কৰা হ’ব। দুই মাৰ্চৰ পুৱা ভক্তবৃন্দৰ দ্বাৰা পূজা অৰ্চনা, আবেলি দুই বজাত নলবাৰী কেহাটী)ৰ বিষ্ণুজ্যোতি ঢুলীয়া পাৰ্টিৰ দ্বাৰা ঢুলীয়া প্ৰদৰ্শন, সন্ধিয়া মঞ্চ উদ্বোধন কৰিব স্থানীয় ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে। তাৰ পাছতেই আনন্দ বজাৰ শংকৰদেৱ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় শিল্পীৰ দ্বাৰা নাট, নৃত্যগীত পৰিৱেশনেৰে দ্বিতীয় দিনৰ কাৰ্যসূচীৰ সামৰণি পৰিব। তিনি মাৰ্চৰ পুৱা পূজা অৰ্চনা, আবেলি ঢুলীয়া প্ৰদৰ্শন, সন্ধিয়া বিটিআৰৰ সমাজ কল্যাণ আৰু সমবায় বিভাগৰ কাৰ্যবাহী সদস্য গৌতম দাসৰ দ্বাৰা মঞ্চ উদ্বোধন আৰু নিশা শংকৰদেৱৰ নাট্য দল, কৰ্দৈগুৰিৰ দ্বাৰা নাট প্ৰদৰ্শন কৰা হ’ব। চাৰি মাৰ্চৰ পুৱা পূজা অৰ্চনা, আবেলি ঢুলীয়া প্ৰদৰ্শন, সন্ধিয়া ২১ নম্বৰ শালবাৰী পৰিষদীয় সমষ্টিৰ এমচিএলএ জয় মুছাহাৰীৰ দ্বাৰা মঞ্চ উদ্বোধন আৰু নিশা সাংস্কৃতিক অনুষ্ঠান।

## ভৰণ পোষণ দাবীৰে আদালত চৌহদত অধিবক্তাৰে পত্নীৰ সংঘাত

### ■ উকীল সন্থাৰ কাৰ্যালয় চৌহদত অপ্ৰীতিকৰ পৰিস্থিতি

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** গোসাঁইগাঁও মহকুমা ন্যায়িক দণ্ডাধীশ আদালত চৌহদত আজি এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। মহকুমা ন্যায়িক দণ্ডাধীশ আদালতৰ অধিবক্তা আব্দুছ ছামাদ আহমেদৰ পত্নী পুৱা আদালত চৌহদত উপস্থিত হৈ সৃষ্টি কৰিছে এক অপ্ৰীতিকৰ পৰিস্থিতি। অধিবক্তাৰ পত্নীয়ে নিজৰ ভৰণ পোষণ খৰচ বিচাৰি আদালত চৌহদ উত্তপ্ত কৰে। আদালত চৌহদৰ অধিবক্তা কাৰ্যলয়ত উপস্থিত হৈ মহিলাগৰাকীয়ে স্বামী অধিবক্তা আব্দুছ ছামাদ আহমেদৰ স’তে কাজিয়াত লিপ্ত হয়। আনকি উত্তপ্ত পৰিস্থিতিৰ মাজতে দুয়ো সংঘৰ্ষত লিপ্ত হোৱাত ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মহিলাগৰাকীয়ে অভিযোগ কৰা মতে, চাৰি বছৰীয়া এটি কণ্যা সন্তান লৈ এক কষ্টকৰ জীৱন অতিবাহিত কৰা অধিবক্তাই দীৰ্ঘদিনৰ পৰাই ভৰণপোষণ একো দিয়া নাই। আনকি অধিবক্তাৰ বিৰুদ্ধে গোচৰ দিব গলে কোনো এগৰাকী অধিবক্তা তথা মহৰীয়ে গোচৰ লিখি নিদিয়ে। ফলত মহিলা গৰাকীয়ে আদালতৰ পৰা ন্যায় পোৱাৰ পৰা বঞ্চিত হৈ আহিছে। আনহাতে, অধিবক্তা আব্দুছ ছামাদ আহমেদে উল্লেখ কৰা মতে, নিজৰ খেয়াল খুচি মতে চলা পত্নীয়ে লোকচক্ষুৰ সন্মুখত বিভিন্ন সময়ত এনে অভব্য আচৰণ কৰি অধিবক্তাৰ মান-মৰ্যাদা আৰু সামাজিক ভাৱমুৰ্তি বিনষ্ট কৰিবলৈ অহৰহ চেষ্টা চলাই আহিছে। পত্নীয়ে আইনৰ আশ্ৰয় গ্ৰহণ কৰি ন্যায় পোৱাৰ চেষ্টা কৰাৰ বাবে অধিবক্তা স্বামীয়ে পত্নী ৰশিদাক আহ্বান জনায়। অৱশ্যে আজি অধিবক্তা আৰু পত্নীৰ দুৰ্বাদল কাজিয়াৰ পাছতে অধিবক্তা ছামাদে ছোৱালীৰ বিদ্যালয়ৰ বকেয়া মাচুল পৰিশোধ কৰে।

## বৰভাগৰ বিষ্ণু ৰাম মেধি বিদ্যালয়ত ন-পুৰণি শিক্ষকৰ অন্তৰংগ আলাপ



অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৮ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বিষ্ণু ৰাম মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয় (বড়িদতৰা)ত বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম কলিতাৰ তত্ত্বাৱধানত আৰু সহকাৰী শিক্ষকসকলৰ সহযোগত আজি ন-পুৰণি শিক্ষক-কৰ্মচাৰীৰ অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানটো পৰিচালনা কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম কলিতাই। ইয়াৰ পাছতে বিদ্যালয়ৰ পৰা বিদায়ী লোৱা শিক্ষক-কৰ্মচাৰীসকলক বৰ্তমান বিদ্যালয়খনত কৰ্মৰত শিক্ষক কৰ্মচাৰীসকলে সম্বৰ্ধনা জ্ঞাপন কৰে। বিদ্যালয়ৰ সহকাৰী শিক্ষক ক্ষিতীশ শৰ্মাই এটি কবিতা আবৃত্তিৰে আৰু বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী হিমাশ্ৰী কলিতাৰ এটি গীতৰ কলিয়ে ন-পুৰণি শিক্ষক-কৰ্মচাৰীসকলক মুগ্ধ কৰে। বিদ্যালয়খনৰ বিষয় শিক্ষক জয়ন্ত ডেকাই সোঁৱৰণী অনুষ্ঠানটো ৰূপায়ণ কৰি বিদ্যালয়খনত স্থাপন কৰা তথা মূল পৃষ্ঠপোষক শিক্ষাগুৰুসকলৰ কঠোৰ পৰিশ্ৰম আৰু ত্যাগৰ কথা সোঁৱৰি তেওঁলোকক শ্ৰদ্ধা নিবেদন কৰে। বিদ্যালয়ৰ অধ্যক্ষ কলিতাই আদৰণি ভাষণত কয় যে যিসকল ব্যক্তিয়ে দীঘলীয়া জীৱন কৰ্মব্যস্ততাত থাকি কৰ্ম সমাপন কৰি আঁতৰি যায় সেইসকল ব্যক্তিক সাধাৰণতে কোনোৱে খবৰ নকৰে। সেইসকল ব্যক্তি দীৰ্ঘদিন ধৰি একেটা অনুষ্ঠানতে থাকি যেতিয়া অনুষ্ঠানটো এৰি যায় সেই লগৰ বা পুৰণা সহকৰ্মীসকলৰ লগত একেলগ হোৱাৰ মনত বাসনা থাকে যদিও সুবিধা নাপায়।

## ধুমুহা-শিলাবৃষ্টিত বিস্তৰ ক্ষতিসাধন চিৰাঙৰ ভূটান সীমান্তৱৰ্তী অঞ্চলত

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৮ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তত আজি বিয়লি অহা প্ৰচণ্ড ধুমুহা-শিলাবৃষ্টিয়ে বিস্তৰ ক্ষতিসাধন কৰে। জিলাখনৰ ভাৰত-ভূটান সীমান্তৰ শান্তিপুৰ, ৰুণীখাটা, টুকৰাঝাৰ, বালাঝাৰ অঞ্চলত হোৱা প্ৰচণ্ড শিলাবৃষ্টিত খেতিপথাৰৰ লগতে একাংশ লোকৰ বাসগৃহ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ ক্ষতিসাধন হয়। শিলাবৃষ্টিৰ পাছতে বহু সময়লৈ বৰফে আবৰি ধৰে অঞ্চলসমূহ। একে সময়তে বিয়লি প্ৰায় আঢ়ৈ বজাত জিলাখনৰ বেংতল, টুকৰাঝাৰ অঞ্চলত হোৱা শিলাবৃষ্টিত বহু লোকৰ ঘৰৰ চালিকে ধৰি গছ-গছনি, খেতি-বাতিৰ বিস্তৰ ক্ষতিসাধন হয়। ঠায়ে ঠায়ে বৰফ সদৃশ শিল জমা হৈ এক শুভ্ৰ দলিচা পাৰি দিয়ে। পূৰ্বতে এইসমূহ অঞ্চলত এনে ধৰণৰ শিলাবৃষ্টিত অহা নাছিল বুলি সদৰী কৰিছে বয়োজ্যেষ্ঠ লোকসকলে। শিলাবৃষ্টিয়ে কৰা বিস্তৰ ক্ষতিসাধনত বহু লোক দিশহাৰা হৈছে।

## হাজোত পৃথক পথ দুৰ্ঘটনাত দুজনৰ মৃত্যু, কিশোৰ-মহিলা আহত

অগ্ৰদূত বাৰ্তা

**হাজো, ২৮ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ হাজোত বিগত ২৪ ঘণ্টাত সংঘটিত দুটাকৈ পৃথক পথ দুৰ্ঘটনাত দুজন লোকৰ মৃত্যু হোৱাৰ লগতে কিশোৰসহ মহিলা আহত হয়। ইয়াৰে প্ৰথমটো দুৰ্ঘটনা কালি সন্ধিয়া সংঘটিত হোৱাৰ বিপৰীতে আজি পুৱা আনটো দুৰ্ঘটনা সংঘটিত হয়। প্ৰাপ্ত তথ্য মতে, কালি সন্ধিয়া প্ৰায় সাত বজাত হাজোৰ বেজপাৰাত নৰেন বেজবৰুৱা নামৰ এজন পথচাৰীক অচিনাক্ত বাহনে খুন্দিয়াই পেলাই থৈ যায়। পাছত পৰিয়ালৰ লোকে লোকজনক জি এম চি হাস্পতাললৈ নিয়ে যদিও তাতে নিশা মৃত্যু হয়। ইপিনে, আজি পুৱা হাজো বৰগাঁৱত এখন মটৰ চাইকেলক যাত্ৰীবাহী বাছে মহতিয়াই নিয়াত এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন দুজন আহত হয়। নলবাৰীৰ নবীন কলিতাৰ পুত্ৰ হেমন্ত কলিতা (৩৪)ই পুৱা নিজ গৃহৰ পৰা ইউ পি-২০ এ-০৭৯৮ নম্বৰৰ এখন মটৰ চাইকেলেৰে গুৱাহাটীলৈ গৈ থকাৰ পথত একেদিশৰ পৰা যোৱা এ এছ-১৩ চি-৪২২৮ নম্বৰৰ যাত্ৰীবাহী বাছখনে মহতিয়াই নিয়াৰ লগতে বাছখনে পথৰ দাঁতিত থকা গছত খুন্দা মাৰে। ফলত মটৰ চাইকেল আৰোহী হেমন্তৰ লগতে বাছখনত থকা হাজো বৰুৱাবাৰীৰ নিৰলা কলিতা (৫৫) আৰু হাজো আলিকাষৰ ফিৰোজ আলীৰ পুত্ৰ হাফিজুৰ ৰহমান (১২) গুৰুতৰভাৱে আহত হয়। আটাইকেইজনকে স্থানীয় লোকে উদ্ধাৰ কৰি হাজো হাস্পতালত ভৰ্তি কৰে যদিও সংকটজনক অৱস্থাত হেমন্তক জি এম চি হাস্পতাললৈ প্ৰেৰণ কৰে। কিন্তু চিকিৎসাধীন অৱস্থাতে যুৱকজনৰ তাতে মৃত্যু হয়।

## হোজাইৰ অভিভাৱক মন্ত্ৰী শুক্লবৈদ্যৰ নিৰ্বাচনী প্ৰচাৰ

অগ্ৰদূত বাৰ্তা

**হোজাই, ২৮ ফেব্ৰুৱাৰী ঃ** ১৯টা ৱাৰ্ডৰে গঠিত হোজাই পৌৰসভাৰ ১৮টা ৱাৰ্ডত নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। বিশেষকৈ প্ৰায় ৱাৰ্ডতে নিৰ্দলীয় প্ৰাৰ্থীয়ে শাসকীয় দলৰ প্ৰাৰ্থীৰ মূৰৰ কামোৰণি সদৃশ হৈ পৰিছে। যোৱা নিশা পৌৰসভাৰ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ হোজাইলৈ আহে ৰাজ্যৰ বন, পৰিৱেশ আৰু মীন মন্ত্ৰী তথা হোজাইৰ অভিভাৱক মন্ত্ৰী পৰিমল শুক্লবৈদ্য। হোজাই পৌৰসভাৰ তিনিটা ৱাৰ্ডত হোজাইৰ অভিভাৱক মন্ত্ৰীজনে নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি শাসকীয় দলৰ কৰ্মৰ খতিয়ান দাঙি ধৰে। হোজাইৰ বিষ্ণুপল্লী অঞ্চলত এখন জনসভা সম্বোধন কৰি মন্ত্ৰীজনে আজমলে পানী জৰা দিয়াৰ পৰিৱৰ্তে বিজেপিয়ে ক’ভিড প্ৰতিষেধক ৰাইজক প্ৰদান কৰা বুলি কয়। মন্ত্ৰীজনে হোজাই পৌৰসভাৰ ১৬, ১৭ আৰু ১৮ নম্বৰ ৱাৰ্ডৰ দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই কয় যে নিৰ্দলীয় প্ৰাৰ্থীৰ কোনো দলেই নাই, নিজৰ নিজৰ ৱাৰ্ডত কাম কৰিবলৈ দল লাগিব। মন্ত্ৰীজনে ১৬ নম্বৰ ৱাৰ্ডৰ বাপ্পী দাস, ১৭ আৰু ১৮ নম্বৰ ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থীয়ে শ’লঠেকত পেলোৱা শিপ্ৰা নাথ আৰু নিৰ্মলজ্যোতি পালৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। সভাত মন্ত্ৰীজনৰ লগত অগপ হোজাই জিলাৰ সভাপতি ৰেজাউল কৰিম চৌধুৰী, হোজাই জিলা বিজেপিৰ সভাপতি অনুপ দেৱ, প্ৰাক্তন সভাপতি অৰ্জুন মজুমদাৰ, মনোজ দাস আদিয়ে অংশগ্ৰহণ কৰে।

## ৰাতুল ৰাজখোৱা-প্ৰীতিমা ৰাজখোৱাৰ গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ২৮ ফেব্ৰুৱাৰী ঃ** কাজিৰঙা নিউজ নেটৱৰ্ক আৰু পুৱতি সাহিত্য সভাৰ যৌথ উদ্যোগত আজি বোকাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰাতুল ৰাজখোৱাৰ গ্ৰন্থ প্ৰবন্ধ সংকলন ‘ভিন্নসুৰী’ আজি উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বাবুলাল মোৰে। নুমলীগড় কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা প্ৰীতিমা ৰাজখোৱাৰ গ্ৰন্থ ‘দৃষ্টিকোণ’ উন্মোচন কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী সূৰ্বণ শইকীয়া বৰদলৈয়ে। এই ডপলক্ষে পুৱতি সাহিত্য সভাৰ ভৰনত অপূৰ্ব বৰদলৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত মনোৰঞ্জন সেন, পুতলী খাওণ্ড, চৈয়দ আনিচুৰ ৰহমান, বুবুল দত্ত, জিতু শৰ্মা ৰাজখোৱা আদিয়ে অংশগ্ৰহণ কৰে।

## টিহু নগৰ উন্নয়ন সমিতিৰ পৌৰসভাৰ

১২ *পৃষ্ঠাৰ পৰা* ঐক্যমঞ্চৰ চিপিআই(এম)ৰ প্ৰাৰ্থী কুলেশ শৰ্মা আৰু মণিকা কলিতা পাঠক, নিৰ্দলীয় প্ৰাৰ্থী ক্ৰমে দিগন্ত তালুকদাৰ, হৰেণ কলিতা, দিব্যাঞ্জলি ঠাকুৰীয়া, দীপাৰাণী কলিতা দাস আৰু বিমলা দাসে অংশ লৈ নিজ নিজ সমৰ্থনত বক্তব্য ৰখাৰ উপৰি উপস্থিত ৰাইজৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে। টিহু নগৰ উন্নয়ন সমিতিৰ সভাপতি দুৰ্গেশ চৌধুৰীৰ সঞ্চালনাত অনুষ্ঠিত আৰু সম্পাদক হীৰেন তালুকদাৰে আঁত ধৰা অনুষ্ঠানত উন্নয়ন সমিতিৰ কাৰ্যকৰী সভাপতি হেমন্তৰাজ তালুকদাৰৰ বক্তব্যৰে সামৰণি পেলোৱা হয়। উল্লেখ্য যে অনুষ্ঠানত একাংশ নিৰ্দলীয় প্ৰাৰ্থী আৰু এজিপি-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলে প্ৰতিশ্ৰুতি দিও উপস্থিত নথকাৰ অভিযোগ অনা হয় আৰু ‘মুখামুখি’ত উপস্থিত নথকা বাবে টিহু নগৰ উন্নয়ন সমিতিয়ে গৰিহণা দিয়ে।

## নৱনিৰ্মিত পূৰ্ণখুমডুম শ্ৰীশ্ৰী শিৱমন্দিৰ

১২ *পৃষ্ঠাৰ পৰা* কৰে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি শিশুৰাম শইকীয়াই। স্মৃতি তৰ্পণ কৰে গাঁও পৰিচালনা সমিতিৰ সভাপতি বসন্ত লহকৰে আৰু বিল্বৱৃক্ষ ৰোপণ কৰে আদৰ্শ খেতিয়ক কুমুদ ডেকাই। মন্দিৰ নিৰ্মাণ সমিতিৰ কাৰ্যকৰী সভাপতি অমৰজিৎ শইকীয়াই আঁত ধৰা অনুষ্ঠানত মন্দিৰ নিৰ্মাণ সমিতিৰ সম্পাদক কনক ডেকাক ফুলাম গামোচা, জাপি আৰু জাপ বঁটাৰে ৰাজহুৱা সম্বৰ্ধনা জনায়। উল্লেখ্য যে ডেকাই তেওঁৰ বন্ধুবৰ্গৰ আৰ্থিক সহায় আৰু গাঁওবাসীৰ আকুণ্ঠ সহযোগত মন্দিৰটো নতুনকৈ নিৰ্মাণ কৰিবলৈ সক্ষম হয়। মন কৰিবলগীয়া যে ১৯৯৬ত প্ৰতিষ্ঠা হোৱা শিৱ মন্দিৰ নিৰ্মাণ সমিতিৰ সভাপতিজন ইছলামধৰ্মী লোক। আনহাতে, উক্ত মন্দিৰত উলহ-মালহেৰে শিৱৰাত্ৰি পূজা উদ্‌যাপন কৰিব বুলি পূজা উদ্‌যাপন সমিতিৰ সম্পাদক চন্দ্ৰ ডেকাই সদৰী কৰিছে।

## ছাত্ৰ-ছাত্ৰীক বৈজ্ঞানিক দৃষ্টিভংগীৰ প্ৰতি

১২ *পৃষ্ঠাৰ পৰা* কৃতিত্বৰ বিষয়েও ব্যাখ্যা কৰে। ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজিত কুইজ প্ৰতিযোগিতাৰ বিজয়ীসকলক এইখন সভাতে পুৰস্কৃত কৰা হয়। পূব বনভাগ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক কালীচৰণ হালৈ, জ্যেষ্ঠ সহকাৰী শিক্ষক ৰহিম আলী, ছবিকান্ত শীল, নিৰদা বৈশ্য আৰু কবিতা ভৰদ্বাজৰ তৎপৰতাত আয়োজিত সভাখনৰ আঁত ধৰে প্ৰধান শিক্ষকে। শিক্ষকসকলে বিজ্ঞান শিক্ষা জনপ্ৰিয় কৰাৰ বাবে নতুন শিক্ষা নীতি অনুসৰি বিদ্যালয়ৰ স্তৰ অনুযায়ী বিজ্ঞানাগাৰ নিৰ্মাণৰো পোষকতা কৰে। উল্লেখ্য যে অসম বিজ্ঞান সমিতিৰ যুটীয়া সচিব (কাৰ্যালয়)ৰ দায়িত্ববাহী ড° ৰাজলক্ষ্মী দেৱীয়ে যোগান ধৰা জনপ্ৰিয় বিজ্ঞান আলোচনী ‘বিজ্ঞান জেউতি’ ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰে খণ্ড সমল ব্যক্তি সুভাষ বৰ্মনে।

## গীতিকাৰ ৰমেন বৰাক অখিল ভাৰতীয়

১২ *পৃষ্ঠাৰ পৰা* গহপুৰৰ যুৱ সমাজকৰ্মী, সমাজৰত্ন গোপাল শইকীয়া, সমাজকৰ্মী শংকৰলাল আগৰৱালাকে ধৰি কেবাজনো লোক উপস্থিত থকা সভাখনত গহপুৰৰ জ্যেষ্ঠ সাংবাদিক, গীতিকাৰ ৰমেন বৰাক প্ৰয়াত যুৱ অভিনেতা, ঢোলবাদক বিবেক বৰুৱা সোঁৱৰণী কলাৰত্ন বঁটা প্ৰদান কৰা হয়। সংবাদিকতাৰ লগতে গীতৰ চৰ্চাৰ জৰিয়তে বিশেষ ভাবে পৰিচয় লাভ কৰা ৰমেন বৰাক প্ৰয়াত যুৱ শিল্পী বিবেক বৰুৱা সোঁৱৰণী ‘কলাৰত্ন বঁটা’ প্ৰদান কৰে গহপুৰ বিধানসভা সমষ্টিৰ বিধায়ক উৎপল বৰাৰ লগতে প্ৰয়াত বিবেক বৰুৱাৰ পিতৃ গোবিন বৰুৱাই। ৰমেন বৰাই উক্ত বঁটা লাভ কৰাত গহপুৰৰ শিক্ষাব্ৰতী, সাহিত্যসেৱী বীৰেন কাথ হাজৰিকা, গহপুৰ মহকুমা প্ৰেছ গীল্ডৰ সভাপতি নিতুল বৰা, সাধাৰণ সম্পাদক অমৰ শৰ্মাসহ বিষয়-ববীয়াসকল, গহপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দিব্যজ্যোতি ভূঞা, গহপুৰৰ অসম সত্ৰীয়া সংগীত কলা কেন্দ্ৰৰ সম্পাদক ৰামেশ্বৰ বৰাসহ কেবাজনো লোকে জ্ঞাপন কৰিছে। স্মৰ্তব্য যে গীত ৰচনা তথা সংগীত চৰ্চাৰ বাবে জ্যেষ্ঠ সাংবাদিক ৰমেন বৰাই ইতিপূৰ্বে ‘ইণ্ডিয়া বুক অব ৰেকৰ্ডছ’ টো স্থান লাভ কৰি গহপুৰলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

## শিক্ষাৰ প্ৰসাৰ হ’লে আন অস্ত্ৰৰ প্ৰয়োজন

১২ *পৃষ্ঠাৰ পৰা* আৰু নটসূৰ্য ফণী শৰ্মা তথা সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্যৰ কৰ্ম তথা সৃষ্টি ৰাজিক স্মৰণ কৰি তেওঁলোকে ঐক্য আৰু প্ৰগতিশীল সমাজ গঢ়াৰে কথা কৈ যোৱা বুলি কয়। বৰ্তমান একাংশই জাতিয়তাবাদৰ নাম শুনিলে জাঁপমাৰি উঠাৰ দৰে আন একাংশই আকৌ ৰাষ্ট্ৰীয়তাবাদৰ নাম শুনিলে জঁপিয়াই উঠে বুলি মন্তব্য কৰি তেওঁ কয় যে মহাত্মা গান্ধীৰ পৰা মাদাৰ টেৰেছালৈকে সকলোৰে এই দেশত মানৱতাবাদকে শীৰ্ষসংস্থান দি গৈছে। উল্লেখ্য যে অঞ্চলটোৰ দেৱেন্দ্ৰ মোহন নাৰ্জাৰী, পূৰ্ণেশ্বৰ মহন্ত, লক্ষীনাৰায়ণ বৰুৱা, ৰণ বাহাদুৰ থাপা, বেনু কছাৰী, নোমল চন্দ্ৰ শইকীয়া, ঘনশ্যাম দাস, মহেশ্বৰ নাথ, ইশ্বান চন্দ্ৰ নাথ, কমলা কান্ত দাস আদিৰ অৱদানৰ লগতে কৃষক ৰাইজে উৎপাদিত ধানৰে কিছু অংশ আগবঢ়াই গঢ় দিয়া বিদ্যালয়খনত বৰ্তমান ৪৬০জন ছাত্ৰ-ছাত্ৰী আৰু ১৫জন শিক্ষক-শিক্ষয়িত্ৰী আছে। বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী ৰাইজ তথা অভিভাৱক আৰু শিক্ষক-কৰ্মচাৰী সকলৰ প্ৰচেষ্টাত শৃংখলাবদ্ধ ভাবে উদযাপন হোৱা হীৰকজয়ন্তী কাৰ্যসূচীৰ মুকলি সভাত বহুসংখ্যক ৰাইজৰ উপস্থিতিত বিদ্যালয়খনৰ পৰা কাইলৈ অৱসৰ ল’বলগীয়া শিক্ষক বেনুধৰ নাথৰ লগতে ডলী চৰিণ, গৌতম দৈমাৰী, সুশেন নাথ, ৰঞ্জন কুমাৰ নাথ, অশোক কুৰ্মী, মনোজ নাথ, ৰঞ্জন কুমাৰ দাস, হিৰণ্য দাস,পদ্ম ঢুংগানা, তৰুণ দাস, জানমণি দেৱী, চন্দ্ৰকান্ত বড়ো আদিকে ধৰি বহুকেইজন সন্মানীয় তথা নিমন্ত্ৰিত অতিথিক সম্বৰ্ধনা জনোৱা হয়। মুকলি সভাত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক হৰেকৃষ্ণ চাহুৰে বৰ্তমান বিদ্যায়তনিক ক্ষেত্ৰত বৃদ্ধি পোৱা সুযোগৰ বিষয়ে বক্তব্য ৰাখে।

## ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ তোৰণৰ আধাৰশিলা স্থাপন

বিশেষ সংবাদদাতা

**পাঠশালা, ২৮ ফেব্ৰুৱাৰী ঃ** ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখভাগত এখন বৃহৎ তোৰণৰ নিৰ্মাণ কাৰ্যৰ আজি আধাৰশিলা স্থাপন কৰা হয়। তোৰণৰ আধাৰশিলা স্থাপন কৰে প্ৰাক্তন শিক্ষা বিষয়া তথা ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ধৰণীধৰ তালুকদাৰে। উল্লেখ্য যে ভৱানীপুৰত জন্মগ্ৰহণ কৰা জলসম্পদ বিভাগৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য অভিযন্তা, সাহিত্যিক পেঞ্চনাৰ তথা অসম ৰাজ্যিক পেঞ্চনাৰ সন্থাৰ সভাপতি ধনীৰাম তালুকদাৰ আৰু তেওঁৰ পুত্ৰ প্ৰতিষ্ঠিত ব্যৱসায়ী জয়ন্ত তালুকদাৰে ব্যক্তিগত ধন ব্যয় সাপেক্ষে তোৰণখনৰ নিৰ্মাণকাৰ্য সম্পন্ন কৰা হ’ব। ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপক ৰাজু কুমাৰ দাসে আঁত ধৰা আধাৰশিলা স্থাপন অনুষ্ঠানত আধাৰশিলা স্থাপক ধৰণীধৰ তালুকদাৰ, ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুকুন্দ শৰ্মাই বক্তব্য ৰখাৰ লগতে তোৰণৰ দাঁতা জয়ন্ত তালুকদাৰ, প্ৰাক্তন খেলুৱৈ-সমাজকৰ্মী দীপক তালুকদাৰ, প্ৰণৱ তালুকদাৰ, ৰাজীৱ তালুকদাৰ, শান্তনু তালুকদাৰ, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী গীতা তালুকদাৰ, গুৱাহাটী কমাৰ্চ কলেজৰ অধ্যাপক পঞ্চানন বৰ্মন, ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° আব্দুছ ছালামৰ লগতে কে’বাগৰাকীও বিশিষ্ট লোকে অতিথিৰূপে উপস্থিত থাকে। আধাৰশিলা স্থাপন কাৰ্যক্ৰমণিকাৰ স’তে নাম-প্ৰসংগ, বৈদিক মন্ত্ৰপাঠ আদি মাংগলিক কাৰ্য কৰা হয়।

## নিৰ্বাচনী বিষয়াই নাকচ কৰা মনোনয়নপত্ৰ বৈধ ঘোষণা আদালতৰ

ষ্টাফ ৰিপ’ৰ্টাৰ

**তেজপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** মনোনয়ন পৰীক্ষাৰ সময়ত মনোনয়ন নাকচ হোৱা ঢেকিয়াজুলিৰ এগৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বুলি ঘোষণা কৰিছে আদালতে। উল্লেখ্য যে ঢেকিয়াজুলি পৌৰসভাৰ নিৰ্বাচনত দুই নম্বৰ ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মনোনয়নপত্ৰ দাখিল কৰা প্ৰভাকৰ শুক্লাৰ মনোনয়নপত্ৰ পৰীক্ষাৰ সময়ত ঢেকিয়াজুলি পৌৰসভাৰ নিৰ্বাচনী বিষয়া তন্ময় বৰাই বিসংগতি থকা বুলি নাকচ কৰিছিল। কিন্তু ইয়াৰ পাছত নিৰ্দলীয় প্ৰাৰ্থীগৰাকীয়ে তেজপুৰ জিলা আদালতৰ আশ্ৰয় লোৱাত আদালতে মনোনয়নপত্ৰ আৰু তথ্যপাতি আদি পৰীক্ষা কৰি আজি বৈধ ঘোষণা কৰে। আজি আদালতে চূড়ান্ত ৰায়দান কৰি শুক্লাৰ মনোনয়নপত্ৰখন বৈধ বুলি ঘোষণা কৰি প্ৰাৰ্থীগৰাকীক নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাৰ অনুমতি প্ৰদান কৰিছে।

## এনৰেগাৰ কামৰ দাবী, খাজনা-ৰাজহ বৃদ্ধিৰ বাবে শ্ৰমিক ইউনিয়নৰ প্ৰতিবাদ



**গুৱাহাটী, ২৮ ফেব্ৰুৱাৰী ঃ** অসম মজুৰি শ্ৰমিক ইউনিয়ন, সদৌ অসম খেতিয়ক সন্থা আৰু ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি চাৰিটা দাবীত প্ৰতিবাদী বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। অসম মজুৰি শ্ৰমিক ইউনিয়নৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বিপুল হাজৰিকাই **‘এনৰেগাৰ শিতানত ব্যয় সংকোচন বন্ধ কৰক, তাৰ বিপৰীতে এনৰেগাৰ বাবে ব্যয় ব্যাপকভাৱে বৃদ্ধি কৰক। জবকাৰ্ড থকা/নথকা সকলো এনৰেগাৰ কাম বিচৰা মানুহকে বছৰি ২০০ দিন কাম দিয়ক। সেই সেই ৰাজ্যত প্ৰচলিত যি ন্যূনতম মজুৰি সেই মজুৰি মতে দিয়াৰ যি নিয়ম সেই আইনখনতে আছে সেই অনুসৰি এনৰেগাৰ ন্যূনতম মজুৰি দিয়ক। অসমত ন্যূনতম ৩৫০ টকা মজুৰিসহ বছৰি ২০০ দিনৰ বাবে জবকাৰ্ড থকা সকলোকে কাম দিব লাগে, জবকাৰ্ড নথকা সকলকো বিচাৰিলে দিব লাগে।”**

এনৰেগাৰ বাবে ব্যয় বৃদ্ধিৰ লগতে বছৰি ১০০ দিনৰ ঠাইত ২০০ দিনৰ কাম, দৈনিক কমেও ৩৫০ টকা মজুৰিৰ দাবি তোলাৰ লগতে প্ৰতিবাদকাৰীসকলে ৰাজ্যত মাটিৰ খাজনাৰ বৃদ্ধিৰ বিৰুদ্ধেও শ্ল’গান দিয়ে। ৰাজ্যৰ সমগ্ৰ মাটি জৰিপ কৰি তাৰ মালিকানা নিয়মীয়াকৰণৰ নামত ৰাজ্যচৰকাৰে বিপুল পৰিমাণৰ ৰাজহ মাচুল আদায় কৰিবলৈ লোৱাৰ বিৰুদ্ধে খেতিয়ক-মজদুৰসকল আজি সঁকিয়নি দিয়ে।

অসম চাহ নিগমৰ ১৫ খনকৈ বাগিচা ব্যক্তিগত মালিকক বিক্ৰী কৰিবলৈ ওলোৱা হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধেও আজি মজদুৰ-খেতিয়কসকলে মাত মাতে। উল্লেখ্য যে অসম চৰকাৰৰ পৰিচালনাধীন এই ১৫ খন বাগিচাৰ ১৫ হেজাৰ শ্ৰমিকে দশকজুৰি বিনাৰেচনে কাম কৰাৰ উপৰি তেওঁলোকৰ ৰেচন, ভৱিষ্যনিধিৰ বাবদ কে’বাশ কোটি টকা এতিয়াও অনাদায় হৈ আছে। তদুপৰি আজিৰ বিক্ষোভতে শ্ৰমিক-কৃষকসকলে ইউক্ৰেইনক কেন্দ্ৰ কৰি সাম্ৰাজ্যবাদী যুদ্ধ আখৰাৰ বিৰুদ্ধেও মাত মাতে। “যুদ্ধ নহয় শান্তি লাগে, ৰুছ-মাৰ্কিন সাম্ৰাজ্যবাদ নিপাত যাওক” - দাবীৰে প্ৰতিবাদ জনায়। আজিৰ বিক্ষোভত গোলাঘাট জিলাত অসম মজুৰি শ্ৰমিক ইউনিয়নৰ সভাপতি বিপুল হাজৰিকা, গোলাঘাট জিলা সমিতিৰ সভাপতি ভদ্ৰেশ্বৰ শইকীয়া, ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ নেতা বিন্দু গঞ্জু, পুণ্যেশ্বৰ হাঁচদা, ৰোমিও ওৰাঙৰ নেতৃত্বত গোলাঘাট জিলাত; সদৌ অসম খেতিয়ক সন্থাৰ সম্পাদক তিলেশ্বৰ গোহাঁই, মজুৰি ইউনিয়নৰ বিপিন লাহন আদিৰ নেতৃত্বত যোৰহাট জিলাত, ঝাড়খণ্ডী আদিবাসী সংগ্ৰাম পৰিষদৰ নেতা জুনাচ তপ্নও নেতৃত্বত চিৰাং জিলাৰ নাকদৰ বাৰী-ৰুনিখাটাত, পৰিষদৰ নেতা অলচেন মাৰ্দিৰ নেতৃত্বত কোকৰাঝাৰ জিলাৰ শ্ৰীৰামপুৰত, চিপিআই(এমএল)ৰ প্ৰাঃ বিধায়ক চন্দ্ৰধৰ কলিতা আৰু সদৌ অসম খেতিয়ক সন্থাৰ হাচিম আলি, কেশৱ বৰ্মনৰ নেতৃত্বত সদৌ অসম খেতিয়ক সন্থাৰ মুখ্য কাৰ্যালয় নলবাৰী খাতিকুছিত বহু লোকে এই প্ৰতিবাদ সাব্যস্ত কৰে।

## শ্ৰদ্ধাঞ্জলি ফণীন্দ্ৰ কুমাৰ চৌধুৰী



**হাঁহি** হাঁহি মৃত্যুক হেলাৰঙে পৰাস্ত কৰিব পৰা লোক এই পৃথিৱীত কম থাকে। সেই তালিকাৰ ভিতৰতে অন্তৰ্ভুক্ত হ’ল মোৰ জেঠাৰ নাম। জেঠা, ফণীন্দ্ৰ কুমাৰ চৌধুৰী। যোৱা ১৭ ফেব্ৰুৱাৰীৰ নিশা ১০-৩০ বজাত জেঠাৰ মৃত্যু হয়। তেওঁৰ একমাত্ৰ পুত্ৰ, জ্যেষ্ঠ সাংবাদিক জিতেন্দ্ৰ কুমাৰ চৌধুৰীৰ গুৱাহাটীস্থিত বিহগী নগৰৰ বাসগৃহত তেওঁৰ মৃত্যু হয়। জেঠাৰ ১৯৩৭ৰ সাত নৱেম্বৰত ভৱানীপুৰ সৰুপেটাৰ এটা প্ৰখ্যাত পৰিয়ালত জন্ম। তেওঁৰ পিতৃ প্ৰয়াত সনাৰাম চৌধুৰী। সনাৰাম চৌধুৰীৰ সৰুপেটা হাইস্কুল, সৰুপেটা নিম্ন বুনিয়াদী প্ৰাথমিক বিদ্যালয়, সৰুপেটা আঞ্চলিক নামঘৰ আদিৰ প্ৰতিষ্ঠাপকৰূপে সুনাম থকাৰ লগতে সৰুপেটাত প্ৰায় শতবৰ্ষৰ দুৱাৰডলিত আহি উপস্থিত হোৱা বৃহত্তৰ সৰুপেটা সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা মহোৎসৱৰ প্ৰয়াত যাদৱ চন্দ্ৰ সাহাৰ লগত লগ হৈ উদ্‌যাপনৰ আৰম্ভ কৰিছিল। তেওঁৰ পিতৃয়ে স্বাধীনোত্তৰৰ কেইটিমান বৰ্ষৰ পাছতে সৰুপেটাত উচ্চ শিক্ষাৰ অনুষ্ঠান এটা গঢ়াৰ বাবে পৰিকল্পনা কৰাৰ সময়তে এটা দুৰ্ঘটনাত পতিত হৈ বিয়োগ ঘটাৰ পাছত তেওঁৰ ভ্ৰাতৃ ৰজনীকান্ত চৌধুৰীৰ নেতৃত্বত সৰুপেটাত ভৱানীপুৰ, হস্তিনাপুৰ আৰু বিজনী মৌজাক কেন্দ্ৰ কৰি বি এইছ বি মহাবিদ্যালয় স্থাপন হৈছিল। সেই পৰিয়ালৰে চতুৰ্থ পুত্ৰ সন্তান ফণীন্দ্ৰ কুমাৰ চৌধুৰী। তেওঁৰ মাতৃ প্ৰয়াত শুকেশী বালা চৌধুৰী। ৰাজ্যৰ নামজ্বলা ইতিহাসবিদ প্ৰতাপ চন্দ্ৰ চৌধুৰীৰ ভগ্নী। জেঠাই মহাত্মা গান্ধীৰ আদৰ্শত বিশ্বাসী আছিল। তেওঁৰ বাল্যকালত এবাৰ গান্ধীজী তেজপুৰলৈ আহোতে দৰ্শন লাভ কৰা কথাটো সৌ সিদিনালৈ সোঁৱৰণ কৰিছিল। তেওঁ বাল্যকালত দেখা গান্ধীৰ সেই ছবিখনে তেওঁক পাছলৈ কংগ্ৰেছৰ আদৰ্শৰ প্ৰতি সন্মোহিত কৰিছিল। তেওঁ বাল্যকালত দেখা গান্ধীৰ সেই ছবিখনে তেওঁক পাছলৈ কংগ্ৰেছৰ আদৰ্শৰ প্ৰতি সন্মোহিত কৰিছিল আৰু আমৃত্যু তেওঁ সেই আদৰ্শকে খামুচি ধৰি আছিল। ছবছৰীয়া অসম আন্দোলন, ৰাজ্যত সৰ্বস্তৰত আলফাৰ প্ৰভাৱৰ নিচিনা কংগ্ৰেছৰ দুৰ্যোগপূৰ্ণ সময়তো তেওঁ কংগ্ৰেছ কৰিছিল। তেওঁ সঞ্জয় গান্ধীকো বৰ ঘনিষ্ঠভাৱে লগ পাইছিল। ১৯৫৯ত ৰচি টনা পদ্ধতিৰে অনুষ্ঠিত হৈছিল গাঁও পঞ্চায়তৰ নিৰ্বাচন। সেই নিৰ্বাচনত তেওঁ প্ৰথম অংশগ্ৰহণ কৰিছিল আৰু জয়ী হৈ সামাজিক কাম কৰাৰ তেওঁৰ সপোনৰ বাটত খোজ দিছিল। তেওঁ ১৯৬২ত আঞ্চলিক পঞ্চায়তৰ অতিৰিক্ত সদস্য, ১৯৬৯ত গাঁও পঞ্চায়তৰ সদস্য, ১৯৭৬ত গাঁও পঞ্চায়তৰ সদস্য, ১৯৯১ত সৰুপেটা গাঁও পঞ্চায়তৰ সভাপতি, ১৯৯৬ত গাঁও পঞ্চায়তৰ সভাপতি, ২০০২ত সৰুপেটা জিলা পৰিষদৰ সদস্য নিৰ্বাচিত হৈছিল। ৰাইজে তেওঁক এগৰাকী নাট্য সেনানীৰূপে বহু কাললৈ মনত ৰাখিব। কৌতুক চৰিত্ৰবিলাক তেওঁৰ প্ৰিয় চৰিত্ৰ আছিল। তেওঁ ৭০ৰ দশকত সৰুপেটাত যাত্ৰা পাৰ্টিৰ অন্যতম জন্মদাতা আছিল। তেওঁ এসময়ত ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক অচ্যুৎ লহকৰৰ লগতো বিভিন্ন ঠাইত সহ অভিনয় কৰিছিল। অভিনেত্ৰী চেতনা দাসৰ লগতো তেওঁ হাস্যৰসিক চৰিত্ৰত অভিনয় কৰা মনত আছে। তেওঁ কে’বাটাও অপেছাদাৰী নাট্যগোষ্ঠীৰ লগত জড়িত আছিল। আজি তেওঁৰ আদ্যশ্ৰাদ্ধৰ দিনা শ্ৰদ্ধাৰে সুঁৱৰিছো।

কাশ্যপ চৌধুৰী

## গুৰুফেলাত চুলাই সেৱন কৰি কাজিয়াত আহতৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**দোতমা, ২৮ ফেব্ৰুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱৰ গুৰুফেলাত চুলাই সেৱন কৰি এজন লোকৰ মৃত্যু হয়। দুই বন্ধুয়ে চুলাই সেৱন কৰাৰ পাছত কাজিয়াৰ সুত্ৰপাত এজন গুৰুতৰভাৱে আহত হৈ মৃত্যু মুখত পৰে। গোসাঁইগাঁৱৰ কচুগাওঁ থানাৰ এক নম্বৰ হাতীগড় গাঁৱত উক্ত ঘটনাটো সংঘটিত হয়। উল্লেখ্য যে হাতীগড় গাঁৱৰ নিবাসী বৰুন ৰায় আৰু থাইগৰগুৰি গাঁৱৰ দুলাল ৰায় একেলগে গুৰুফেলাৰ হাতীগড় গাঁৱত শনিবাৰে চুলাই সেৱন কৰে। চুলাইৰ নিচাত বাক বিতণ্ডাৰ সৃষ্টি হোৱাত দুলাল বৰুণে মাৰপিট কৰি পেলাই থয়। পিছত পৰিয়ালৰ লোকে খবৰ পাই চিকিৎসালয়লৈ নিয়ে যদিও উন্নত চিকিৎসাৰ বাবে গুৱাহাটী লৈ প্ৰেৰণ কৰা হয়। আজি পুৱা গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত বৰুনৰ মৃত্যু হয়। আৰক্ষী মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰ লৈ প্ৰেৰণ কৰাৰ লগতে তদন্ত অব্যাহত ৰাখিছে।

## নগাঁৱত পৌৰসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত

বিশেষ সংবাদদাতা

**নগাঁও, ২৮ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ ভিতৰতে এখন পুৰণি চহৰ নগাঁও। এই পুৰণি চহৰখনৰ নগাঁও পৌৰসভাৰ নিৰ্বাচন অহা ছয় মাৰ্চত অনুষ্ঠিত হ'ব। ১৬ টা ৱাৰ্ডৰে গঠিত নগাঁও পৌৰসভাৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থীসকলে ভোটাৰক আকৃষ্ট কৰিবলৈ প্ৰচাৰ অভিযান চলাই আছে। উল্লেখ্য যে নগাঁও পৌৰ সভাৰ তিনিটা ৱাৰ্ডত বিজেপি প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। এতিয়া ২৩ টা ৱাৰ্ডৰ বাবে হ'ব লগা নিৰ্বাচনী যুঁজখন আকৰ্ষণীয় হৈ পৰিছে। বিজেপিৰ প্ৰাৰ্থীসকলৰ হৈ নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই মাৰাথন প্ৰচাৰ চলাইছে। মিত্ৰদল অগপ প্ৰাৰ্থীৰ হৈও সমানে প্ৰচাৰ চলাইছে বিধায়কজনে। ইফালে, বিৰোধী কংগ্ৰেছৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাইছে সাংসদ প্ৰদ্যুৎ বৰদলৈ, বিধায়ক ৰকিবুল হুছেইন, শান্তনু শৰ্মা আদিয়ে। ২৬ টা ৱাৰ্ডৰ ভিতৰত এক নম্বৰ ৱাৰ্ডটো হৈছে পৌৰসভাৰ গুৰুত্বপূৰ্ণ ৱাৰ্ড। এই ৱাৰ্ডটোৰ পৰা প্ৰয়াত জীতেন শইকীয়া দুবাৰ পৌৰপতি, প্ৰহ্লাদ ডোডী এবাৰ পৌৰপতি, প্ৰয়াত যদুৰাম শইকীয়া এবাৰ উপ-পৌৰপতি, চন্দনা শইকীয়া এবাৰ উপ-পৌৰপতি হৈছিল। এইবাৰ ৱাৰ্ডটো অনুসূচিত জাতি মহিলা প্ৰাৰ্থীৰ বাবে সংৰক্ষিত। কংগ্ৰেছৰ প্ৰাৰ্থী হৈছে কৃত্তিকা ৰায় আৰু বিজেপি প্ৰাৰ্থী হৈছে মল্লিকা সুত্ৰধৰ। কৃত্তিকা আৰু মল্লিকাৰ মাজতে সীমাবদ্ধ থাকিব নিৰ্বাচনী যুঁজ। ৱাৰ্ডটোত মুঠ ভোটাৰৰ সংখ্যা ১৮৯৫। ভোটকেন্দ্ৰ মাৰোৱাৰী হিন্দী বিদ্যালয়। উল্লেখ্য যে ৱাৰ্ডটোত কংগ্ৰেছৰ প্ৰাৰ্থী কৃত্তিকা ৰায়ৰ ঠিকনা দুই নম্বৰ ৱাৰ্ডত। মাৰোৱাৰী, বঙালী, অসমীয়া লোকৰ বসতি প্ৰধান ৱাৰ্ডটোত জাবৰ, নলা আদি মূল সমস্যা। ইপিনে, তেলিয়াপট্টি, শান্তিপুৰ, চানমাৰি একাংশ আদিক লৈ গঠিত নগাঁও পৌৰসভাৰ দুই নম্বৰ ৱাৰ্ড। ৱাৰ্ডটোত প্ৰতিদ্বন্দ্বিতা কৰিছে দুগৰাকীয়ে। বিজেপিৰ বুলবুলি সাহা আৰু কংগ্ৰেছৰ ভাৰতী ৰাণী পাল। ৱাৰ্ডটোৰ এক জটিল সমস্যা বাৰিষাৰ কৃত্ৰিম বান। ৱাৰ্ডটোত মুঠ ভোটাৰৰ সংখ্যা ৪৭৮০ জন। আনহাতে, তিনি নম্বৰ ৱাৰ্ডত প্ৰতিদ্বন্দ্বিতা কৰিছে তিনিগৰাকী প্ৰাৰ্থীয়ে। তিনিগৰাকী প্ৰাৰ্থীৰ ঘৰ মাধৱদেৱ পথত। বিজেপিৰ প্ৰাৰ্থী নৱস্মিতা মেধি বৰা, কংগ্ৰেছৰ মেঘালী বৰা আৰু নিৰ্দলীয় মণিকা লিগিৰা। বীণাপানি, উত্তৰ হয়বৰগাঁও, মাজৰআটি চাৰিআলি আদিক লৈ গঠিত ৱাৰ্ডটো। ইয়াত মুঠ ভোটাৰ আছে ৩৩৩৯ জন। চহৰখনৰ পুৰণি এ টি ৰোড, শনি মন্দিৰ, হনুমান মন্দিৰ আদি অঞ্চলক লৈ গঠিত চাৰি নম্বৰ ৱাৰ্ড। ৱাৰ্ডটোৰ মূল সমস্যা হৈছে যান-জঁটৰ সমস্যা। ২৮০৬ জন ভোটাৰক লৈ গঠিত ৱাৰ্ডটো। প্ৰতিদ্বন্দ্বিতা কৰিছে দুগৰাকী প্ৰাৰ্থীয়ে। কংগ্ৰেছৰ মালিনী গুপ্তা আৰু বিজেপিৰ হেমা ঝাঁৱাৰ। পাঁচ নম্বৰ ৱাৰ্ডটোত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী দুজন। বিজেপিৰ প্ৰাৰ্থী গজেন বৰা। নিৰ্দলীয় প্ৰাৰ্থী প্ৰাৰ্থনা দাস। ভগনীয়া চুক, দক্ষিণ হয়বৰগাঁও আদি অঞ্চল সামৰি লৈছে ৱাৰ্ডটোৱে। ৱাৰ্ডটোৰ ভোটকেন্দ্ৰ হৈছে হয়বৰগাঁও বিবেকানন্দ বিদ্যাপীঠ, দক্ষিণ হয়বৰগাঁও নেহৰু বিদ্যাপীঠ।

■ শ্ৰমিকৰ ন্যায্য প্ৰাপ্যৰ দাবী ■ এন আৰ এলৰ সমহাৰত শ্ৰমিকক মজুৰি প্ৰদানৰ দাবী

## শ্ৰমিকৰ উত্তাল প্ৰতিবাদত কঁপিল নুমলীগড়ৰ বায়' ৰিফাইনেৰীৰ মুখ্য দ্বাৰ



অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ২৮ ফেব্ৰুৱাৰী ঃ** নুমলীগড়ৰ আসাম বায়' ৰিফাইনেৰী প্ৰাইভেট লিমিটেডৰ নিৰ্মিয়মান প্ৰকল্পত কৰ্তৃপক্ষ আৰু একাংশ ঠিকাদাৰী প্ৰতিষ্ঠানৰ শোষণৰ বলি হৈছে শ-শ শ্ৰমিক এই অভিযোগ অসম বায়' ৰিফাইনেৰী কনষ্ট্ৰাকচন কণ্ট্ৰেকচুৱেল ৱৰ্কাৰ্ছ ইউনিয়নৰ। শ্ৰমিক সংগঠনটোৰ উদ্যোগত আজি নিৰ্মীয়মান প্ৰকল্পটোৰ মুখ্যদ্বাৰত অনুষ্ঠিত হয় এখন প্ৰতিবাদী সভা। উক্ত প্ৰতিবাদী সভাত শ্ৰমিক ইউনিয়নৰ সভাপতি ধ্ৰুৱজ্যোতি বৰা, সম্পাদক অনিৰুদ্ধ কৰ্মকাৰ, অসম পেট্ৰ'লিয়াম মজদুৰ ইউনিয়নৰ নুমলীগড় শাখাৰ সভাপতি ৰাজু বৰুৱা, নুমলীগড় শোধনাগাৰ গ্ৰেটাৰ ৱৰ্কাৰ্ছ ইউনিয়নৰ সভাপতি প্ৰশান্ত হাজৰিকাই শ্ৰমিকৰ শোষণ আৰু নিষ্পেষণৰ বিৰুদ্ধে সৰৱ হৈ পৰে। টেণ্ডাৰ মেনুৱেলত উল্লেখ থকাৰ পাছতো বায় ৰিফাইনেৰী কৰ্তৃপক্ষই শ্ৰমিকসকলক এন আৰ এলৰ সমহাৰত মজুৰি প্ৰদান নকৰাক লৈ ক্ষুব্ধ হৈ পৰিছে শ্ৰমিকসকল। ঠিকাদাৰী প্ৰতিষ্ঠানসমূহে মইমতালিৰে শ্ৰমিক চাটাই কৰা, স্থানীয় নিৱনুৱাসকলক সংস্থাপন প্ৰদান নকৰা আৰু ৰিফাইনেৰী পাশ্বৱৰ্তী অঞ্চলত উন্নয়ণমূলক কাম কাজ নকৰাৰ বিষয়ক লৈ সৰৱ হৈ পৰে ৱৰ্কাৰ্ছ ইউনিয়ন। বায় ৰিফাইনেৰী কৰ্তৃপক্ষক শ্ৰমিক ইউনিয়নে এন আৰ এলৰ সমহাৰত মজুৰি বৃদ্ধি, স্থায়ী অস্থায়ী পদত স্থানীয় নিবনুৱাক নিযুক্তি, সকলো শ্ৰমিকৰ ভৱিষ্যনিধি, স্বাস্থ্য বীমা প্ৰদান, বায়' ৰিফাইনেৰীৰ দাঁতি কাষৰীয়া অঞ্চলৰ আঁন্তঃগাঁথনি উন্নয়ন, শ্ৰমিক চাটাই বন্ধ কৰা আদি মুঠ আঠদফীয়া দাবী চনদ প্ৰদান কৰি শীঘ্ৰে শ্ৰমিকসকলৰ সমস্যা সমাধানৰ দাবী উত্থাপন কৰে। ইয়াৰ অন্যথা তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দিছে শ্ৰমিক সংগঠনটোৱে।

## কমাৰগাঁৱৰ নগাবালি প্ৰাথমিক বিদ্যালয়ত অঘটন, প্ৰকাণ্ড গছ পৰি আহত ১০

**খুমটাই, ২৮ ফেব্ৰুৱাৰী ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত কমাৰগাঁৱৰ নগাবালিত নগাবালি প্ৰাথমিক বিদ্যালয়ত আজি দিনৰ ১১ বজাত বিদ্যালয়খনৰ কাষৰ এজোপা প্ৰকাণ্ড গছ বিদ্যালয়খনৰ পাঠদান চলি থকা অৱস্থাত পৰি যোৱাত বিদ্যালয়খনৰ ১০জন ছাত্ৰ ছাত্ৰী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। উল্লেখ যে নগাবালি প্ৰাথমিক বিদ্যালয়ৰ কাষৰে ৰাজু ছেত্ৰী নামৰ লোকজনে কৰতিয়াল লগাই নিজৰ বাৰীত গছ কাটি থকা অৱস্থাত হঠাৎ গছ জোপা বিদ্যালয়খনৰ গৃহত পৰি যায়। ফলত প্ৰাথমিক বিদ্যালয়খনৰ আহত অংকুৰ দাস, বিদুৰ দাস, ডিম্পল গগৈ, বিকাশ বৰা, ৰাকেশ দাস, জ্যোতিস্মা দাস, মায়া দাস, বিদিশা দাস, মানসজ্যোতি দাস, নমিতা গগৈ, তৃষ্ণা দাসক তাৎক্ষণিকভাৱে ১০৮ এম্বুলেন্স সেৱাৰে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। ইয়াৰে অংকুৰক সংকটজনক অৱস্থাত গোলাঘাট ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। আন পাঁচজন ছাত্ৰ ছাত্ৰীক বোকাখাত ছহিদ কমলামিৰি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে চাৰিজন ছাত্ৰীক কমাৰগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসা আগবঢ়াই ঘৰলৈ যাবলৈ দিয়ে। ঘটনাস্থলীত কমাৰগাঁও আৰক্ষী আৰু বনবিভাগৰ লোক উপস্থিত হৈ ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে।

## মৰাণত পৃথক পথ দুৰ্ঘটনাত এজন নিহত, আহত এক

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৮ ফেব্ৰুৱাৰী ঃ** চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ মাজগাঁৱত মৰাণ-নাহৰকটীয়া গড়কাপ্তানী পথত আজি পুৱা প্ৰায় সাত বজাত এটা পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। মনজিৎ চুতীয়া (৪০) নামৰ লোকজনে পথৰ কাষত ৰৈ থকা অৱস্থাত মৰাণ নগৰ দিশে আহি থকা আল্টো বাছে মহটিয়াই নিয়াৰ ফলত থিতাতে নিহত হয়। স্থানীয় ৰাইজে জানিবলৈ দিয়া মতে আজি মৃত লোকজনৰ পিতৃৰ শ্ৰাদ্ধ আছিল। শ্ৰাদ্ধৰ কাৰণে গাখীৰ নিবলৈ মৰাণলৈ আহোতে এই শোকাবহ ঘটনাটো সংঘটিত হয়। ঘটনা সংঘটিত কৰি বাছখন তীব্ৰ বেগেৰে পলাই যায়। ইফালে, ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ খটখটিৰ ওচৰত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত আজি পুৱা প্ৰায় ন বজাত শিৱসাগৰ জিলা দিশৰ পৰা আহি থকা এ এছ ২৩ চি চি ২৮৩৮ নম্বৰৰ ট্ৰেভেলাৰখনে একে দিশৰ পৰা আহি থকা এ এছ ০৬ এক্স ৫৩৯২ নম্বৰৰ স্কুটীখন মহটিয়াই নিয়ে। ফলত স্কুটী চালক তোহিন নন্দী (৩৬) নামৰ লোকজন গুৰুতৰভাৱে আহত হয়। আহত লোকজনক লগে লগে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া হয়। আৰক্ষীয়ে ট্ৰেভেলাৰখন জব্দ কৰিছে যদিও চালকজন পলাই যায়।

## নলবাৰীৰ শৈশৱ বিদ্যাপীঠত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস

অগ্ৰদূত বাৰ্তা

**নলবাৰী/বৰভাগ, ২৮ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে আজি ন'বেল বঁটা বিজয়ী প্ৰখ্যাত ভাৰতীয় বিজ্ঞানী চি ভি ৰমণৰ সোঁৱৰণত নলবাৰীতো জিলা পৰ্যায়ৰ ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস অনুষ্ঠিত হয়। অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ অন্তৰ্গত অসম বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ পৃষ্ঠপোষকতাত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ নলবাৰীয়ে শৈশৱ বিদ্যাপীঠ বৰমুৰিকোণাৰ সহযোগত শৈশৱ বিদ্যাপীঠত জিলা পৰ্যায়ৰ এই ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস অনুষ্ঠিত হয়। উক্ত দিৱসৰ স'তে সংগতি ৰাখি জিলা পৰ্যায়ত এখন পোষ্টাৰ অংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। দুটা শাখাত আয়োজন কৰা এই প্ৰতিযোগিতাত জিলাখনৰ তৃতীয় শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ এটা শাখা আৰু ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ আন এটা শাখাত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ বিষয় হ'ল নিম্ন শাখাৰ আমাৰ 'দৈনন্দিন জীৱনত বিজ্ঞান' আৰু উচ্চ শাখাৰ বিষয় 'বিজ্ঞান আৰু পৰিৱেশ'। এই দিৱসৰ স'তে সংগতি ৰাখি এটি জনপ্ৰিয় বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত বক্তৃতা প্ৰদান কৰে বিজ্ঞান লেখক, বৰভাগ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° মহানন্দ পাঠকে। উক্ত অনুষ্ঠানত বক্তৃতা প্ৰদান কৰি পাঠকে বিজ্ঞান দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানটো উদ্বোধন কৰে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, নলবাৰী জিলাৰ সভাপতি ড° দিনমণি ভাগৱতীয়ে। মুকলি অনুষ্ঠানত অতিথিৰূপে অংশগ্ৰহণ কৰে গ্ৰাম্য বিকাশ মঞ্চৰ সম্পাদক দিবাকৰ ডেকা আৰু শৈশৱ বিদ্যাপীঠৰ প্ৰধান শিক্ষক হেলিমুদ্দিন আহমেদে। বক্তৃতানুষ্ঠানৰ পাছত প্ৰাচীৰ পত্ৰিকা উন্মোচন, মুকলি কুইজকে ধৰি কে'বাটাও আন অনুষ্ঠান ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা হয়। অনুষ্ঠানটো পৰিচালনা কৰে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ নলবাৰী জিলা সমন্বয়ক প্ৰদীপ মহন্তই।

## নদুৱাৰৰ অন্তৰ্গত টেঙাবস্তিত শিৱ মহাপুৰাণ পাঠ



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৮ ফেব্ৰুৱাৰী ঃ** নদুৱাৰৰ অন্তৰ্গত এক নম্বৰ টেঙাবস্তি হাৱা বজাৰ শিৱ মন্দিৰ প্ৰাংগণত বিশ্বনাথ জিলা হিন্দু জাগৰণ মঞ্চৰ উদ্যোগত অনুষ্ঠিত কৰা হয় শিৱ মহাপুৰাণ পাঠ। বৃহত্তৰ এক নম্বৰ টেঙাবস্তি, গুটিবাৰী, বালিজুৰি আৰু জয়সিদ্ধিবাসী ৰাইজৰ সহযোগত সাৰ্বজনীনভাৱে এই শিৱ মহাপুৰাণ পাঠ অনুষ্ঠিত কৰা হয়। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত শিৱ মহাপুৰাণ পাঠত উপস্থিত হৈ চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই কয় যে এনে ধৰণৰ অনুষ্ঠানে ৰাইজৰ মাজত আধ্যাত্মিক পৰিৱেশ সৃষ্টি কৰাৰ লগতে বিভিন্ন জাতি-জনগোষ্ঠী ৰাইজৰ মাজত সদ্‌ভাৱ সৃষ্টি কৰিব। অনুষ্ঠানৰ জৰিয়তে সকলো শ্ৰেণী ৰাইজৰ মাজত শান্তি-সম্প্ৰীতি গঢ়লৈ উঠক বুলি মন্তব্য কৰে বিধায়ক হাজৰিকাই। শিৱ মহাপুৰাণ পাঠ অনুষ্ঠানত শ শ ভক্তপ্ৰাণ ৰাইজৰ অংশগ্ৰহণ দেখিবলৈ পোৱা যায়। শিৱপুৰাণ পাঠৰ লগত সংগতি ৰাখি উদ্যোক্তাসকলে জলযাত্ৰাকে ধৰি বিভিন্ন কাৰ্যসূচীও ৰূপায়ণ কৰে।





### বিশ্বৰ সকলো ফুটবল ষ্টেডিয়ামৰ পৰাই ৰাছিয়াৰ পতাকা আঁতৰাই দিয়াৰ নিৰ্দেশ দিলে ফিফাই

# ৰাছিয়া-বেলাৰুছৰ খেলুৱৈক নিষিদ্ধ আই অ' চিৰ






**পেৰিছ, ২৮ ফেব্ৰুৱাৰী ঃ** আন্তৰ্জাতিক অলিম্পিক কমিটীয়ে আজি ৰাছিয়াৰ লগতে বেলাৰুছৰ খেলুৱৈকো সকলোধৰণৰ ক্ৰীড়া প্ৰতিযোগিতাৰ পৰা তাৎক্ষনিকভাবে নিধিদ্ধ ঘোষণা কৰিছে। আন্তৰ্জাতিক অলিম্পিক কমিটীৰ নিজা ক্ৰীড়া প্ৰতিযোগিতাৰ লগতে আই অ' চিৰ পঞ্জীয়ন থকা অন্য ক্ৰীড়া ফেডাৰেছনৰ খেলতো এতিয়াৰে পৰা অংশ ল'ব নোৱাৰিব ৰাছিয়া আৰু বেলাৰুছৰ খেলুৱৈয়ে। ইফালে, ফিফাই আন্তৰ্জাতিক পৰ্যায়ৰ সকলো মেচৰ পৰাই ষ্টেডিয়ামত থকা ৰাছিয়াৰ পতাকা আঁতৰাই দিবলৈ দেশ তথা ক্লাবলৈ নিৰ্দেশ দিছে। ৰাছিয়াই ইউক্ৰেইনক কৰা আক্ৰমনৰ বাবে এনে সিদ্ধান্ত লৈছে ফিফা আৰু আন্তৰ্জাতিক অলিম্পিক কমিটীয়ে। উল্লেখ্য যে ইউক্ৰেইনক কৰা আক্ৰমনৰ বাবে বিশ্ববাসীয়ে গৰিহনা দিছে ৰাছিয়াক। ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ মানবতা বিৰোধী স্থিতিৰ বাবে ইউৰোপৰ দেশৰ লগতে আমেৰিকাসহ কেবাখনো ৰাষ্ট্ৰই ৰাছিয়াৰ লগত থকা সকলোধৰণৰ সম্পৰ্ক ছেদ কৰাৰ দৃঢ় পদক্ষেপো হাতত লৈছে। তাৰমাজতে ক্ৰীড়া বিশ্বয়ো ৰাছিয়া তথা পুটিনক এঘৰীয়া কৰাৰ কঠোৰ সিদ্ধান্ত লৈছে। আন্তৰ্জাতিক অলিম্পিক কমিটীয়ে ৰাছিয়াত কোনো ধৰণৰ আন্তৰ্জাতিক ক্ৰীড়া প্ৰতিযোগিতা আয়োজন নকৰিবলৈ সকলো আন্তৰ্জাতিক ক্ৰীড়া ফেডাৰেছনক নিৰ্দেশনা দিছে। ইতিমধ্যে বাতিল হৈছে মস্কোত হ'ব লগা জুনিয়ৰ বিশ্ব সাঁতোৰ। আনহাতে, আন্তৰ্জাতিক বেডমিণ্টন ফেডাৰেছনেও ৰাছিয়া-বেলাৰুছত হ'বলগা প্ৰতিযোগিতা বন্ধ ৰাখিছে লগতে স্থান পৰিবৰ্তন কৰাৰ বিষয়ে অৱগত কৰিছে। ইফালে, ৰাছিয়াৰ ছেইণ্ট পীটাৰ্ছবাৰ্গত হ'বলগা চেম্পিয়নছ লীগৰ ফাইনেলো বাতিল কৰিছে ইয়েফাই। এতিয়া পেৰিছত হ'ব চলিত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচ। ইফালে, কাটাৰ ফিফা বিশ্বকাপৰ মেচ ৰাছিয়াৰ বিৰুদ্ধে নেখেলাৰ সিদ্ধান্ত লৈছে পোলেণ্ড আৰু ছুইডেনে। যুদ্ধ কৰাৰ দেশৰ লগত ফুটবল নহয় বুলি ফিফাক ইতিমধ্যে জনাই দিছে দেশ দুখনে। আনহাতে, আন্তৰ্জাতিক জুডো ফেডাৰেছনে পুটিনক সন্মানীয় সভাপতি পদৰ পৰা নিলম্বিত কৰাৰ সিদ্ধান্ত লৈছে। ইউক্ৰেইনক কৰা আক্ৰমনৰ বাবেই ৰুছ ৰাষ্ট্ৰপতি পুটিনৰ বিৰুদ্ধে এই সিদ্ধান্ত লৈছে আন্তৰ্জাতিক জুডো ফেডাৰেছনে। উল্লেখ্য যে পুটিন এজন জুডোকা আছিল। আনহাতে, আন্তৰ্জাতিক জুডো ফেডাৰেছনে তেওঁক ২০০৮ ৰ পৰাই সভাপতি হিচাপে নিৰ্বাচন কৰি আহিছে।





নিউজিলেণ্ডত চাৰি মাৰ্চৰ পৰা হ'বলগা মহিলা বিশ্বকাপ ক্ৰিকেটৰ ট্ৰফী উদ্বোধনী অনুষ্ঠানত অধিনায়িকাসকল

## ভলীবলৰ সামৰণি

**ছয়গাঁও, ২৮ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপৰ কুকুৰমাৰা আঞ্চলিক ক্ৰীড়া আৰু সাংস্কৃতিক সন্থাৰ উদ্যোগত অনুষ্ঠিত দিবা-নৈশ আমন্ত্ৰনমূলক ভলীবল প্ৰতিযোগিতাত আমত'লা সত্ৰ কচম'পলিটান ক্লাব চেম্পিয়ন হৈছে । কুকুৰমাৰাৰ ৰোহিনী কুমাৰ হাইস্কুল খেলপথাৰত অনুষ্ঠিত শিৱচৰণ বড়া-কমলা বড়া-প্ৰফুল্লবালা দাস সোঁৱৰণী প্ৰতিযোগিতাখনৰ ফাইনেলত কচম'পলিটানে ছয়গাঁও ভলীবল ক্লাবক ২৫-১৭ আৰু ২৫-১৮ পইণ্টত হৰুৱায় । মুঠ ছয়টা ক্লাবে অংশ লোৱা প্ৰতিযোগিতাখন কাছকাৰ পতাকা উত্তোলনেৰে উদ্বোধন কৰে সন্থাৰ সভাপতি ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ গণেশ মজুমদাৰে । কাহুৰা আৰু তিনিআলি ক্লাবৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলত প্ৰতিযোগিতাৰ দাতা শিৱৰাম দাস আৰু মৃগেন্দ্ৰ বৰাৰ সৈতে দুয়োটা দলৰ খেলুৱৈ আৰু খেল পৰিচালকক চিনাকি কৰাই দিয়া হয়।

## এ এন কিড'ৱাই ট্ৰফী ক্ৰিকেটৰ ছেমিফাইনেলত অম্লান গোষ্ঠী

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২৮ ফেব্ৰুৱাৰী ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা এ এন কিড'ৱাই ট্ৰফী আন্তঃক্লাব ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ খেলত অম্লান গোষ্ঠীয়ে নগাঁও ৰাজস্থানী যুৱক সংঘ (এন আৰ ৱাই এছ)ক ৫৬ ৰাণত সহজে হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জনৰে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। খেলখনত অম্লান গোষ্ঠীয়ে টছত জিকি পোনতে বেট ধৰি ৩২.৫ অভাৰত সকলোকেইটা উইকেটৰ বিনিময়ত ১৬৬ ৰাণ সংগ্ৰহ কৰে। বলিঙত নগাঁও ৰাজস্থানী যুৱক সংঘৰহৈ মুকেশ আগৰৱালা আৰু নৱীন কুমাৰ শৰ্মাই তিনিটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত নগাঁও ৰাজস্থানী যুৱক সংঘ দলটোৱে ২৬.২ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ১১০ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত অম্লান গোষ্ঠীৰহৈ নয়ন বৰাই চাৰিটা,ভাস্কৰজ্যোতি হাজৰিকাই তিনিটা উইকেট দখল কৰে।

### ক্ৰমাগত ১২ খন টি-২০ মেচত জয়লাভ কৰি গৌৰৱময় সফলতা

## টীম ইণ্ডিয়াৰ বিশ্ব অভিলেখ

**নতুন দিল্লী, ২৮ ফেব্ৰুৱাৰী ঃ** ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাটো ৩-০ ৰ ব্যৱধানৰে দখল কৰি এক নতুন বিশ্ব অভিলেখ গঢ়িছে। উল্লেখ্য যে যোৱানিশা অনুষ্ঠিত হোৱা শৃংখলাৰ তৃতীয় তথা অন্তিম মেচত ভাৰতে ছয় উইকেটত জয়ী শ্ৰীলংকাক হোৱাইটৱাশ্ব কৰে। এয়া আছিল ভাৰতীয় দলৰ ক্ৰমাগত ১২ নম্বৰ টি-২০ মেচত জয়লাভ। মেচখনত ১৪৭ ৰাণৰ লক্ষ্য লৈ বেটিং কৰা ভাৰতে ১৬.৫ অভাৰতে চাৰি উইকেট হেৰুৱাই ১৪৮ ৰাণ কৰি সহজ জয় অৰ্জন কৰে। ভাৰতৰ বিজয় নায়ক শ্ৰেয়াছ আয়াৰে ৭৩ ৰানত অপৰাজিত থাকে। তেওঁৰ লগত দলক জয় কৰি ডেছিং ৰূমলৈ আহে ৰবীন্দ্ৰ জাদেজা (২২)। আনহাতে, দীপক হুদাই ২১ ৰাণ কৰাৰ বিপৰীতে অপেনিঙত ব্যৰ্থ হয় ৰোহিত (৫) আৰু সঞ্জু ছেমছন (১৮)। ভেংকটেছ আয়াৰেও পাঁচত বিদায় লয়। উল্লেখ্য যে ক্ৰমাগত ১২ নম্বৰ টি-২০ মেচত জয়লাভ কৰি টীম ইণ্ডিয়াই আফগানিস্তানে ইতিপূৰ্বে গঢ়া বিশ্ব অভিলেখৰ সমতা স্থাপন কৰিছে। টেষ্ট খেলা দেশ হিচাপে ভাৰত আৰু আফগানিস্তানে ক্ৰমাগত ১২ নম্বৰ টি-২০ মেচত জয়লাভ কৰিছে। তৃতীয় মেচখনত ইয়াৰপূৰ্বে শ্ৰীলংকাই পোনতে বেটিং কৰি দুৰ্বল আৰম্ভণি কৰে যদিও ছানাকাৰ ৭৪ ৰাণৰ সহায়ত পাঁচ উইকেটত ১৪৬ ৰাণ কৰে। ভাৰতৰ অভেছ খানে দুটা উইকেট পায়। উল্লেখ্য যে ভাৰতে ইয়াৰপূৰ্বে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাটো ৩-০ ৰ ব্যৱধানৰে দখল কৰিছিল। ঘৰত খেলা ক্ৰমাগত দুটা শৃংখলাত বিপক্ষক হোৱাইটৱাশ্ব কৰিলে টীম ইণ্ডিয়াই। উল্লেখ্য যে ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন মেচত ৬২ ৰাণত জয়ী হৈ শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছিল। লক্ষ্ণৌত অনুষ্ঠিত হোৱা মেচত ভাৰতে ২০ অভাৰত দুই উইকেটৰ বিনিময়ত ১৯৯ ৰাণ কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৩৭-৬ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, ভাৰতে দ্বিতীয়খন মেচত সাত উইকেটত জয়লাভ কৰিছিল। ধৰমশালত অনুষ্ঠিত হোৱা মেচত পোনতে বেটিং কৰি শ্ৰীলংকাই নাছাকাৰ ৭৫ ৰাণৰ সহায়ত পাঁচ উইকেটত ১৮৩ ৰাণ কৰিছিল যদিও ভাৰতে ১৭ টা বল বাকী থাকোতেই তিনি উইকেট হেৰুৱাই ১৮৬ ৰাণ কৰি জয় তথা শৃংখলা দখল কৰে। ভাৰতৰ হৈ দুই অপেনাৰ ৰোহিত শৰ্মা (১) আৰু ইযান কিষান (১৬) সফল যদিও শ্ৰেয়াছ আয়াৰ (৭৪) আৰু ৰবীন্দ্ৰ জাডেজাই (৪৫) ৰ অপৰাজিত বেটিঙৰ লগতে সঞ্জু ছেমছনৰ ৩৯ ৰাণৰ সহায়ত ভাৰতে সহজ জয় অৰ্জন কৰে।



## জিলা ভিত্তিক বেডমিণ্টনৰ সামৰণি

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি , ২৮ ফেব্ৰুৱাৰী ঃ** বিশ্বনাথ বেডমিণ্টন ক্লাবৰ সৌজন্যত তথা বিশ্বনাথ বেডমিণ্টন ক'চিং চেণ্টাৰ আৰু বিশ্বনাথ অফিচাৰ্চ ক্লাবৰ সহযোগত অনুষ্ঠিত হোৱা পঞ্চম বাৰ্ষিক জিলা ভিত্তিক বেডমিণ্টন প্ৰতিযোগিতাখনিৰ সফল সামৰনি পৰিছে। বিশ্বনাথ অফিচাৰ্চ ক্লাবৰ ইনড'ৰ ষ্টেডিয়ামত তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা এই বেডমিণ্টন প্ৰতিযোগিতাত জিলাখনৰ শতাধিক প্ৰতিযোগীয়ে ভাগ লয়। বিশ্বনাথ বেডমিণ্টন ক্লাবৰ সভাপতি তথা প্ৰশিক্ষক ভৈৰব বৰা আৰু সম্পাদক অশোক ৰাজবংশীয়ে জানিবলৈ দিয়ামতে এই বেডমিণ্টন প্ৰতিযোগিতাৰ ঘোষিত ফলাফল অনুসৰি ১১ বছৰ অনুৰ্ধৰ শাখাত অৰুনাভ মহন্তই বিজেতা আৰু আৰাধ্য ডেকাই বিজিতৰ সন্মান লাভ কৰে। ইফালে, ১৩ বছৰ অনুৰ্ধৰ শাখাত মৌচম প্ৰতিম বৰাই বিজেতা আৰু শুভম গোস্বামীয়ে বিজিতৰ সন্মান অৰ্জন কৰে। ১৫ বছৰ অনুৰ্ধৰ শাখাত জিজ্ঞাস শইকীয়াই বিজেতা আৰু শুভ্ৰজ্যোতি বৰাই বিজিতৰ সন্মান পায়। পুৰুষৰ একক শাখাত জিজ্ঞাস শইকীয়াই বিজেতা হোৱাৰ লগচে ৰিতু প্ৰীতম বৰাই বিজিতৰ সন্মান অৰ্জন কৰে। পুৰুষৰ দ্বৈত শাখাত ৰিতু প্ৰীতম বৰা আৰু সুজিৎ শ্ৰেষ্ঠই বিজেতা আৰু জিজ্ঞাস শইকীয়া আৰু দেবৰ্ষি শইকীয়াই বিজিতৰ সন্মান লাভ কৰে। ছোৱালী শাখাত জিজ্ঞাসা দেবীয়ে বিজেতা আৰু স্নিগ্ধা প্ৰিয়া দাসে বিজিতৰ সন্মান আৰু মহিলাৰ শাখাত দিপীকা বৰুৱাই বিজেতা আৰু ইন্দুপ্ৰভা শইকীয়াই বিজিতৰ সন্মান লাভ কৰে। প্ৰতিযোগিতাৰ অন্তত আয়োজিত সামৰনি অনুষ্ঠানত অন্যান্য বঁটাৰ লগতে ১৫ বছৰ অনুৰ্ধৰ শাখাত কেশৱ চন্দ্ৰ হাজৰিকা সোঁৱৰণি বঁটা, পুৰুষৰ শাখাত কুশল কলিতা সোঁৱৰণি বঁটা আৰু পুৰুষৰ দ্বৈত শাখাত ডাঃ দেবজিৎ নাথে প্ৰদান কৰা তিলক কোঁৱৰ সোঁৱৰণি চলন্ত বঁটা প্ৰদান কৰে ক্ৰমে বেডমিণ্টন প্ৰশিক্ষক ভৈৰব বৰা, সাকোমঠা ছাহ বাগিচাৰ পৰিচালক হেমন্ত বৰুৱা, ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যাপক সুনীলাল বসুমতাৰী আৰু নিপেন শইকীয়াই। উল্লেখ্য যে, এই বেডমিণ্টন প্ৰতিযোগিতাখন উদ্বোধন কৰিছিল বিশ্বনাথৰ উপায়ুক্ত তথা বিশ্বনাথ অফিচাৰ্চ ক্লাবৰ সভাপতি দেব কুমাৰ মিশ্ৰই।

## প্ৰাইজমানি ক্ৰিকেট

**নগাঁও, ২৮ ফেব্ৰুৱাৰী ঃ** নগাঁৱৰ বেঙেনাআটি ৰয়েল ক্লাৱৰ এক প্ৰশংসনীয় পদক্ষেপ। গ্ৰাম্যাঞ্চলৰ থলুৱা খেলুৱৈ সকলক প্ৰতিভা বিকাশৰ সুযোগ দিয়াৰ উদ্দেশ্যে ৰয়েল ক্লাৱে বেঙেনাআটি ৰাজহুৱা খেল পথাৰত এদিনীয়া প্ৰাইজ মানি ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰিছে। অহা ছয় মাৰ্চত অনুষ্ঠিত হ'ব লগীয়া উক্ত ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ নগদ ১০,০০০১ টকা লগত এটা ট্ৰফী দ্বিতীয় পুৰস্কাৰ ৭০০১ টকা লগতে ট্ৰফী আৰু তৃতীয় পুৰস্কাৰ ১০০১ টকা লগতে ট্ৰফী প্ৰাদন কৰা হ'ব বুলি ৰয়েল ক্লাৱৰ কৰ্মকৰ্তা সকলে জানিবলৈ দিয়ে । প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে ভৰ্তি মাছুল হ'ল ৭০১ টকা। উক্ত প্ৰতিযোগিতাৰ অনুষ্ঠিত কৰিবলৈ ক্লাৱে সকলে প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলিছে। উক্ত ক্ৰিকেট প্ৰতিযোগিতাত কোনো দলে যোগদান কৰিব বিচাৰিলে ৮৬৩৮৪ ৭৯৫০৭ আৰু ৯১০১০৫০৯৭৬ নম্বৰত আগতীয়াকৈ যোগাযোগ কৰিবলৈ উদ্যোগতা সকলে আহ্বান জনাইছে।

## ৰঙাজান ক্ৰীড়া সংঘৰ নতুন সমিতি গঠন

**ডুমডুমা, ২৮ ফেব্ৰুৱাৰী ঃ** ডুমডুমা অঞ্চলত ক্ৰীড়া সুলভ পৰিবেশ গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি অহা ৰূপাইৰ সমীপৰ ৰঙাজান ক্ৰীড়া সংঘৰ নতুন সমিতি গঠন কৰাৰ উদ্দেশ্যে ৰঙাজান ৰাজহুৱা খেল পথাৰত এখন ৰাজহুৱা সভা আৰু প্ৰতিনিধিমূলক সভা অনুষ্ঠিত কৰা হয়। সভাৰ সঞ্চালনা কৰে বিশিষ্ট ক্ৰীড়া সংগঠক তথা সংঘৰ উপদেষ্টা শিশু ভাস্কৰ হেমন্ত ৰাজ মৰানে। সভাত গাঁওখনৰ বিভিন্ন সমস্যা, ক্ৰীড়া দিশত আলোচনা কৰা হয়। সভাত ৰাইজৰ সন্মতিক্ৰমে ৰঙাজান ক্ৰীড়া সংঘৰ নতুন সমিতি গঠন কৰি দিয়ে। উক্ত সভাত ক্ৰীড়া সংঘৰ উপদেষ্টা মনোৰঞ্জন মৰাণ, শৰৎ মৰাণ, সম্পাদক মজিন মৰাণ, উপ সভাপতি নৱ মৰাণ, সুখীল মৰাণ, ফুটবল প্ৰশিক্ষক উৎপল বড়ো আদি উপস্থিত আছিল। ৰাজহুৱা সভাত পুৰণি সমিতি ভংগ কৰি সৰ্বসন্মতিক্ৰমে অচ্যুত মৰাণক সভাপতি, মজিন মৰানক উপ সভাপতি, কল্যান মৰাণক সাধাৰণ সম্পাদক, ভাগ্য মৰানক সহকাৰী সাধাৰণ সম্পাদক, কৰ্ণ কুমাৰ মৰাণক বিত্ত সম্পাদক, প্ৰণৱ মৰাণক কাৰ্যলয় সম্পাদক, পংকজ মৰাণক প্ৰচাৰ সম্পাদক আৰু মনোজ মৰাণক আলোচনী সম্পাদক হিচাপে মনোনীত কৰে। আনহাতে বহু কেইজন খেলুৱৈক সদস্য হিচাপে মনোনীত কৰে। উল্লেখ্য যে, তিনিচুকীয়া জিলাৰ ডুমডুমাৰ সমীপৰ ৰঙাজানত ২০১৮ ত ৰাজহুৱা সভা আয়োজন কৰি বৃহত্তৰ ৰঙাজান অঞ্চলৰ ক্ৰীড়াক্ষেত্ৰ আগবঢ়াই নিবলৈ ৰঙাজান ক্ৰীড়া সংঘৰ এখন সমিতি গঠন কৰি দিছিল। সংঘই ইতিমধ্যে ক্ৰীড়াৰ লগতে বহু সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে।

### দ্বিতীয় টেষ্টত জয়ৰ সন্ধিক্ষণত দক্ষিণ আফ্ৰিকা

## ৪২৬ ৰাণৰ বিজয়লক্ষ্য লৈ দ্বিতীয় ইনিংছত দুৰ্বল আৰম্ভণি নিউজিলেণ্ডৰ



**ক্ৰিছচাৰ্চ, ২৮ ফেব্ৰুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাই চলিত দ্বিতীয়খন টেষ্টত নিউ জিলেণ্ডৰ সন্মুখত ৪২৬ ৰাণৰ বিজয়লক্ষ্য ৰাখিছে। ইফালে, এই ৰাণ অনুসৰণ কৰি দ্বিতীয় ইনিংছ আৰম্ভ কৰা নিউজিলেণ্ডে ৯৪ ৰাণতে চাৰিটা উইকেট হেৰুৱাই বিপদত পৰিছে। এতিয়াও ৩৩২ ৰাণত পিছ পৰি আছে নিউজিলেণ্ড। উল্লেখ্য যে টেষ্টখনত দক্ষিণ আফ্ৰিকাৰ প্ৰথম ইনিংছৰ ৩৬৪ ৰাণৰ প্ৰত্যুত্তৰত নিউজিলেণ্ডে প্ৰথম ইনিংছ সামৰে ২৯৩ ৰাণত। ঘৰুৱা দলৰ হৈ গ্ৰেনধ'মে ১২০ ৰাণৰ শতকীয় ইনিংছ খেলে। দক্ষিণ আফ্ৰিকাই প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰে। ইফালে, দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছ আৰম্ভ কৰি কালি পাঁচ উইকেটত ১৪০ ৰাণ কৰি সামগ্ৰিকভাবে ২১১ ৰাণৰ অগ্ৰগতি লোৱাৰ পাছত আজি ৩৫৪-৯ ৰাণত ইনিংছ ঘোষণা কৰে আৰু নিউজিলেণ্ডৰ সন্মুখত ৪২৬ ৰাণৰ বিজয়লক্ষ্য দিয়ে। উল্লেখ্য যে নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা টেষ্ট শৃংখলাৰ প্ৰথম মেচতে চমকপ্ৰদ প্ৰদৰ্শন কৰিছিল। তিনিদিনতে সমাপ্ত হোৱা মেচখনত নিউজিলেণ্ডে এক ইনিংছ আৰু ২৭৬ ৰাণৰ বিশাল ব্যৱধানত পৰাস্ত কৰে দক্ষিণ আফ্ৰিকাক। উল্লেখ্য যে প্ৰথম টেষ্টৰ প্ৰথমদিনা পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই মাত্ৰ ৯৫ ৰাণতে প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত নিউজিলেণ্ডে প্ৰথম ইনিংছত ৪৮২ ৰাণত অলআউট হয়। ইফালে, দক্ষিণ আফ্ৰিকাই দ্বিতীয় ইনিংছতো বেটিঙত ব্যৰ্থ হৈ ১১১ ৰাণত অলআউট হয় আৰু পৰাজয় স্বীকাৰ কৰে। এই চলিত টেষ্টত এতিয়া জয়ৰ সন্ধিক্ষণত উপনীত হৈছে দক্ষিণ আফ্ৰিকা।

## অসম পৰ্বতাৰোহণ সন্থাৰ লাডাখ অভিযান

**অগ্ৰদূত বাৰ্তা, কলিয়াবৰ, ২৮ ফেব্ৰুৱাৰী ঃ** উত্তৰ পূৰ্বাঞ্চলৰ দুঃসাহসীক ক্ষেত্ৰখনৰ বাটকটীয়া সংগঠন অসম পৰ্বতাৰোহন সন্থাই বিগত বছৰৰ দৰেই এইবাৰো অয়োজন কৰিছে শীতকালীন দুঃসাহসীক অভিযান । লাডাখত হ'বলগা ট্ৰেকিং, চাইক্লিং আৰু ইউ টি কাংৰী শিখৰ অভিযানৰ নিৰ্বাচিত মুঠ ২২ জন অভিযাত্ৰীৰে গঠন হোৱা দলটোৰ ট্ৰেকিং অভিযানৰ সদস্যসকল ইতিমধ্যে লাডাখলৈ ৰাওনা হৈছে । অসম পৰ্বতাৰোহন সন্থাৰ জ্যেষ্ঠ সসস্য সকলৰ আৰু ক্ৰীড়া সঞ্চালকালয়ৰ কেইবাজনো বিষয়ৰ উপস্থিতিত অলপতে অসম ক্ৰীড়া আৰু যুৱকল্যান মন্ত্ৰী বিমল বৰাই ফ্লেগ অফ কৰি সমান্তৰালকৈ হ'বলগা অভিযান কেইটাৰ শুভ উদ্বোধন কৰে । মানস বৰুৱাৰ নেতৃত্বত হ'বলগা মাউন্ট ইউ টি কাংৰী অভিযানত অংশগ্ৰহন কৰিবলৈ যোৱা সদস্যসকল হ'ল ক্ৰমে উপেন চক্ৰৱৰ্তী, জগদ্বীশ বসুমতাৰী, কৌশিক দাস, ভাস্কৰ বৰুৱা, জয়ন্ত নাথ, ধ্ৰুৱজ্যোতি হাজৰিকা আৰু মনোজ কুমাৰ পাটোৱাৰী। ইফালে, শেখৰ বৰদলৈৰ নেতৃত্বত হ'বলগা চাইক্লিং অভিযানটোৰ আন সদস্যসকল হ'ল চন্দোৎপল গগৈ,দৃষ্টি কাশ্যপ বৰদলৈ, নিৰজ বৰা, আৰু কৃশানু বৰা।

## বিশেষভাৱে সক্ষম ছাত্ৰ ছাত্ৰীৰ ক্ৰীড়া সমাৰোহ

অগ্ৰদূত বাৰ্তা

**সৰুপথাৰ, ২৮ ফেব্ৰুৱাৰী ঃ** ধনশিৰি মহকুমাৰ অসম-নগালেণ্ড সীমান্তৰ উৰিয়ামঘাট বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ খেলপথাৰ প্ৰাংগনত গোলাঘাট দক্ষিণ শিক্ষা খণ্ডৰ উদ্যোগত দিনযোৰা কাৰ্যসূচীৰে উৰিয়ামঘাট অঞ্চলৰ বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰী সকলৰ মাজত ক্ৰীড়া সমাৰোহ অনুষ্ঠিত কৰে। প্ৰায় ৭০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰা এই ক্ৰীড়া সমাৰোহৰ আৰম্ভনিতে পতাকা উত্তোলন কৰে। গোলাঘাট দক্ষিণ শিক্ষা খণ্ডৰ বিষয়ববীয়া সকলে দিব্যাংগ শিশুসকলৰ মাজত দৌৰ প্ৰতিযোগিতা, বেডমিণ্টন প্ৰতিযোগিতা আৰু ফুটবল প্ৰতিযোগিতাৰ অনুষ্ঠিত কৰে। দিব্যাংগ ছাত্ৰ-ছাত্ৰী সকলেও অতি উৎসাহেৰে প্ৰতিটো প্ৰতিযোগিতাতে অংশ গ্ৰহণ কৰাৰ লগতে অভিভাৱক সকলেও আৰম্ভনিৰে পৰা সহযোগিতা আগবঢ়ায়। গোলাঘাট দক্ষিণ শিক্ষা খণ্ডৰ বিষয়াসকলে জনোৱা মতে সমাজৰ আন আন ছাত্ৰ-ছাত্ৰীসকলৰ লগতে এই বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰী সকলকো শাৰীৰিক আৰু মানসিকভাৱে সুস্থ সবল কৰি শিক্ষাৰ লগতে ক্ৰীড়া, সংস্কৃতি সকলো দিশতে আগোৱাই নিয়াটোৱেই তেওঁলোকৰ মূল উদ্দেশ্য। তেওঁলোকে গোলাঘাট জিলাৰ বিভিন্ন স্থানত এনেধৰণৰ দিব্যাংগ শিশুসকলৰ মাজত মাজে সময়ে বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা, সাংস্কৃতিক অনুষ্ঠান আৰু বিনামূলীয়া স্বাস্থ্য শিৱিৰ পাতি এই শিশুসকলক সৰ্বতো প্ৰকাৰে আগুৱাই নিবলৈ বিশেষ ভূমিকা পালন কৰি আহিছে। সমাজৰ আন আন ছাত্ৰ-ছাত্ৰী সকলৰ সমানে যাতে এই বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলে ফেৰ মাৰিব পাৰে আৰু অভিভাৱক সকলেও যাতে নিজৰ সন্তানটো দিব্যাংগ হোৱাত মানসিকভাৱে ভাঙি নপৰে তাৰ বাবে গোলাঘাট দক্ষিণ শিক্ষা খণ্ডই গ্ৰহণ কৰা মহান পদক্ষেপক সকলোৱে আদৰণি জনাইছে।



## প্ৰাইজমানি ভলীবল প্ৰতিযোগিতাত গোলাঘাট চেম্পিয়ন



অগ্ৰদূত বাৰ্তা

**উৰিয়ামঘাট, ২৮ ফেব্ৰুৱাৰী ঃ** পাহাৰীয়া জিলা কাৰ্বিআংলঙৰ লাংহিন নগৰত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা ইউনাইটেড বড়ো পিপলচ অৰ্গেনাইজেচন ইউ বি পি অৰ অষ্টম সংখ্যক বাৰ্ষিক অধিৱেশনৰ লগত সংগতি ৰাখি ড০ বিশ্বজিৎ বসুমতাৰী আৰু হৰেন বড়ো সোঁৱৰণী প্ৰাইজমানি আন্তঃজিলা ভলীবল প্ৰতিযোগিতাৰ চূড়ান্ত খেল খনত কাৰ্বি-আংলং জিলা ভলীবল দলক পৰাস্ত কৰি গোলাঘাট দলে বিজয়ী সন্মান লাভ কৰিবলৈ সক্ষম হয়। গোলাঘাট জিলাৰ ভলীবল দলটোৰ খেলুৱৈ সকল হ'ল শিৱ বড়ো,গজেন খাখলাৰী,শ্ৰীমন্ত বড়ো,অমৰিত বসুমতাৰী,হৰিশ বসুমতাৰী,ৰাকেশ বড়ো,মৃণাল বড়ো,তনুজ বড়ো। উল্লেখ্য যে প্ৰতিযোগিতাত মুঠ ১০ টা দলে অংশগ্ৰহণ কৰে। চূড়ান্ত খেল উদ্বোধন কৰি বড়ো কছাৰী কল্যাণ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মিহিনীশ্বৰ বসুমতাৰীয়ে অধিৱেশনৰ সংগতি ৰাখি ভলীবল আৰু ঘিলা খেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি খেলৰ দিশটো আগুৱাই নিয়াৰ পদক্ষেপ লোৱাৰ বাবে শলাগ লয় । অনাগত দিনত বড়ো কছাৰী কল্যাণ স্বায়ত্বশাসিত পৰিষদৰ পৰাও অন্যান্য দিশৰ লগতে ক্ৰীড়াৰ দিশটো বিশেষ গুৰুত্ব দিয়া হ'ব বুলি কয়।

## বিলাসনন্দন চ'ৰা



# ফোঁচ্ ফোঁচ্ কানুন

**যিমান** যাব লাগিছিল, সিমান বিদেছী যোৱা নাই। সেই কাৰণে বিদেছী খেদিবলৈ দিল্লীয়ে যিমান টকা দি আছিল, এতিয়াৰে পৰা সিমান টকা নিদিও বুলি কৈছে। কথাটো শুনিলে অলপ আচৰিতেই লাগে নহয়নে? বিদেশীয়ে বেদখল কৰা বুলি কিমান বেদখলকাৰীক যে অঘৰী কৰি পেলোৱা হ'ল। এনে এটা হাৱা ক্ৰিয়েট কৰা হ'ল যেন বিদেছীয়ে আহি আমাৰ মাটি-বাৰীবোৰ বেদখল কৰি ৰাখিছে। গতিকে সিহঁতক অঘৰী কৰি জাতীয়তাবাদৰ নমুনা সৰ্বত্ৰ দাঙি ধৰিব লাগে। বহুতে হিউমেনিটীৰ কথা কৈছিল। কিন্তু নেছনেলিটীৰ লগত হিউমেনিটীৰ কোনো ৰিলেছন নাই। আজি-কালি যি নেছনেলিটী চালু হৈ আছে, সেই নেছনেলিটীৰ এটাই লক্ষ্য-উদ্দেশ্য, সেয়া হ'ল কলা আৰু অন্ধ হোৱা। আপুনি যদি শুনিও একো নুশুনা হৈ থাকে, দেখিও একো নেদেখা হৈ থাকে আৰু নেদেখা-নুশুনা হৈ থাকি যদি সকলো লেংগুৱেজ বা ব'ডিলেংগুৱেজ পাহৰি কেৱল মুডীলেংগুৱেজ কৈ থাকিব পাৰে, তেন্তে সেয়াই আজিৰ আচল নেছনেলিটী! বহুতে সুধিব পাৰে— লেংগুৱেজ বাৰু বুজিলো। মনৰ ভাৱ প্ৰকাশ কৰা ভাষা। ব'ডীলেংগুৱেজ হ'ল শৰীৰটোৰে কোৱা ভাষা। কিন্তু মুডীলেংগুৱেজ কি? লেংগুৱেজ সঁচাও হ'ব পাৰে, মিছাও হ'ব পাৰে। মুডীলেংগুৱেজ গোটেই মিছা হ'লেও তাক সঁচা বুলি মানি ল'বই লাগিব। ব'ডীলেংগুৱেজ সহজতে বুজা নাযায়; কিন্তু মুডীলেংগুৱেজ সহজতে বুজি পোৱা যায় যে তাত আচলতে সঁচাৰ পৰিমাণ কিমান!

মুডীলেংগুৱেজ কোৱাসকলে সদায় এটা কথা কৈ আহিছে যে বিদেছী খেদিব লাগে; কিন্তু খেদিব নোৱাৰেহে নোৱাৰে। দেছীবিলাকেও সদায় কৈ আহিছে যে বিদেছীবোৰ যাব লাগে। কিন্তু কৈহে আহিছে। খেদিব হ'লে পৰা নাই। দিল্লীৰ খং— খেদিব যদি নোৱাৰই, খেদিবৰ কাৰণে টকা দি থাকিম কিয়? দিল্লীৰ বাদশ্বাহেও কথাটোত ৰিয়েক্ট কৰিছে— 'এনেয়ে টকা-পইচা নাই! যিখিনি আছে সেইখিনি অবাবত খৰচ কৰিব নোৱাৰি নহয়।'

ঃ হয় জাহাপনা।

ঃ মই সদায় ভোকেল ফৰ লোকেল বুলি কৈ আহিছো।

ঃ হয় জাহাপনা।

ঃ এতিয়া যদি আমাৰ চিটিজেনখিনিয়ে লোকেল নহয়, তেন্তে মই কাৰ কাৰণে ভোকেল হ'মনো?

ঃ হয় জাহাপনা!

ঃ সব চিটিজেন যদি বিদেছীয়ে হয়, মোৰ 'মন কী বাত' কোনে শুনিবনো?

ঃ হয় জাহাপনা!

ঃ কোৱাচোন কোৱা— বিদেছীবোৰক খেদিব নোৱাৰি কিয়?

এজন সভাসদে ক'লে— 'জাহাপনা, আপুনি যে স্বচ্ছ ভাৰতৰ কথা কৈ আহিছে...!'

ঃ অ' কৈছোতো! তাতে কি হ'ল?

ঃ ভাৰত চাফা কৰাৰ কামত বেছিভাগ বিদেছীকে নিয়োগ কৰা হৈছে। সিহঁতেই ৰাস্তাত ঝাড়ু দি আছে, টয়লেট বনাই আছে।

ঃ আৰু বেলেগ কিবা?

ঃ আপুনি যে মেক ইন ইণ্ডিয়াৰ কথা কৈ আহিছে।

ঃ অ' কৈছো!

ঃ ইণ্ডিয়াত যি দুই-এপদ বস্তু বনোৱা হৈছে, তাৰ বেছিভাগ বিদেছী লেবাৰেই বনোৱা।

ঃ আপুনি যে নোটবন্দী কৰিলে!

ঃ অ' কৰিলো।

ঃ একেবাৰে ক্ষতি কৰিব নোৱৰা প্ৰজাতিটোৱে হ'ল বিদেছী!

ঃ কেনেকৈ!

ঃ সিহঁতে লগত পাঁচশ-এহেজাৰ টকাৰ নোট নাৰাখিছিলেই। সৰ এশ বা পঞ্চাছটকীয়া নোট। বদলাব লগা নহ'লেই।

ঃ আৰু?

ঃ আপুনি যে লকডাউন দিলে...

ঃ অ' দিছিলো।

ঃ বিদেছীবোৰৰ একো লোকচান হোৱা নাই।

ঃ কিয়?

ঃ ইনফ্ৰাষ্ট্ৰাকচাৰৰ কামতো চলিয়ে আছিল। তাৰ বেছিভাগ লেবাৰেই বিদেছী।

ঃ আৰু?

ঃ আপুনি যে চৰকা বিকাছ বুলি কয়!

ঃ অ' কওঁ!

ঃ সেই বিকাছ বিদেছী লেবাৰ নহ'লে কৰিব নোৱাৰি। চবকা প্ৰয়াছ মানে বিদেশীবোৰেহে প্ৰয়াছ কৰে।

ঃ আৰু আমাৰ দেছীবোৰে কি কৰে?

ঃ টিভি চায়, তালি বজায়, থালি বজায়, চাকি জ্বলায়।

বাদশ্বাহৰ খং উঠি গ'ল—'হ'ব হ'ব! ইমান বৰ্ণনা দিব নালাগে! মই কিবা বেলেগ চিন্তা কৰিছো। লগালগ বিদেছী সমস্যা নাইকিয়া হৈ যাব!

ঃ কেনেকৈ জাহাপনা?

ঃ কা-ৰ দৰে এখন কানুন আনিম মই!

ঃ কি কানুন?

ঃ কা কা কানুন নহয়, এইখন হ'ব ফোঁচ্ ফোঁচ্ আইন। সাপে যে ফোঁচ্ ফোঁচ্ কৰে! সাপ মোট সলোৱাত ভালতো!

ঃ কি কৰিব এই কানুনেৰে?

বাদশ্বাহে ক'লে—'সৱ বিদেছীকে দেছী বুলি ঘোষণা কৰি দিম।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

নিৰ্ভুল লক্ষ্যভেদ কৰি ইখনৰ পাছত সিখনকৈ ৰাছিয়াৰ যুদ্ধবিমান ধবংস কৰিছে কিয়েভৰ ভূতে। এখন-দুখন নহয়, বৰঞ্চ ৩০ ঘণ্টাৰ ভিতৰতে ছখন ৰুছ যুদ্ধবিমান ধ্বংস হ'ল। সম্প্ৰতি এই ধৰণৰ এটা ভিডিঅ'ই সামাজিক মাধ্যমত তোলপাৰ লগাইছে। লক্ষ্যণীয়ভাৱে 'ঘোষ্ট অৱ কিয়েভ'ৰ এই ভিডিঅ' প্ৰচাৰ কৰা হৈছে ইউক্ৰেইন চৰকাৰৰ তৰফৰ পৰাও।





# ৰাছিয়াৰ ১০খন যুদ্ধবিমান ধ্বংস কৰিলে কিয়েভৰ ভূতে!

## বিশেষ ভিডিঅ'ক কেন্দ্ৰ কৰি তোলপাৰ ঃ ইউক্ৰেইনৰ দাবীক অস্বীকাৰ সংবাদ মাধ্যমৰ

■ **নিউজ ব্যুৰ'**

**কিয়েভ, ২৮ ফেব্ৰুৱাৰী ঃ** নিৰ্ভুল লক্ষ্যভেদ কৰি ইখনৰ পাছত সিখনকৈ ৰাছিয়াৰ যুদ্ধবিমান ধবংস কৰিছে কিয়েভৰ ভূতে। এখন-দুখন নহয়, বৰঞ্চ ৩০ ঘণ্টাৰ ভিতৰতে ছখন ৰুছ যুদ্ধবিমান ধ্বংস হ'ল। সম্প্ৰতি এই ধৰণৰ এটা ভিডিঅ'ই সামাজিক মাধ্যমত তোলপাৰ লগাইছে। লক্ষ্যণীয়ভাৱে 'ঘোষ্ট অৱ কিয়েভ'ৰ এই ভিডিঅ' প্ৰচাৰ কৰা হৈছে ইউক্ৰেইন চৰকাৰৰ তৰফৰ পৰাও।

বৃহস্পতিবাৰে যুদ্ধ আৰম্ভ হোৱাৰ প্ৰথম দিনাই কোনো অনামী যুদ্ধবিমান চালকৰ এনে কীৰ্তিৰ কথা প্ৰচাৰ কৰে ইউক্ৰেইনে। সেই চালককে কোৱা হৈছে 'ঘোষ্ট অৱ কিয়েভ' বা কিয়েভৰ ভূত। আনকি তেওঁক নায়কৰ আসনতো অধিষ্ঠিত কৰিছে জেলেন'স্কী চৰকাৰে। যদিও এই দাবীক কেন্দ্ৰ কৰি নানা প্ৰশ্নও উঠিছে। টুইটাৰত ভাইৰেল হোৱা অসংখ্য ভিডিঅ'ত দেখা গৈছে ইউক্ৰেইনৰ 'মিগ-২৯' যুদ্ধবিমানৰ চালকৰ আসনত বহি আছে এজন হেলমেটধাৰী। যুদ্ধবিমান লৈ তেওঁ অনায়াসে ইউক্ৰেইনৰ নানা চহৰৰ আকাশত উৰি ফুৰিছে আৰু নিখুঁত লক্ষ্যভেদৰ দ্বাৰা হেলাৰঙে মাটিলৈ নমাইছে ৰাছিয়াৰ বায়ুসেনাৰ বিমান। সকলো মিলাই এই 'ঘোষ্ট অৱ কিয়েভ'-এ মুঠ ১০খন ৰুছ যুদ্ধবিমান ধ্বংস কৰিছে বুলি ইউক্ৰেইন চৰকাৰে দাবী কৰিছে। এই অজ্ঞাত বিমান চালকৰ এই কীৰ্তিৰ সত্যতা নিৰূপণ কৰি থকাৰ মাজতে ইতিমধ্যে ৫০ লক্ষাধিক লোকে এই ভিডিঅ' পছন্দ কৰিছে। এটা ভাইৰেল প'ষ্টত এজন লোকে দাবী কৰি লিখিছে, 'ৰাছিয়াৰ বায়ুসেনাৰ দুখন এছইউ-৩৫, এখন এছইউ-২৭, এখন মিগ-২৯ তথা দুখন এছইউ-২৫ বিমান উৰাই দিছে ঘোষ্ট অৱ কিয়েভে।' অৱশ্যে ইয়াক গুজৱ বুলিয়ে দাবী কৰিছে একাংশ সংবাদ মাধ্যমৰ লগতে টুইটাৰ ব্যৱহাৰকাৰীয়ে। 'ঘোষ্ট অৱ কিয়েভ'ৰ অস্তিত্বক নাকচ কৰিছে আন্তৰ্জাতিক সংবাদ সংস্থা ৰয়টাৰে। তেওঁলোকে দাবী কৰিছে যে টুইটাৰত ভাইৰেল হোৱা ভিডিঅ'টো ভুৱা। সেইটো আচলতে ২০০৮ত নিৰ্মিত 'ডিজিটেল কমবেট ছিমুলেটৰ' (ডিচিএছ) নামৰ এটা ভিডিঅ' গেমৰ ফুটেজ। ৰয়টাৰৰ মতে, 'অনলাইনত যি ভিডিঅ'টো দেখা গৈছে, তাত ইউক্ৰেইনৰ কোনো ফাইটাৰ জেটে ৰাছিয়াৰ যুদ্ধবিমান ধ্বংস কৰা নাই। সেইটো আচলতে ডিচিএছ ভিডিঅ' গেমৰ অংশ।'

অৱশ্যে আন্তৰ্জাতিক সংবাদ মাধ্যমৰ এই দাবীক মানি লোৱা নাই ইউক্ৰেইন চৰকাৰে। বৰঞ্চ তেওঁলোকে দেওবাৰে ৩৮ ছেকেণ্ডৰ এটা ভিডিঅ' শ্বেয়াৰ কৰে। ইউক্ৰেইনৰ চৰকাৰী টুইটাৰ হেণ্ডলত এই ভিডিঅ'ৰ স'তে লিখা হৈছে, 'মানুহে এওঁক 'ঘোষ্ট অৱ কিয়েভ' বুলি জানে। ইয়াৰ যথাৰ্থতাও আছে। ৰাছিয়ান আক্ৰমণকাৰী বিমানসমূহৰ দুঃস্বপ্নত পৰিণত হৈছে ইউক্ৰেনীয় বায়ুসেনাৰ এই অভিজ্ঞ চালকজন।' টুইটাৰত ইউক্ৰেইন চৰকাৰে লগতে দাবী কৰি লিখিছে, '২০২২ৰ ২৪ ফেব্ৰুৱাৰীত ৰাছিয়ান আক্ৰমণৰ প্ৰথম ৩০ ঘণ্টাত ৰাছিয়াৰ ছখন যুদ্ধবিমানক গুলি কৰি নমাইছে ঘোষ্ট অৱ কিয়েভে। তথা ২৬ ফেব্ৰুৱাৰী পৰ্যন্ত মুঠ ১০খন সামৰিক বিমানক ধ্বংস কৰিছে। (আকাশ পথৰ যুদ্ধত) 'মাষ্টাৰ' বিমান চালক হ'বলৈ কমেও পাঁচখন যুদ্ধবিমান ধ্বংস কৰাটো বাঞ্ছনীয়। অথচ ঘোষ্ট অৱ কিয়েভে তাৰ দ্বিগুণ সংখ্যক বিমানক গুলি কৰি মাটিত নমাইছে।'

উল্লেখ্য যে ইউক্ৰেইনে ইতিমধ্যে এই 'ঘোষ্ট অৱ কিয়েভ'ক অলিখিতভাৱে জাতীয় নায়কৰ মৰ্যাদাও দিছে। এটা কাৰ্টুনসহ চৰকাৰী একাউণ্টত সেই ভিডিঅ' আৰম্ভ হৈছে। ভিডিঅ'ৰ আৰম্ভণিতে কেইটামান শাৰী যোগ কৰা হৈছে। তাত লিখা হৈছে, 'দ্বিতীয় বিশ্বযুদ্ধৰ পাছত হয়তো এই প্ৰথম এজন 'মাষ্টাৰ' বিমান চালক পালে ইউক্ৰেইনে। মিগ-২৯ বিমানৰ এই অজ্ঞাত চালকজন 'ঘোষ্ট অৱ কিয়েভ' নামেৰে পৰিচিত। ইউক্ৰেনীয়সকল এই সাহসী নায়কৰ ওচৰত কৃতজ্ঞ, যি ৰাছিয়াৰ বিমানেৰে পুৱাৰ আহাৰ গ্ৰহণ কৰিছে।' এই ইউক্ৰেনীয় 'নায়ক'ৰ অস্তিত্বক লৈ প্ৰশ্ন উত্থাপন হ'লেও তেওঁক প্ৰশংসা কৰিলে দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি পেট্ৰ' প'ৰ'শ্বেংকোৱে। ৰাজনৈতিক শত্ৰুতা এৰি সংকট কালত ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেন'স্কীৰ কাষত থিয় দিয়া প'ৰ'শ্বেংকোৱেও ভিডিঅ'টো শ্বেয়াৰ কৰি লিখিছে, 'সাংঘাতিক গতি আৰু সুখকৰ চিকাৰ। 'ঘোষ্ট অৱ কিয়েভ'ৰ দৰে শক্তিশালী ৰক্ষক থাকিলে ইউক্ৰেইন নিশ্চিতৰূপে যুদ্ধত জয়ী হ'ব।'

ইপিনে, অস্তিত্বক কেন্দ্ৰ কৰিয়ে প্ৰশ্ন উত্থাপন হোৱা এজন লোকৰ বীৰত্বৰ দাবী জেলেন'স্কী চৰকাৰে কিয় কৰিছে বুলিও সম্প্ৰতি চৰ্চা হৈছে। এই ক্ষেত্ৰত বহুতে ধাৰণা কৰিছে যে যুদ্ধকালীন পৰিস্থিতিত এজন অজান নায়কৰ আঁৰত আচলতে সমগ্ৰ দেশবাসীকে একত্ৰিত কৰাৰ পন্থা লৈছে ইউক্ৰেইনে।







**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com